● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

প্ৰেমেই জীৱন; আৰু তুমি যদি প্ৰেম হেৰুৱাইছা তেন্তে জীৱনটোৱেই হেৰুৱাই পেলাইছা।

লিঅ' বাস্কাগ্‌লিয়া
*মাৰ্কিন লেখক*



www.dainikagradoot.in

৭ ফ্ৰান্সত দুই লাখৰ কাষ চাপিল ক'ভিডৰ দৈনিক সংক্ৰমণ
১৫ দক্ষিণ আফ্ৰিকাক ৩০৫ ৰাণৰ বিজয় লক্ষ্য দিলে ভাৰতে
৪ জয় জয় নবজাত বাংলাদেশ জয় জয় মুক্তি বাহিনী


RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৪তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৪ পুহ ১৪২৮ ভাস্কৰাব্দ ৩০ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 30 December 2021 মূল্য ঃ ৯.০০ টকা

■ তৃতীয় ঢৌৰে দ্ৰুত সংক্ৰমণ ঘটাব ভাৰতত ■ কম সময়ৰ হ'লেও বিস্ফোৰক গতিত বাঢ়িব দৈনিক সংক্ৰমণ ■ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ গৱেষকৰ তথ্য ■ দিল্লী-মুম্বাইত সংক্ৰমণ তীব্ৰতৰ

# এসপ্তাহতে বৃদ্ধি পাব অ'মিক্ৰনৰ সংক্ৰমণ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৯ ডিচেম্বৰ ঃ** 'দেশত পুনৰ ক'ভিডৰ উপদ্ৰৱ বৃদ্ধি পাব। কিছুদিনৰ ভিতৰতে দ্ৰুতভাৱে প্ৰসাৰিত হ'ব ক'ভিডৰ তৃতীয় ঢৌ। অৱশ্যে এই ঢৌ দীঘলীয়া নহ'ব। কম সময়ৰ বাবে উচ্চ হাৰৰ সংক্ৰামক অ'মিক্ৰনে ভাৰতক ত্ৰাসিত কৰিব। কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ অধ্যয়নত এই তথ্য প্ৰকাশ পাইছে। ভাৰতত দৈনিক সংক্ৰমণৰ হাৰ বৃদ্ধি পোৱাৰ ফলত ক'ভিডৰ বিস্ফোৰক সংক্ৰমণৰ এটা সময় আহিব আৰু



এই তীব্ৰ বৃদ্ধিৰ সময় তুলনামূলকভাৱে কম হ'ব।' কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ জাজ বিজনেছ স্কুলৰ অধ্যাপক পল কাট্টুমানে এইদৰে কয়। ভাৰতৰ ক'ভিড পৰিসংখ্যাৰ তথ্য পঞ্জীয়ন ব্যৱস্থা প্ৰস্তুত কৰা পলে কয় যে কিছুদিনৰ ভিতৰতে সম্ভৱতঃ এই সপ্তাহৰ ভিতৰতে নতুন সংক্ৰমণৰ সংখ্যা বৃদ্ধি পাব। প্ৰতিদিনে অৱশ্যে কিমান সংক্ৰমণ হ'ব সেয়া পূৰ্বানুমান কৰাটো কঠিন বুলিও তেওঁ কয়। ভাৰতৰ ক'ভিড ট্ৰেকাৰৰ প্ৰস্তুতকৰ্তা পল আৰু তেওঁৰ ১০ পৃষ্ঠাত চাওক



গ্ৰন্থই মানসিক অন্তৰ্দ্বন্দ্ব প্ৰশমিত কৰে, মনলৈ প্ৰশান্তি আনে ঃ পেগু

■ ঔপন্যাসিক নন্দিতা দেৱী-প্ৰকাশক নগেন শৰ্মাক সাহিত্য বঁটা প্ৰদান

## ক'ভিডৰ শংকাৰ মাজেদিয়ে আৰম্ভ হ'ল ১২ দিনীয়া 'অসম গ্ৰন্থমেলা'

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** ক'ভিডৰ শংকাৰ মাজতেই লেখক, সাহিত্যিক, প্ৰকাশক তথা গ্ৰন্থপ্ৰেমীৰ মাজত উছাহ-উদ্দীপনাৰ সৃষ্টি কৰি আজিৰে পৰা আৰম্ভ হ'ল 'অসম গ্ৰন্থমেলা'। গুৱাহাটীৰ চান্দমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলা আজি উদ্বোধন কৰে শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে। প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে আয়োজন কৰা গ্ৰন্থমেলা উদ্বোধন কৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, 'গ্ৰন্থই মনলৈ প্ৰশান্তি আনে। মানসিক অন্তৰ্দ্বন্দ্ব, যন্ত্ৰণা দূৰ কৰে। গ্ৰন্থৰ সমাদৰ সদায় আছে। মানুহে কিতাপ পঢ়িবলৈ লৈছে। আমি ইয়াক সংস্কৃতিলৈ উত্তৰণ কৰিব লাগিব।' ১০ পৃষ্ঠাত চাওক

■ টিজিট টাউনত উপস্থিত সেনাৰ এক উচ্চস্তৰীয় অনুসন্ধানকাৰী দল ■ বিশেষ তদন্তকাৰী গোটৰ সোধপোছত সন্মতি দিছে সেনাই ■ মন জিলাৰ ঘটনাক লৈ গাঁওবাসীৰ ভাষ্য গ্ৰহণ

## নিৰীহৰ হত্যাকাৰী সেনাৰ চলিব জেৰা

নিউজ ব্যুৰ'/অগ্ৰদূত বাৰ্তা

**কহিমা/সোণাৰি, ২৯ ডিচেম্বৰ ঃ** নগালেণ্ডৰ মন জিলাত সেনাৰ গুলিত ১৪ জন নিৰীহ নগা লোকৰ মৃত্যুক লৈ সৃষ্টি হোৱা তীব্ৰ প্ৰতিবাদৰ পাছত গঠন কৰা নগালেণ্ডৰ বিশেষ অনুসন্ধান গোট (এছআইটি)-এ সেনাক সোধপোছ কৰিব। ইয়াৰ বাবে সন্মত হৈছে ভাৰতীয় সেনাবাহিনী। এই দলটোৱে চাৰি ডিচেম্বৰৰ উগ্ৰপন্থীৰ বিৰুদ্ধে চলোৱা অভিযানত জড়িত থকা সেনা বিষয়া আৰু জোৱানসকলৰ ভাষ্য গ্ৰহণ কৰিব। আৰক্ষী সূত্ৰই জনোৱা মতে, ২১ পাৰা বিশেষ বাহিনীৰ সকলো বিষয়া-জোৱানৰ ভাষ্য সম্পূৰ্ণৰূপে ৰেকৰ্ডিং কৰিব নগালেণ্ড এছআইটিয়ে। উগ্ৰপন্থীৰ বিৰুদ্ধে অভিযানত ভুলতে গুলিচালনা কৰা বুলিও ইতিমধ্যে সেনাই ভুল স্বীকাৰ কৰিছে। ২২ জনীয়া এছআইটিৰ দলে ১০ পৃষ্ঠাত চাওক



টে'ট ঃ ভুল উত্তৰ নিৰ্দিষ্ট কৰি দিবলৈ আহ্বান

## বঞ্চিত প্ৰাৰ্থীৰ অভিযোগ পৰীক্ষাৰ বাবে গঠন হ'ব ১২ জনীয়া সমিতি

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** প্ৰশ্ন আৰু উত্তৰৰ মাজত সামঞ্জস্য নথকাকে ধৰি বিভিন্ন বিসংগতিৰ মাজেৰে টে'ট পৰীক্ষাৰ ফলাফল ঘোষণাৰ অভিযোগ তুলি যোৱা ২৭ ডিচেম্বৰত শতাধিক বঞ্চিত প্ৰাৰ্থীয়ে বামুণীমৈদামস্থিত ছেবাৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ ১০ পৃষ্ঠাত চাওক

সোণাৰীত চাৰিদিন বন্ধ বিদ্যালয়ৰ পাঠদান

## তিতাবৰৰ নবোদয় বিদ্যালয়ত ছাত্ৰসহ ১৯জন ক'ভিড আক্ৰান্ত

অগ্ৰদূত বাৰ্তা

**সোণাৰি/তিতাবৰ, ২৯ ডিচেম্বৰ ঃ** নৱম শ্ৰেণীৰ এগৰাকী ছাত্ৰীৰ শৰীৰত ক'ভিড-১৯ ভাইৰাছৰ উপস্থিতি ধৰা পৰাৰ পাছত চৰাইদেউ জিলাৰ সদৰস্থিত সোণাৰি শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ১০ পৃষ্ঠাত চাওক


মুখ্যমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ হ'ল বিত্তমন্ত্ৰী

## পাঁচ হেজাৰ মহিলাক ঋণ ৰেহাইৰ চেক প্ৰদান নেওগৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৯ ডিচেম্বৰ ঃ** আজি বাগ্‌সাৰ ১১,২৫৪ গৰাকী হিতাধিকাৰীৰ ভিতৰত প্ৰথম পৰ্যায়ত থকা পাঁচ হেজাৰ মহিলাৰ মাজত মাইক্ৰ'ফাইনেঞ্চৰ ঋণৰ সকাহ প্ৰদানৰ চেক প্ৰদান কৰে বিত্তমন্ত্ৰী অজন্তা নেওগে। উল্লেখ্য যে বাগ্‌সা জিলাত ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২২° | ১৪° |
| ডিব্ৰুগড় | ২৩° | ১৩° |
| দিল্লী | ২০° | ০৬° |
| কলকাতা | ২৬° | ১৭° |
| মুম্বাই | ২৯° | ২১° |
| চেন্নাই | ৩০° | ২৪° |
| বাংগালুৰু | ২৭° | ১৫° |
| শ্বিলং | ১৬° | ০৮° |

*২৯ ডিচেম্বৰ, ২০২১*

## চেঙা তেল



*মন্ত্ৰিত্বও নাপালো, এইবাৰ যদি পিএছঅ' কেইটাও এৰি দিব লাগে তেন্তে এমএলএ হৈ কি লাভ!*

## জিএমচিত জিনীয় অনুক্ৰমণ পৰীক্ষাগাৰ স্থাপনৰ আঁচনি ৰাজ্য চৰকাৰৰ

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** ক'ভিডৰ বিভিন্ন প্ৰজাতিৰ লগতে ভৱিষ্যতে দেখা দিব পৰা অন্য জটিল ভাইৰাছজনিত ৰোগৰ প্ৰাদুৰ্ভাৱজনিত পৰিস্থিতিত অসমতে ভাইৰাছৰ সম্পূৰ্ণ 'জিনীয় অনুক্ৰমণ' (জিন'মিক ছিকুৱেন্সিং) পৰীক্ষা সম্পন্ন কৰিব পৰাকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত এটা 'জিন'মিক ছিকুৱেন্সিং লেবৰেটৰী' স্থাপনৰ পৰিকল্পনা কৰিছে ৰাজ্য চৰকাৰে। এইক্ষেত্ৰত আগ-ভাগ লৈ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি ভাইৰাছ বিশেষজ্ঞসহ স্বাস্থ্য বিভাগৰ এটা দল লৈ যোৰহাটস্থিত কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ ১০ পৃষ্ঠাত চাওক



*দিল্লীত চিকিৎসকক নিগ্ৰহৰ প্ৰতিবাদ জিএমচিত, বুধবাৰে।*

নিৰ্বাচনক লৈ তৎপৰতা শাসক-বিৰোধীৰ

## ঠেঙাল কছাৰী পৰিষদৰ ২২ সমষ্টিত বিজেপিৰ, ২১ সমষ্টিত প্ৰাৰ্থী কংগ্ৰেছৰ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** সমাগত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি তৎপৰতা বৃদ্ধি কৰিছে শাসকীয় বিজেপিৰ সমান্তৰালভাৱে বিৰোধী কংগ্ৰেছেও। ২২টা পৰিষদীয় সমষ্টিত অনুষ্ঠিত হ'ব লগা এই নিৰ্বাচনৰ বাবে কালি ৰাজ্যিক বিজেপিৰ নেতৃত্বই কেউটা সমষ্টিতে প্ৰাৰ্থী ঘোষণা কৰাৰ পাছত আজি প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বই ২১ সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। উল্লেখ্য যে বিজেপিৰ দখলত থকা স্বায়ত্তশাসিত পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ ১০ পৃষ্ঠাত চাওক

■ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তিনি ছাত্ৰৰ দেহত অ'মিক্ৰনৰ আশংকা

## বিদেশী ছাত্ৰৰ সংস্পৰ্শলৈ অহা ডিব্ৰুগড় বিশ্ববিঃৰ ৪০ শিক্ষাৰ্থীৰ নমুনা সংগ্ৰহ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৯ ডিচেম্বৰ ঃ** অ'মিক্ৰনৰ শংকাত ভুগিছে ৰাজ্যবাসী। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তিনিজন ছাত্ৰৰ দেহত অ'মিক্ৰনৰ লক্ষণে দেখা দিয়াত তেওঁলোকক ডিব্ৰুগড়ৰ জকাই আদৰ্শ হাস্পতালত আছুতীয়া কোঠাত ৰখা হৈছে। বহিঃৰাষ্ট্ৰৰ শিক্ষাৰ্থীকেইজনৰ দেহত এনে লক্ষণ ফুটি উঠাৰ পাছত শংকিত হৈ পৰিছে বিশ্ববিদ্যালয়ৰ আন শিক্ষাৰ্থীসকল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰৰ দেহত দেওবাৰে অ'মিক্ৰনৰ লক্ষণ ফুটি উঠাত পৰৱৰ্তী সময়ত ১০ পৃষ্ঠাত চাওক

■ স্বাস্থ্যখণ্ডলৈ বিপদ ঘণ্টা ■ অবৈধ যাতায়ত কৰিবলৈ বাধ্য কৰাইছে জিলা প্ৰশাসনে

## চাৰিমাহে চৰত বন্দী নলবাৰীৰ এক লাখ লোক, বন্ধ হোৱাৰ উপক্ৰম ৪০ শিক্ষানুষ্ঠান



কোটি টকাৰ লেন-দেন ভুৱা লীজৰ নামত

■ আব্দুল মজিদ

**নলবাৰী, ২৯ ডিচেম্বৰ ঃ** এদিন দুদিন নহয়, সুদীৰ্ঘ চাৰিমাহে একপ্ৰকাৰ বন্দিত্বৰ জীৱন কটাবলগীয়া হৈছে নলবাৰী জিলাৰ এক লাখ লোকে। এই লোকসকলে বিচ্ছিন্ন জীৱন কটাবলগা হৈছে বহিঃজগতৰ স'তে। উক্ত অঞ্চলটোত বন্ধ হোৱাৰ উপক্ৰম হৈছে ৪০খনকৈ বিদ্যালয়। শিক্ষা, স্বাস্থ্য সেৱা আদিকে ধৰি জৰুৰীকালীন সেৱাৰ পৰা বিগত চাৰিমাহে বঞ্চিত হৈছে এইসকল লোক। স্বয়ং চৰকাৰী ব্যৱস্থাই ব্ৰহ্মপুত্ৰৰ মাজত বন্দী কৰি ৰাখিছে নলবাৰী ১০ পৃষ্ঠাত চাওক

স্বাস্থ্য আন্তঃগাঁথনি ভাঙোনমুখী হ'ব

## অ'মিক্ৰন আৰু ডেল্টাৰ ছুনামি হ'ব ঃ সকীয়াই দিলে বিশ্ব স্বাস্থ্য সংস্থাই

নিউজ ব্যুৰ'

**জেনেভা, ২৯ ডিচেম্বৰ ঃ** অ'মিক্ৰন আৰু ডেল্টাৰ ছুনামিয়ে ইতিমধ্যে তীব্ৰ হেঁচাৰ সন্মুখীন কৰা স্বাস্থ্য আন্তঃগাঁথনিলৈ গুৰুতৰ ভাবুকি কঢ়িয়াই আনিব বুলি আজি সকীয়াই দিছে বিশ্ব স্বাস্থ্য সংস্থা। ইতিমধ্যে অতিমাৰীৰ ফলত স্বাস্থ্য আন্তঃগাঁথনিয়ে ভৰ বহন কৰিব নোৱৰাৰ অৱস্থাৰ সৃষ্টি হৈছে। সংস্থাটোৱে কয় যে ডেল্টা আৰু অ'মিক্ৰন প্ৰজাতিয়ে দ্বৈত ভাবুকিৰ সৃষ্টি কৰিব। ১০ পৃষ্ঠাত চাওক

## লামডিং বনাঞ্চলৰ পৰা বন্দুকসহ আটক চাৰি চোৰাংচিকাৰী

অগ্ৰদূত বাৰ্তা

**লংকা, ২৯ ডিচেম্বৰ ঃ** লামডিঙৰ বনাঞ্চলৰ উচ্ছেদিত অঞ্চল ঠাদংনলাৰ পৰা বন সুৰক্ষা বাহিনীয়ে চাৰিজন চোৰাংচিকাৰীক আটক কৰে। আটকাধীন কেইজন হৈছে সঞ্জিত চাকমা, শুক্ৰচাৰ্য চাকমা, জয়বীৰ চাকমা আৰু সঞ্জিত কুমাৰ চাকমা। ১০ পৃষ্ঠাত চাওক

'আশীৰ্বাদ'-'হলিডে মেম্বাৰশ্বিপ'ৰ জৰিয়তে লুটিছিল কোটি কোটি

■ মূল অভিযুক্ত ন্যায়িক জিম্মাত থকা গৌতম কুণ্ডু-শিৱময় দত্ত

## ৰ'জভেলীৰ বিৰুদ্ধে অবৈধ ধনৰ লেনদেন আইনৰ দুট ধাৰা আৰোপ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** ৰাজ্যৰ হেজাৰ হেজাৰ সাধাৰণ লোকৰ পৰা কোটি কোটি টকা আত্মসাৎ কৰা ৰ'জভেলী চিটফাণ্ড কেলেংকাৰিৰ গোচৰত ধাৰা আৰোপ কৰিলে চিবিআইৰ বিশেষ আদালতে। চিবিআইৰ বিশেষ (পিএনএলএ) ১৮/২০১৮ নম্বৰত ৰুজু হৈ থকা এই গোচৰত কলকাতাৰ চিবিআইৰ বিশেষ আদালতে আজি অভিযুক্তৰ বিৰুদ্ধে ধনৰ অবৈধ লেনদেন প্ৰতিৰোধ আইনৰ ধাৰা তিনি আৰু চাৰি আৰোপ কৰে। উল্লেখ্য যে ৰ'জভেলী গ্ৰুপ অফ কোম্পানীয়ে ৰাজ্যত সংঘটিত কৰা এই কেলেংকাৰিৰ বিৰুদ্ধে অৰ্থনৈতিক অপৰাধ শাখাত ০৮/২০১১ আৰু যোৰহাট আৰক্ষী থানাত ১২৪৮/২০১২ নম্বৰত প্ৰথম ১০ পৃষ্ঠাত চাওক

সপোন হৈয়ে ৰ'ল প্ৰস্তাৱিত টুইন টাৱাৰ ■ পূৰ্বৰ পৰিকল্পনা বাতিল

■ দুৱাৰকৈ প্ৰকাশ কৰা নিবিদাত কোনো অংশগ্ৰহণকাৰীয়েই নোলাল

## বাস্তৱসন্মত নহয় ঃ ফোঁপযহী মন্ত্ৰী পাটোৱাৰীৰ আৰু এটি ব্যৰ্থতা ফাদিল



স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** অসমবাসীৰ বাবে কেৱল এটা অলীক সপোন হৈ ৰোৱাৰ দিশে আগবাঢ়িছে গুৱাহাটীত প্ৰস্তাৱিত টুইন টাৱাৰৰ প্ৰকল্প। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউ য়ৰ্কত থকা বিশ্ব বাণিজ্য কেন্দ্ৰৰ অনুপ্ৰেৰণাত অসমতো বৃহৎ এই প্ৰকল্প গঢ়ি তুলিব বুলি ৰাজ্য চৰকাৰে বিগত ২০১৮ত বৰ্তমানৰ লগতে তদানীন্তন চৰকাৰো উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ঘোষণা কৰিছিল। সেই ঘোষণাৰ ১০ পৃষ্ঠাত চাওক

## মৰিগাঁও জিলাৰ খহনীয়াগ্ৰস্ত একাধিক স্থানত ব্ৰহ্মপুত্ৰৰ গতি পিছুৱাই গৈছে



■ প্ৰণৱ গোস্বামী

**ভূৰাগাঁও, ২৯ ডিচেম্বৰ ঃ** দীৰ্ঘদিন ধৰি মৰিগাঁও জিলাবাসীৰ শংকাৰ কাৰণ হৈ আহিছে ভয়াবহ খহনীয়া। ১৯৫০ৰ বৰভুঁইকঁপৰ এটা দশকৰ পাছতে জিলাখনৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ দুৰামাৰীত প্ৰথমে আৰম্ভ হোৱা খহনীয়াই ১০ পৃষ্ঠাত চাওক

## খেৰণিত বনৰীয়া হাতীৰ তাণ্ডৱ ঃ জনাঞ্চলত থিতাপি লৈছে শ শ বন্যহস্তীয়ে



অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৯ ডিচেম্বৰ ঃ** বিগত কে'বামাহ ধৰি হোজাই জিলাৰ বিভিন্ন অঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰি অহা বনৰীয়া হাতীৰ জাকে এইবাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি অঞ্চলত প্ৰৱেশ কৰি ত্ৰাসৰ সৃষ্টি কৰিছে। শ শ বনৰীয়া হাতীৰ জাকটোৱে জংঘলৰ পৰিবৰ্তে দিনে-নিশাই জনাঞ্চলতে থাকিবলৈ লৈছে। ইপিনে, ধান খেতি চপোৱাৰ পাছত হাতীৰ জাকে এতিয়া থিতাপি লৈছে জনাঞ্চলৰ কুঁহিয়াৰ বাৰীত। আজি কিছুদিন ধৰি দিনৰ ভাগত কুঁহিয়াৰ খেতিত আশ্ৰয় লৈ আবেলি তিনি-চাৰি বজাৰ পাছতেই হাতীৰ জাকটোৱে জনাঞ্চলৰ চাৰিওফালে সিঁচৰতি হৈ গোটেই নিশা বৃহত্তৰ খেৰণি অঞ্চলত আতংকৰ সৃষ্টি কৰি আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ ক্ষেত্ৰতো ১০ পৃষ্ঠাত চাওক

# দৈনিক অগ্ৰদূত

গুৱাহাটী, ৩০ ডিচেম্বৰ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি


## লাভলীনাক যোৰহাটত ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন



অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৯ ডিচেম্বৰ ঃ** সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু যোৰহাট জিলা এমেচাৰ বক্সিং সন্থাৰ উদ্যোগত অলিম্পিয়ান তথা অসম গৌৰৱ লাভলীনা বৰগোহাঁইক আজি যোৰহাট জিলা প্ৰেছ ক্লাবত ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সম্বৰ্ধনা অনুষ্ঠানত যোৰহাটবাসী ৰাইজে দিয়া মৰম চেনেহৰ বাবে যথেষ্ট সুখী বুলি কোৱাৰ লগতে আগন্তুক ইংৰাজী নৱবৰ্ষৰ আগতীয়াকৈ শুভেচ্ছা জ্ঞাপন কৰে। অনাগত খেলসমূহ ভালদৰে খেলিবলৈ সাহস দিবলৈ আহ্বান জনাইছে। অলিম্পিকত সোণ লাভ কৰাৰ সপোন যাতে বাস্তৱত ৰূপায়িত কৰিব পাৰে তাৰ বাবে চেষ্টা কৰিছে আৰু লগতে অলিম্পিকলৈ অসমৰ পৰা আৰু যাতে ভাল ভাল খেলুৱৈয়ে অংশগ্ৰহণ কৰিব পাৰে। যোৰহাটত বৰ্তমান সময়ত বক্সিঙৰ প্ৰশিক্ষণ ল'ব পৰাকৈ ৰিঙৰ অভাৱ দেখা পৰিলক্ষিত হয়। ৰিং ছয় পৃষ্ঠাত চাওক

## বাগানপাৰাত আছু কৰ্মীৰ চীপ লোৱা মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২৯ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত নয়াৰস্তিত আজি এজন আছু কৰ্মীৰ মৃতদেহ চিপ লোৱা অৱস্থাত ৰহস্যজনকভাৱে উদ্ধাৰ হয়। উল্লেখ্য যে চিপলোৱা যুৱকৰ ভৰি মাটিত সম্পূৰ্ণ লাগি থকা বাবে তেওঁ হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। প্ৰেম জনিত কাৰণত উক্ত ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। পাছত ঘটনাস্থলীত বাগানপাৰা আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বাগ্‌সা জিলাৰ বাগানপাৰা আৰক্ষী ছয় পৃষ্ঠাত চাওক

## অপসাৰিত ঠিকা শ্ৰমিকক পুনৰ সংস্থাপনৰ দাবীত অ'এনজিচিৰ বিৰুদ্ধে শ্ৰমিক ইউনিয়নৰ ধৰ্মঘট



অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৯ ডিচেম্বৰ ঃ** অ'এনজিচি দেশৰ লাভজনক মহাৰত্ন কোম্পানীৰূপে চিহ্নিত হোৱাৰ পাছতো নিগমৰ অসম সম্পদক অইল ইণ্ডিয়া লিমিটেডৰ স'তে চামিল কৰাৰ সিদ্ধান্তৰ বিৰোধিতাৰ লগতে চামিলকৰণৰ প্ৰস্তাৱ প্ৰত্যাহাৰৰ দাবীত বিভিন্ন সময়ত দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ইয়াৰ পাছতো কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্তত অটল থকাৰ পৰিপ্ৰেক্ষিতত আজি পুনৰ অ'এনজিচি অসম সম্পদৰ নাজিৰাস্থিত মুখ্য কাৰ্যালয়ৰ সন্মুখত নিগমৰ ঠিকা শ্ৰমিক ইউনিয়নৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সংগঠনটোৰ উক্ত প্ৰতিবাদী কাৰ্যসূচীলৈ পূৰ্ণ সহযোগিতা আগবঢ়াই চিপিআইৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য তথা শিৱসাগৰ জিলা পৰিষদৰ সম্পাদক কনক গগৈয়ে ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## ■ ২০৩০ৰ ভিতৰত এইডছ মুক্ত ৰাজ্য কৰাৰ পৰিকল্পনা অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ

# শোণিতপুৰত ৪৬২ গৰাকী এইডছত আক্ৰান্ত




আছু কৰ্মীক আৰক্ষীৰ প্ৰহাৰ, ডিব্ৰুগড়ত নেতৃবৃন্দৰ প্ৰতিবাদী কাৰ্যসূচী, বুধবাৰে।

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৯ ডিচেম্বৰ ঃ** ক'ভিডৰ দৰেই এইডছ আক্ৰান্তৰ সংস্পৰ্শলৈ অহা লোকলৈও এইছআইভিৰ সংক্ৰমণ হ'ব পাৰে নেকি? মৰিগাঁৱত শেহতীয়াকৈ এগৰাকী এইডচ আক্ৰান্তৰ পৰাই ২২গৰাকীৰ শৰীৰত এইছআইভিৰ সংক্ৰমণ ধৰা পৰাৰ পাছত ৰাজ্যৰ স্বাস্থ্য বিভাগে এইডছ আক্ৰান্তৰ সংস্পৰ্শলৈ অহা লোকৰো এইছআইভি পৰীক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে ২০৩০ৰ ভিতৰত দেশৰ পৰা এইচআইভিত আক্ৰান্তৰ সংখ্যা শূন্যলৈ হ্ৰাস কৰাৰ লক্ষ্যৰে অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিয়ে পদক্ষেপ গ্ৰহণ কৰিছে। এনে সময়তে ৰাজ্যখনৰ মৰিগাঁও জিলাত এগৰাকী ড্ৰাগছ আসক্ত এইচআইভি ৰোগীৰ সংস্পৰ্শলৈ অহা ২২গৰাকীৰ শৰীৰত এইচআইভি পজিটিভ চিনাক্ত হোৱাত স্বাস্থ্য বিভাগে ক'ভিড ৰোগীৰ সংস্পৰ্শলৈ অহা লোকৰ দৰেই এইছআইভি পজিটিভ ৰোগীৰ সংস্পৰ্শলৈ অহা লোকৰো এইছআইভি পৰীক্ষাৰ ব্যৱস্থা কৰাৰ কথা সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ বিষয়া ইন্দ্ৰ কাৰ্কীয়ে। আজি শোণিতপুৰ জিলা এইডছ নিয়ন্ত্ৰণ সমিতিয়ে শোণিতপুৰ জিলা স্বাস্থ্য বিভাগ আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সহযোগত তেজপুৰৰ আইএমএ হাউছত সংবাদ মাধ্যমৰ অংশীদাৰত্ব সম্পৰ্কে আয়োজন কৰা এক কৰ্মশালাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি কাৰ্কীয়ে ২০৩০ৰ ভিতৰত স্বাস্থ্য বিভাগ, সংবাদ মাধ্যমৰ সম্পূৰ্ণ সহযোগিতা আৰু ৫১টাকৈ স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত দেশৰ লগতে অসমক এখন এইছআইভি মুক্ত ছয় পৃষ্ঠাত চাওক

## ৰেল লাইনত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৯ ডিচেম্বৰ ঃ** ৰঙিয়া ৰেল আৰক্ষীৰ অধীনৰ চাংসাৰিৰ সমীপত ৰেল লাইনৰ দাঁতিত যোৱা নিশা এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হয়। স্থানীয় ৰাইজে এই সন্দৰ্ভত ৰঙিয়া ৰেল আৰক্ষীক জনোৱাত ৰঙিয়া আৰু বাইহাটা ৰেল আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। জনজাতীয় অৱয়বৰ মানুহজনৰ বয়স আনুমানিক ৪২ বছৰ হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ কৰে। বগা আৰু সেউজীয়া গামোচা লগতে গুলপীয়া আৰু গ্ৰে ৰঙৰ ছুৰেটাৰ পৰিধান কৰা লোকজনৰ ৰেলৰ খুন্দাত মৃত্যু হৈছে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। মৃতদেহটো ৰঙিয়া ৰেল আৰক্ষীৰ মৰ্গত ৭২ ঘণ্টাৰ বাবে ৰাখি থোৱা হৈছে।

## বিশিষ্ট সমাজকৰ্মী গুণেশ্বৰ বৰুৱাৰ দেহাৱসান

বিশেষ সংবাদদাতা

**নগাবাট, ২০ ডিচেম্বৰ ঃ** তিতাবৰ মহকুমাৰ নগাবাটৰ পানীখেতিৰ নিৱাসী তথা সমাজকৰ্মী, শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ একনিষ্ঠ সেৱক, প্ৰবীণ ৰাজনীতিক, সদৌ অসম গাঁওৰক্ষী বাহিনীৰ সদস্য, তিতাবৰ মহকুমাৰ চাউদাং জাতীয় পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি, অসম নগালেণ্ড পীচ কমিটীৰ আহ্বায়ক গুণেশ্বৰ বৰুৱা (৮২)ৰ আজি দুপৰীয়া ছয় পৃষ্ঠাত চাওক

## গোলাঘাট নগৰৰ ৰাজপথত দপ্‌দপকৈ জ্বলিল স্কুটী

বিশেষ সংবাদদাতা

**গোলাঘাট, ২৯ ডিচেম্বৰ ঃ** গোলাঘাটৰ ৰাজপথত আজি আকস্মিকভাৱে জ্বলি উঠে এখন স্কুটী। পাৰ্কিং কৰা অৱস্থাত এএছ-০৫আৰ-০৮১৪ নম্বৰৰ এখন স্কুটী দপদপকৈ জ্বলি উঠাক লৈ আতংকময় পৰিৱেশৰ সৃষ্টি হয়। গোলাঘাটৰ মাজমজিয়াৰ হনুমান মন্দিৰৰ সমুখত পৱন সিংভী নামৰ লোকজনৰ ছয় পৃষ্ঠাত চাওক

## ৬০ ঊৰ্দ্ধৰ তিনি লোকৰ ১৭৭ কিলোমিটাৰ পথ চাইকেলেৰে শান্তি যাত্ৰা



বিশেষ সংবাদদাতা

**নগাঁও, ২৯ ডিচেম্বৰ ঃ** ৬০ৰ ঊৰ্দ্ধৰ তিনিজন লোকে ১৭৭ কিলোমিটাৰ পথ চাইকেলেৰে অতিক্ৰম কৰি ৰাইজৰ মাজত শান্তি প্ৰতিষ্ঠাৰ বাণী প্ৰচাৰৰ অভিনৱ প্ৰয়াস চলাইছে। যোৰহাটৰ মানিক দত্ত , যোগেন দত্ত আৰু ৰাজীৱ দত্ত নামৰ এই লোকতিনিজনে যোৰহাটৰ পৰা নগাঁও চহৰ অভিমুখে আহি আজি নগাঁৱত উপস্থিত হয়। ১৩ ঘণ্টা যাত্ৰাৰ অন্তত নগাঁও চহৰৰ ফৌজদাৰীপট্টিত উপস্থিত হোৱা চাইকেল যাত্ৰাৰ এই দলটোক নগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাই আদৰণি জনোৱাৰ লগতে আপ্যায়ন কৰে। আনহাতে, পুনৰ নিজৰ ঘৰলৈ ওভতি যোৱাৰ পথত নগাঁও ক্ৰীড়া সন্থায়ো দলটোক আদৰণি জনায়। শান্তি ৰক্ষাৰ লগতে স্বাস্থ্য আদিৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে দলটোৱে ১৭৭ কিলোমিটাৰ পথ চাইকেলেৰে শান্তি যাত্ৰা কৰে।

## কলিয়াবৰত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৯ ডিচেম্বৰ ঃ** কলিয়াবৰৰ ৰাষ্ট্ৰীয় পথত আৰক্ষীৰ অভিযানত জব্দ হৈছে বৃহৎ পৰিমাণৰ অবৈধ অৰুণাচলী সুৰা। চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা ৰাষ্ট্ৰীয় ঘাই পথেৰে সৰবৰাহ কৰা সুৰাভৰ্তি কন্টেইনাৰ বাহন জব্দ কৰে কলিয়াবৰ চুলুং আৰক্ষীয়ে। যোৱা নিশা কলিয়াভোমোৰা দলঙৰ সমীপৰ পৰা জব্দ অৰুণাচলী সুৰা ভৰ্তি কন্টেইনাৰখন। জানিব পৰা মতে, প্ৰায় ১৫ ছয় পৃষ্ঠাত চাওক

## জুৰীয়াত দহবছৰীয়া নাবালিকা হত্যাৰ তদন্তত নামিল নগাঁৱৰ অধীক্ষক

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৯ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষীৰ অন্তৰ্গত মাহেৰীপাৰত যোৱা ২৭ ডিচেম্বৰৰ সন্ধিয়া দুৰ্বৃত্তই ডকাইতি কাণ্ড সংঘটিত কৰি ছুমাইয়া আখতাৰ নামৰ এগৰাকী ১০ বছৰীয়া কণমানিক হত্যা কৰা ঘটনাৰ আজিও কোনো অপৰাধীৰ শুংসূত্ৰ ওলোৱা নাই। ইয়াৰ মাজতে আজি নগাঁও আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই জুৰীয়াৰ মাহেৰীপাৰস্থিত ছুমাইয়া আখতাৰৰ বাসগৃহত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আৰক্ষী অধীক্ষকজনে ছুমাইয়াৰ পৰিয়ালৰ স'তে মত-বিনিময় কৰাৰ লগতে কে'বাজনো লোকৰ ভাষ্য গ্ৰহণ কৰে। অতি শীঘ্ৰেই অপৰাধীক আৰক্ষীয়ে কৰায়ত্ত কৰি উক্ত ঘটনাৰ দুই-এদিনৰ ভিতৰত প্ৰকৃত ৰহস্য পোহৰলৈ অহাটো নিশ্চিত কৰিব বুলি ভুক্তভোগী পৰিয়ালটোক আশ্বাস প্ৰদান কৰে অধীক্ষক মিশ্ৰই। উল্লেখ্য যে দুৰ্বৃত্তই ঘটনাৰ দিনা সন্ধিয়া ঘৰৰ কোনো নথকাৰ সুযোগতে লুটপাট কৰাৰ লগতে ছুমাইয়া আখতাৰক আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা চলাইছিল। চিপ লোৱা অৱস্থাত কিশোৰীগৰাকীৰ মৃতদেহ উদ্ধাৰ ছয় পৃষ্ঠাত চাওক

## মানাহৰ পৰা ওভতাৰ পথত দুৰ্ঘটনাত নিহত যুৱক

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৯ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ বাঁহবাৰীত কালি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱক নিহত হোৱাৰ লগতে আন এজন যুৱক চিকিৎসাধীন হ'বলগীয়া হৈছে। নিহত যুৱকজন বজালীৰ হলংবাৰীৰ দীপাংকৰ কলিতা (২৫) আৰু আহত যুৱকজন কঁঠালমূৰীঘাটৰ সুৰজিৎ কলিতা (২৪)। কালি সন্ধিয়া মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বজালীৰ হলংবাৰী আৰু কঁঠালমূৰীঘাটস্থিত নিজ ঘৰলৈ এ এছ-১৫ টি-৫২৪৯ নম্বৰৰ মটৰ চাইকেলেৰে গৈ থকা সময়ত মানাহ-শালবাৰী সংযোগী পথত এখন মালবাহী মেজিকৰে মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত যুৱক দুজনক স্থানীয় ৰাইজৰ সহযোগত বাঁহবাৰী আৰক্ষীয়ে উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইয়াৰে দীপাংকৰ কলিতা নামৰ যুৱকজনৰ আজি চিকিৎসাধীন অৱস্থাত জিএমচি হাস্পতালত মৃত্যু হোৱাৰ বিপৰীতে সুৰজিৎ কলিতা নামৰ যুৱকজন সম্প্ৰতি বৰপেটা চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত আছে।

## শালবাৰীৰ হতাপাৰাত বিপিএফৰ যোগদান সভা

## বিটিচিত চৰকাৰৰ প্ৰতি ৰাইজৰ মোহভংগ হৈছে ঃ প্ৰবীণ বড়ো



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৯ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ হতাপাৰাত আজি বিপিএফৰ এখন যোগদান সভা অনুষ্ঠিত হয়। বিপিএফৰ শালবাৰী জিলা কমিটীৰ সভাপতি তথা এমচিএলএ জয় মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিভিন্ন দল-সংগঠনৰ প্ৰায় ডেৰ শতাধিক নেতাকৰ্মী আৰু সমৰ্থকে বিপিএফত যোগদান কৰে। সভাত বিপিএফৰ কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক প্ৰবীণ বড়োই অংশগ্ৰহণ কৰি কয় যে বিটিচিত চৰকাৰৰ প্ৰতি ৰাইজৰ মোহভংগ হৈছে। বিটিচিত ইউপিপিএল চৰকাৰে জনসাধাৰণক সমমৰ্যাদা, সম-অধিকাৰ দিব পৰা নাই। বিটিচিৰ সৰ্বাংগীণ বিকাশৰ বাবে কাম কৰাৰ ক্ষেত্ৰত ইউপিপিএল চৰকাৰ ব্যৰ্থ হৈছে। বিটিচিৰ সকলো স্তৰৰ ৰাইজে উপলব্ধি কৰিছে যে এই চৰকাৰে বিটিচিৰ সকলো ধৰণৰ বিকাশ কৰাৰ ক্ষেত্ৰত সমৰ্থ হোৱা নাই। যাৰ বাবে আজি বিপিএফৰ প্ৰতি আকৰ্ষিত হৈ ছয় পৃষ্ঠাত চাওক

## বিজেপি নেতা সঞ্জয় মাৰাণ্ডীৰ অকাল মৃত্যু

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৯ ডিচেম্বৰ ঃ** বিজেপিৰ ৰাজ্যিক অন্যান্য পিছপৰা জাতি কোষৰ কোকৰাঝাৰ জিলা সমিতিৰ উপ-সভাপতি তথা বিশিষ্ট সমাজকৰ্মী সঞ্জয় মাৰাণ্ডী (৪৭)ৰ আজি পুৱতি নিশা নিজ বাসগৃহত গুণমুগ্ধসকলে আহি প্ৰয়াত নেতাজনৰ অন্তিম দৰ্শন কৰি শোকত ভাগি পৰে। কোকৰাঝাৰ জিলাৰ ছয় পৃষ্ঠাত চাওক


## ■ সোণাৰিত মিশ্ৰিত প্ৰতিক্ৰিয়া

## মৃত শিশু পুতি থ'লে পিতৃ-মাতৃয়ে

অগ্ৰদূত বাৰ্তা

**সোণাৰি, ২৯ ডিচেম্বৰ ঃ** সদ্য প্ৰসৱজাত এটি শিশুৰ মৃত্যুৰ ঘটনাকলৈ সোণাৰিত ৰাইজৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে সোণাৰি নগৰৰ পাৰ্শ্ববৰ্তী শিঙৰীতলী গড়ুপাৰা নিবাসী ৰূপন গগৈৰ পত্নীয়ে যোৱা ২৬ ডিচেম্বৰৰ নিশা এটা পুত্ৰ সন্তান প্ৰসৱ কৰে। কিন্তু প্ৰাক্ প্ৰসৱকালিন (প্ৰিমেচিউৰ)ভাৱে শিশুটি ভূমিষ্ঠ হোৱাত জন্মৰ কিছু সময়ৰ পাছতেই মৃত্যু হয়। পাছত পিতৃ-মাতৃয়ে ছয় পৃষ্ঠাত চাওক

## ভয়াৱহ অগ্নিকাণ্ডত চাৰিটাকৈ গৃহ ভস্মীভূত খাৰুপেটীয়াত



অগ্ৰদূত বাৰ্তা

**দলগাঁও, ২৯ ডিচেম্বৰ ঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ অন্তৰ্গত এক নম্বৰ আৰিমাৰী গাঁৱৰ এটা পৰিয়ালত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডত চাৰিটা গৃহ ভস্মীভূত হয়। শ্বৰ্ট চাৰ্কিটৰ ফলত গাঁওখনৰ ইউনছ আলীৰ বাসগৃহত সংঘটিত অগ্নিকাণ্ডত কে'বালাখ টকাৰ সা-সম্পত্তি ধ্বংস হয়। আনহাতে, অগ্নিকাণ্ডত নগদ ৭২ হেজাৰ টকাৰ লগতে পশুধনৰো ক্ষতি হয়।

## সত্ৰসমূহ ৰক্ষণাবেক্ষণ দিয়াতো আমাৰ দায়িত্ব

### ■ বৰপেটাৰ সত্ৰত আৰক্ষী সঞ্চালক প্ৰধান

বিশেষ সংবাদদাতা

**বৰপেটা, ২৯ ডিচেম্বৰ ঃ** অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই আজি বৰপেটাৰ মাধৱদেৱ স্থাপিত সুন্দৰীদিয়া সত্ৰত উপস্থিত হৈ সেৱা জনায়। ইয়াৰ পাছতে তেওঁ বৰপেটা আৰক্ষী প্ৰশাসনৰ দ্বাৰা সুন্দৰীদিয়া সত্ৰত প্ৰদান কৰা চিচি টিভি উদ্বোধন কৰে। তদুপৰি সুন্দৰীদিয়া সত্ৰৰ পৰাই বৰপেটা আৰক্ষীয়ে প্ৰদান কৰা পাটবাউসীৰ শংকৰদেৱ সত্ৰ আৰু দামোদৰদেৱ সত্ৰৰ চিচিটিভিও উদ্বোধন কৰে। পাছত এখন সভাত মিলিত হৈ তেওঁ কয় যে সত্ৰসমূহ ৰক্ষণা-বেক্ষণ দিয়াটো আমাৰ দায়িত্ব, সত্ৰসমূহত যাতে কোনো দুষ্টচক্ৰই অনিষ্ট সাধন কৰিব নোৱাৰে তাৰ বাবে আজিৰ প্ৰযুক্তি ব্যৱহাৰ কৰি তাক ৰোধ কৰিব লাগিব। সত্ৰসমূহৰ চুৰি কাৰ্য ৰোধ কৰা আৰু সত্ৰৰ ভূমি বেদখল মুক্ত কৰাৰ বাবে বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে। সুন্দৰীদিয়া সত্ৰৰ পৰাই সঞ্চালকজনে পাটবাউসী সত্ৰলৈ সেৱা জনাবলৈ যায়। কাৰ্যসূচীত অসম আৰক্ষীৰ পশ্চিম মণ্ডলৰ উপ-মহাপৰিদৰ্শক দিলীপ কুমাৰ দেও উপস্থিত থাকে। আনহাতে, বৰপেটা জিলাৰ আৰক্ষীৰ অধীক্ষক অমিতাভ সিন্‌হাৰ তত্ত্বাৱধানত সুন্দৰীদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছহিদৰ নামত পুনঃ নিৰ্মিত পুথিভঁৰালটো আজি উদ্বোধন কৰে আৰক্ষী সঞ্চালকজনে। সুন্দৰীদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসম আৰক্ষীৰ বীৰ জোৱান ছহিদ দীপক কুমাৰ দেউৰী আৰু প্ৰণৱ কুমাৰ চৌধুৰীৰ নামেৰে নামাকৰণ কৰা পুথিভঁৰালটোৰ উদ্বোধনী সভাত আৰক্ষী সঞ্চালক প্ৰধান মহন্তৰ উপৰি উপ-মহাপৰিদৰ্শক দিলীপ কুমাৰ দে, বৰপেটা জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষাল, বৰপেটা আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হাৰ লগতে ছয় পৃষ্ঠাত চাওক

## প্ৰথম পৰ্যায়ত এশটা গৃহ নিৰ্মাণৰ সিদ্ধান্ত

## যমুনামুখত আজমল ফাউণ্ডেছনে দৰিদ্ৰ পৰিয়ালক প্ৰদান কৰিব পকী ঘৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৯ ডিচেম্বৰ ঃ** যমুনামুখত আজমল ফাউণ্ডেছনে এখন অভিলাষী আঁচনি গ্ৰহণ কৰিছে। যমুনামুখ সমষ্টিৰ বিধায়ক ছিৰাজুদ্দিন আজমলৰ প্ৰচেষ্টাত সমষ্টিৰ অতি দৰিদ্ৰ পৰিয়ালক একোটাকৈ পকী ঘৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পৰিপ্ৰেক্ষিতত আজি আজমল ফাউণ্ডেছনৰ বিষয়ববীয়াসকলৰ উপস্থিতিত সমষ্টিৰ চাংমাজি গাঁৱত ২০টা পকী গৃহৰ আধাৰশিলা স্থাপন কৰে। দুই লাখ টকা ব্যয় সাপেক্ষে প্ৰতিটো গৃহ নিৰ্মাণ কাৰ্য সম্পন্ন কৰা হ'ব বুলি আজমল ফাউণ্ডেছনৰ সঞ্চালক ড° খচৰুল ইছলামে সংবাদ মাধ্যমৰ আগত সদৰী কৰে। উল্লেখ্য যে চৰকাৰী সাহায্য লাভৰ পৰা বঞ্চিত হৈ দৰিদ্ৰ লোকসকলে আজমল ফাউণ্ডেছনৰ কাষ চাপি আবেদন জনোৱাত আজমল ফাউণ্ডেছনৰ মুখ্য ন্যাসৰক্ষী বদৰুদ্দিন আজমল আৰু ছয় পৃষ্ঠাত চাওক

## নগাঁৱত অকণি সাহিত্য সভাৰ কবিতাৰ দিন উদ্‌যাপন

## বঁটা প্ৰাপ্তিয়ে মনত আনন্দ দিয়াৰ লগতে অধিক দায়বদ্ধও কৰি তোলে



বিশেষ সংবাদদাতা

**নগাঁও, ২৯ ডিচেম্বৰ ঃ** 'নগাঁৱলৈ আহি ভাল লাগিছে। নগাঁৱৰ বহু লোকৰ নাম শুনি আছিলো। আজি নগাঁৱত অকণিৰ সাহিত্য সভাই আয়োজন কৰা কবি দেৱকান্ত বৰুৱাৰ জন্মদিন 'কবিতাৰ দিন'ত উপস্থিত হৈ নগাঁৱৰ ৰাইজক লগ পাই আনন্দিত হৈছো।' এই মন্তব্য বিশিষ্ট শিশু সাহিত্যিক তথা পাণ্ডু মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মৃণাল কলিতাৰ। কবি সম্ৰাট নৱকান্ত বৰুৱাৰ ওপজা দিন উপলক্ষে নগাঁও চহৰৰ নতুন বজাৰত অনুষ্ঠিত কবিতাৰ দিনত অংশগ্ৰহণেৰে অকণিৰ সাহিত্য ছয় পৃষ্ঠাত চাওক

## লক্ষীপুৰত ২০ বিঘা ভূমিৰ আফিং খেতি ধ্বংস

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ২৯ ডিচেম্বৰ ঃ** এইবাৰ আফিম (আফিং) খেতিৰ বিৰুদ্ধে আৰক্ষীয়ে চলালে তীব্ৰ অভিযান। ট্ৰেক্টৰেৰে ধ্বংস কৰিলে বিঘাই বিঘাই আফিম (আফিং) খেতি। গোৱালপাৰাৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত চুনাৰীৰ লতিবাৰী চৰ, বামুনয় আলগা চৰ, শিয়ালমাৰী চৰ আৰু চোলাকুৰা আদি চৰ অঞ্চলত এই অভিযান চলোৱা হয়। উল্লেখ্য যে এচাম অসাধু লোকক চৰাঞ্চলসমূহত অবৈধভাৱে কৰিবলৈ লৈছিল ভয়ংকৰ আফিং খেতি। সমাজখনক ধ্বংসৰ পথলৈ নিয়া এই নিচাযুক্ত আফিং খেতি কৰাৰ বিষয়টো জিলা আৰক্ষী প্ৰশাসনে অৱগত হোৱাৰ পাছতে আজি ইয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। জিলা আৰক্ষী অধীক্ষক পি ভি ভি ৰাকেশ ৰেড্ডীৰ নিৰ্দেশনাত আজি উক্ত চৰাঞ্চলসমূহত অভিযান চলায়। লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়া ছয় পৃষ্ঠাত চাওক

## দেশত অ'মিক্ৰনৰ আতংক অধিক বৃদ্ধি, সুস্থ ২৪১ ৰোগী



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ডিচেম্বৰ ঃ** কৰ'নাৰ ডেল্টা প্ৰজাতিৰ লগতে নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণো দেশত উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। বুধবাৰলৈকে দেশত মুঠ অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৭৮১ জনলৈ বৃদ্ধি পালে। কেৰল দিল্লীতে এই নতুন প্ৰজাতিৰ ভাইৰাছত আক্ৰান্ত হ'ল ২৩৮ জন লোক। মহাৰাষ্ট্ৰত অ'মিক্ৰনত আক্ৰান্ত হৈছে ১৬৭ জন লোক। ইফালে, গুজৰাটত ৭৩, কেৰালাত ৬৫, তেলেংগানাত ৬২, ৰাজস্থানত ৪৬, কৰ্ণাটকত ৩৪, তামিলনাডুত ৩৪ আৰু পশ্চিমবংগত ১১ জন লোক অ'মিক্ৰনত সংক্ৰমিত হৈছে। দেশৰ মুঠ অ'মিক্ৰন আক্ৰান্তৰ ২৪১ জন ইতিমধ্যে সুস্থ হৈছে। দিল্লীত ৫৭ জন অ'মিক্ৰন ৰোগী সুস্থ হৈছে। মহাৰাষ্ট্ৰতো ৭২ জন ৰোগী ইতিমধ্যে আৰোগ্য হৈছে।

## ৰিলায়েন্সৰ দায়িত্ব এৰিব মুকেশে, নিজে দিলে ইংগিত



**নিউজ ব্যুৰ', মুম্বাই, ২৯ ডিচেম্বৰ ঃ** বৃহৎ স্বপ্ন আৰু অসম্ভৱ লক্ষ্য পূৰণৰ বাবে প্ৰয়োজন সুযোগ্য নেতৃত্বৰ। এইবাৰ ৰিলায়েন্সৰ শীৰ্ষ মহলত পৰিৱৰ্তনৰ ইংগিত দিলে প্ৰতিষ্ঠানটোৰ মুৰব্বী মুকেশ আম্বানীয়ে। মঙলবাৰে ৰিলায়েন্স পাৰিবাৰিক দিৱস পালন কৰি পৰোক্ষভাৱে আম্বানীয়ে ইংগিত দি কয় যে আগন্তুক সময়ত ৰিলায়েন্সৰ নেতৃত্বদানৰ দায়িত্বৰ পৰা তেওঁ অব্যাহতি ল'ব। প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক ধীৰুভাই আম্বানীৰ জন্মদিন পালন কৰি ভাষণ প্ৰসংগত মুকেশে কয়, 'বৃহৎ স্বপ্ন হওক কিম্বা অসম্ভৱ লক্ষ্য পূৰণ, ইয়াৰ বাবে প্ৰয়োজন সঠিক ব্যক্তি আৰু সুযোগ্য নেতৃত্বৰ। ৰিলায়েন্স এই মুহূৰ্তত গুৰুত্বপূৰ্ণ নেতৃত্বৰ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত আছে। আমাৰ প্ৰজন্মৰ প্ৰবীণসকলৰ পৰা আৰম্ভ কৰি তৰুণ প্ৰজন্মৰ সকলোৱে নেতৃত্বদানৰ বাবে যোগ্য। মই নিশ্চিত যে আকাশ, ঈশা বা অনন্তই আগন্তুক দিনত নেতা হিচাপে আগুৱাই আহিব আৰু ৰিলায়েন্সক নেতৃত্ব দি অধিক উচ্চতালৈ প্ৰতিষ্ঠানটোক লৈ যাব।' উল্লেখ্য যে আকাশ, ঈশা আৰু অনন্ত হৈছে আম্বানীৰ তিনি সন্তান। এই মন্তব্যৰে আম্বানীয়ে এটা কথা স্পষ্ট কৰিলে যে ৰিলায়েন্সৰ নেতৃত্বত তেওঁ পৰিয়ালৰ তিনি সদস্যকে বিচাৰে। স্মৰ্তব্য যে আম্বানী হৈছে এই মুহূৰ্তত ভাৰতৰ লগতে এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি।

## এসপ্তাহত বিশ্বত ১১ শতাংশ বৃদ্ধি কৰ'নাৰ সংক্ৰমণ ঃ বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য



**নিউজ ব্যুৰ', জেনেভা, ২৯ ডিচেম্বৰ ঃ** বিশ্ব স্বাস্থ্য সংস্থা (হু)ই বিশ্বজুৰি কৰ'নাৰ নতুন সংক্ৰমণ বৃদ্ধিৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিলে। হুৱে প্ৰকাশ কৰা অনুসৰি, যোৱা সপ্তাহত বিশ্বত কৰ'নাৰ সংক্ৰমণ ১১ শতাংশ বৃদ্ধি পালে। কৰ'নাৰ এই সংক্ৰমণৰ মাজত অ'মিক্ৰন আক্ৰান্তও আছে। আজি হুৱে প্ৰকাশ কৰা অনুসৰি কে'বাখনো দেশত সম্প্ৰতি ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ অন্যতম কাৰণ হৈছে অ'মিক্ৰন প্ৰজাতিৰ দ্ৰুত সংক্ৰমণ। বিশ্বৰ একাংশ দেশত সম্প্ৰতি ডেল্টাতকৈও অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা অধিক হৈছে বুলি বিশ্ব স্বাস্থ্য সংস্থাই জানিবলৈ দিয়ে।

## হঠাৎ ৪৪ শতাংশ বৃদ্ধি দেশৰ দৈনিক সংক্ৰমণ, মৃত্যু ৩০২ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ডিচেম্বৰ ঃ** ২০ দিনৰ পাছত ভাৰতৰ দৈনিক ক'ভিড সংক্ৰমণ ন হেজাৰৰ অধিক হ'ল। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ৯,১৯৫ জন লোক। মঙলবাৰৰ তুলনাত বুধবাৰে দেশত ক'ভিডৰ সংক্ৰমণ ৪৪ শতাংশ বৃদ্ধি পালে। মহাৰাষ্ট্ৰ আৰু দিল্লীত ক'ভিড আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে ভাৰতত তিনি কোটি ৪৮ লাখ আঠ হেজাৰ ৮৮৬ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত ক'ভিড মহামাৰীয়ে পুনৰ প্ৰাণ কাঢ়িলে ৩০২ জন লোকৰ। বৰ্তমানে দেশত ৭৭,০০২ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

### ৭৯ শতাংশ ফৰাচী নাগৰিকৰ টিকাকৰণৰ পাছতো অ'মিক্ৰনৰ সংক্ৰমণ ঃ আতংক ব্ৰিটেইনতো

## ফ্ৰান্সত দুই লাখৰ কাষ চাপিল ক'ভিডৰ দৈনিক সংক্ৰমণ



**নিউজ ব্যুৰ' পেৰিছ, ২৯ ডিচেম্বৰ ঃ** সমগ্ৰ বিশ্বতে নতুন ত্ৰাসৰ সৃষ্টি কৰিছে কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনে। আমেৰিকা, ব্ৰিটেইনৰ পাছত মাৰাত্মক পৰিস্থিতিৰ সৃষ্টি হৈছে ফ্ৰান্সত। মাত্ৰ এমাহৰ ভিতৰতে অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণে গৱেষকসকলক বিস্মিত কৰি তুলিছে। বহু দেশে ইতিমধ্যে পুনৰ তলাবন্ধৰ পথ ল'বলৈ বাধ্য হৈছে। যোৱা ২৪ ঘণ্টাত ফ্ৰান্সত কৰ'নাত আক্ৰান্ত হ'ল প্ৰায় এক লাখ ৮০ হেজাৰ নাগৰিক। মাত্ৰ কিছুদিন পূৰ্বে দেশখনত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যাই এক লাখৰ সীমা অতিক্ৰম কৰিছিল। কিন্তু সংক্ৰমণৰ হাৰ ইমানে দ্ৰুতগতিত বৃদ্ধি পাইছে যে কেইদিনমানৰ ভিতৰতে দৈনিক আক্ৰান্তৰ সংখ্যাই দুই লাখৰ কাষ চাপিল। মঙলবাৰে ফ্ৰান্সত এক লাখ ৭৯ হেজাৰ ৮০৭ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। স্মৰ্তব্য যে ৭৯ শতাংশ ফৰাচী নাগৰিকে টিকাকৰণ সম্পূৰ্ণ কৰাৰ পাছতো অ'মিক্ৰনৰ সংক্ৰমণক বাধা দিয়াটো সম্ভৱ হোৱা নাই। বিগত এসপ্তাহত দেশখনত এহেজাৰৰো অধিক ক'ভিড ৰোগীৰ মৃত্যু হৈছে।

ইফালে, ব্ৰিটেইনতো ক'ভিডৰ নতুন সংক্ৰমণ ঊৰ্ধ্বমুখী হৈছে। মঙলবাৰে দেশখনত কৰ'নাত সংক্ৰমিত হ'ল এক লাখ ২৯ হেজাৰ ৪৭১ জন লোক। এই পৰিসংখ্যা হৈছে সাম্প্ৰতিক সংক্ৰমিতৰ হিচাপত সৰ্বোচ্চ দৈনিক সংক্ৰমণ। বিশ্বৰ ১০৮ খন দেশ সম্প্ৰতি ক'ভিডৰ নতুন প্ৰজাতিৰ কবলত পৰিছে। এমাহ পূৰ্বে দক্ষিণ আফ্ৰিকাত ধৰা পৰা অ'মিক্ৰনৰ সংক্ৰমণ অতি কম সময়ৰ ভিতৰতে ব্যাপক হৈ উঠিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কে'বাখনো দেশে ইতিমধ্যে আংশিক তলাবন্ধৰ লগতে অন্যান্য বিধি নিষেধ আৰোপ কৰিবলৈ বাধ্য হৈছে।



## কেলিফ'ৰ্ণিয়াত বিমান দুৰ্ঘটনাত চাৰিজনৰ মৃত্যু

**নিউজ ব্যুৰ' কেলিফ'ৰ্ণিয়া, ২৯ ডিচেম্বৰ ঃ** আমেৰিকাৰ কেলিফ'ৰ্ণিয়াৰ এল কাজ'ন অঞ্চলত এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হ'ল। এই দুৰ্ঘটনাত বিমানখনত থকা চাৰিজন লোকৰ মৃত্যু হ'ল। ফেডাৰেল এভিয়েচন প্ৰশাসনে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, লিয়ৰজেট ৩৫ বিজনেছ বিমানখনে অৰেঞ্জ কাউণ্টিৰ পৰা ছেন ডিয়েগ'লৈ যাত্ৰা কৰাৰ সময়তে হঠাতে ভূপতিত হৈছিল। এই ঘটনাত ক্ষুদ্ৰ বিমানখনত থকা যাত্ৰী আৰু চালকসহ চাৰিজন লোকৰ মৃত্যু হয়।



## পঞ্জাৱত আকালি দল ত্যাগ কৰি বিজেপিত যোগদান ৰবিপ্ৰীতৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৯ ডিচেম্বৰ ঃ** পঞ্জাৱত অহা বছৰত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু এই নিৰ্বাচনৰ পূৰ্বে শিৰোমণি আকালি দলত অঘটন সংঘটিত কৰিলে দলৰ সাধাৰণ সম্পাদক ৰবিপ্ৰীত সিং সিদ্ধুৱে। আজি ৰবিপ্ৰীতে দলত্যাগ কৰি বিজেপিৰ সদস্য পদ গ্ৰহণ কৰে। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ শেখাৱট আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডাঃ দুষ্যন্ত গৌতমৰ উপস্থিতিত দিল্লীত ৰবিপ্ৰীতে বিজেপিত যোগদান কৰিলে।

## আঠ আফ্ৰিকাৰ দেশৰ বিৰুদ্ধে ভ্ৰমণ নিষেধাজ্ঞা বাতিল আমেৰিকাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৯ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাত যোৱা নৱেম্বৰত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ ধৰা পৰাৰ পাছত আমেৰিকাসহ কে'বাখনো দেশে আফ্ৰিকাৰ দেশৰ বিৰুদ্ধে ভ্ৰমণ নিষেধাজ্ঞা আৰোপ কৰিছিল। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে আজি আঠখন দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰৰ বিৰুদ্ধে দেশখনে পূৰ্বে আৰোপ কৰা ভ্ৰমণ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰে। আমেৰিকাৰ পৰা এইসমূহ আফ্ৰিকাৰ দেশৰ স'তে পুনৰ বিমান সেৱা অহা ৩১ ডিচেম্বৰৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে জ' বাইডেন প্ৰশাসনে ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ যোৱা নৱেম্বৰত দক্ষিণ আফ্ৰিকা, বট্ছৱানা, জিম্বাব'ৱে, নামিবিয়া, লেছ'থ', ইখাতিনি, মুজাম্বিক আৰু মালাভিৰ বিৰুদ্ধে ভ্ৰমণ নিষেধাজ্ঞা আৰোপৰ কথা ঘোষণা কৰিছিল।

## দিল্লী, মুম্বাই, চেন্নাই, বাংগালুৰুত উদ্‌যাপন কৰা নহ'ব নৱবৰ্ষ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ডিচেম্বৰ ঃ** দিল্লী, মুম্বাই, চেন্নাই, বাংগালুৰুৰ দৰে মহানগৰত এইবাৰৰ নৱবৰ্ষ উদ্‌যাপনত নিষেধাজ্ঞা বাহাল থাকিব। ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ এইসমূহ মহানগৰত নৱবৰ্ষ উদ্‌যাপনৰ ক্ষেত্ৰত কঠোৰ বিধি নিষেধ আৰোপৰ সিদ্ধান্ত ল'লে স্থানীয় প্ৰশাসনে। দিল্লীত ইতিমধ্যে তলাবন্ধসদৃশ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। মঙলবাৰে দেশৰ ৰাষ্ট্ৰীয় ৰাজধানীত হালধীয়া সতৰ্কতা জাৰি কৰা হৈছিল। ৰাজধানী চহৰখনত নৱবৰ্ষৰ ৰাজহুৱা পালন বন্ধ ৰখাই নহয়, ইতিমধ্যে দিল্লীত শিক্ষানুষ্ঠান, চিত্ৰগৃহও বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। মুম্বাইত কোনো ধৰণৰ ৰাজহুৱা নৱবৰ্ষ অনুষ্ঠান আয়োজন কৰিব নোৱাৰিব। একেদৰে বাংগালুৰুতো নিশা ১০ বজাৰ পৰা পুৱা পাঁচ বজালৈকে অহা সাত জানুৱাৰীলৈ নৈশ সান্ধ্যআইন বাহাল থাকিব। চেন্নাইৰো প্ৰায়বোৰ অঞ্চলত ৰাজহুৱা সমাবেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।



## পঞ্জাৱত মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঘোষণাৰ দাবী জনালে সিদ্ধুৱে

'দৰা অবিহনে বৰযাত্ৰী কেনেকৈ সম্ভৱ?'



**নিউজ ব্যুৰ' চণ্ডীগড়, ২৯ ডিচেম্বৰ ঃ** সংঘাত আঁতৰা নাই পঞ্জাৱ কংগ্ৰেছত। এইবাৰ দলৰ পঞ্জাৱৰ সভাপতি নৱজ্যোৎ সিং সিদ্ধুৱে দাবী উত্থাপন কৰি ক'লে যে বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ নাম ঘোষণা কৰা উচিত। এই দাবী উত্থাপন কৰি পঞ্জাৱ কংগ্ৰেছৰ সভাপতিয়ে কয়, 'দৰা অবিহনে বৰযাত্ৰী কেনেকৈ সম্ভৱ?' সিদ্ধুৱে লগতে কয় যে ২০১৭ৰ নিৰ্বাচনত আম আদমী পাৰ্টি (আপ)-এ পঞ্জাৱত মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাছিল আৰু ইয়াৰ ফলত দলটোৱে লোকচান ভৰিব লগা হৈছিল। সিদ্ধুৰ মতে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ নাম ঘোষণা নকৰাকৈ পঞ্জাৱৰ নিৰ্বাচনত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰিলে এইবাৰ আপৰ দৰে ক্ষতিগ্ৰস্ত হোৱাৰ শংকা আছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ স'তে হোৱা এক সাক্ষাৎকাৰত সিদ্ধুৱে কয়, 'কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ নাম ঘোষণা কৰা উচিত। পঞ্জাৱৰ বাসিন্দাই জানিব বিচাৰিছে যে কোনে তেওঁলোকক নেতৃত্ব বহন কৰিব।' সিদ্ধুৰ এই দাবীয়ে স্বাভাৱিকতে পঞ্জাৱ কংগ্ৰেছৰ অস্বস্তি বৃদ্ধি কৰিলে।

## বিশ্বত ১২ লাখ লোক হ'ল এদিনত কৰ'না আক্ৰান্ত, আমেৰিকাত ৩.১২ লাখ সংক্ৰমিত

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৯ ডিচেম্বৰ ঃ** বিশ্বজুৰি ক'ভিডৰ নতুন প্ৰজাতিৰ ব্যাপক সংক্ৰমণ বৃদ্ধিৰ ফলত কৰ'না আক্ৰান্তৰ সংখ্যাই পুনৰ এক অভিলেখ ৰচনা কৰিলে। বিগত ২৪ ঘণ্টাত বিশ্বত মুঠ ১২.২২ লাখ লোক ক'ভিডত আক্ৰান্ত হ'ল আৰু ৬,৮৯৯ জন লোকৰ মৃত্যু হ'ল। কেৱল আমেৰিকাতে মঙলবাৰে নতুনকৈ চিনাক্ত কৰা



হ'ল ৩.১২ লাখ ক'ভিড ৰোগীক। আনহাতে, কৰ'নাত পুনৰ প্ৰাণ হেৰুৱালে ১,৮১১ জন মাৰ্কিন নাগৰিকে। আমেৰিকাৰ পাছতে ইউৰোপৰ ফ্ৰান্সত সৰ্বাধিক ১,৭৯,৮০৭ জন লোক কৰ'নাত বিগত এদিনত আক্ৰান্ত হোৱাৰ লগতে ২৯০ জন লোকৰ মৃত্যু হ'ল। ইফালে, ব্ৰিটেইনতো ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ ফলত চিকিৎসাধীন ৰোগীৰ সংখ্যাও বাঢ়িছে। লণ্ডনত চিকিৎসালয়ত ভৰ্তি হোৱা ৰোগীৰ সংখ্যা ৫৩ শতাংশ বৃদ্ধি পালে মূলত অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণৰ ফলত। কালি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে ঘোষণা কৰি কৈছিল যে ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দেশখনে নতুন বিধি নিষেধ আৰোপ নকৰে। প্ৰধানমন্ত্ৰীৰ এই ঘোষণাৰ পাছত ব্ৰিটেইনৰ ক'ভিড সংক্ৰমণ পুনৰ বৃদ্ধি পালে।


## চীনৰ ছিয়ান চহৰত ৯৮০জন লোক কৰ'না আক্ৰান্ত ঃ উদ্বিগ্ন বেইজিং

**নিউজ ব্যুৰ', বেইজিং, ২৯ ডিচেম্বৰ ঃ** ২০১৯ৰ ডিচেম্বৰত চীনৰ উহান চহৰত কৰ'নাৰ প্ৰথম সংক্ৰমণ ধৰা পৰিছিল আৰু আজিও বিশ্বই এই মাৰাত্মক ভাইৰাছৰ কবলমুক্ত হ'ব পৰা নাই। এইবাৰ চীনৰে ছিয়ান চহৰত পুনৰ ক'ভিডৰ নতুন সংক্ৰমণ ধৰা পৰিল। বৰ্তমানলৈকে চীনৰ এইখন চহৰত ৯৮০ জন লোকৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। চীনৰ বাবে উদ্বেগজনক কথাটো হৈছে এইসমূহ লোক সম্পূৰ্ণ স্থানীয়ভাৱে কৰ'নাত আক্ৰান্ত হৈছে। ছিয়ান চহৰত ইতিমধ্যে ক'ভিড প্ৰতিৰোধৰ বাবে কঠোৰ তলাবন্ধ ঘোষণা কৰা হৈছে। ক'ভিড বিধি উলংঘন কৰা লোকক প্ৰশাসনে গ্ৰেপ্তাৰো কৰিছে। চীনৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি যোৱা চাৰি ডিচেম্বৰত পাকিস্তানৰ পৰা বিমানৰে ছিয়ানলৈ অহা ছজন লোকৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল আৰু ইয়াৰ পাছৰে পৰা অঞ্চলটোত স্থানীয়ভাৱে কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পাবলৈ ধৰে। যোৱা মঙলবাৰে চীনত ২০৯ জন ক'ভিড ৰোগীক



চিনাক্ত কৰা হৈছিল। আজি দুপৰীয়ালৈকে ছিয়ানত ৯৮০ ক'ভিড ৰোগীক ধৰা পেলোৱা হয়। ক'ভিড প্ৰতিৰোধৰ বাবে যোৱা ২৩ ডিচেম্বৰত ছিয়ানত তলাবন্ধ ঘোষণা কৰা হৈছিল। চীনৰ চৰকাৰী সংবাদপত্ৰ 'পিপলছ ডেইলী'ৰ বাতৰি অনুসৰি ছিয়ানৰ ক'ভিড পৰিস্থিতি উদ্বেগজনক হোৱাত চীনে সেনাকো নিয়োগ কৰিছে। অঞ্চলটোত সম্প্ৰতি ক'ভিডৰ ব্যাপক পৰীক্ষণ আৰু টিকাকৰণত প্ৰশাসনে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

## জানুৱাৰীত বৈঠকত মিলিত হ'ব পুটিন-বাইডেন



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৯ ডিচেম্বৰ ঃ** ইউৰোপৰ নিৰাপত্তা সংক্ৰান্ত বিষয় আৰু ইউক্ৰেইন প্ৰসংগক লৈ অহা জানুৱাৰীত বৈঠকত মিলিত হ'ব দুই যুযুধান পক্ষ আমেৰিকা আৰু ৰাছিয়া। পৰমাণু শক্তি নিয়ন্ত্ৰণৰ বিষয়তো উভয় ৰাষ্ট্ৰৰ মাজত বিশদ আলোচনা অনুষ্ঠিত হ'ব বুলি আজি হোৱাইট হাউছৰ এক সূত্ৰই মাৰ্কিন সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ এজন মুখপাত্ৰই জনোৱা অনুসৰি অহা ১০ জানুৱাৰীত আমেৰিকা-ৰাছিয়াৰ প্ৰস্তাৱিত দ্বিপাক্ষিক বৈঠকখন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই বৈঠকত অংশ ল'ব মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। স্মৰ্তব্য যে যোৱা জুনত জেনেভাত অন্তিমবাৰৰ বাবে মুখামুখি হৈছিল বাইডেন আৰু পুটিনে।

## তালিবানৰ পথৰে পাকিস্তান, কলেজীয়া ছাত্ৰক টি ছাৰ্ট-জিন্‌ছ পৰিধানত নিষেধাজ্ঞা

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৯ ডিচেম্বৰ ঃ** পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ এখন বিশ্ববিদ্যালয়ে শিক্ষাৰ্থীৰ বাবে পোছাক বিধি প্ৰৱৰ্তন কৰিলে। পাকিস্তানৰ কেন্দ্ৰীয় শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত অলপতে এক নিৰ্দেশনা জাৰি কৰিছিল আৰু ইয়াৰ পাছতে ইউনিভাৰ্চিটী অৱ এগ্ৰিকালচাৰ ফৈচলাবাদে শিক্ষাৰ্থীৰ বাবে জাননী জাৰি কৰি কয় যে শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ৰ চৌহদত চুটি পোছাক, টি ছাৰ্ট, জিন্‌ছ, কেজুৱেল ট্ৰাউজাৰ, প্ৰিণ্টেড টি ছাৰ্ট পৰিধান কৰিব নোৱাৰিব। বিশ্ববিদ্যালয়খনে ছাত্ৰীৰ ক্ষেত্ৰতো টি ছাৰ্ট-জিন্‌ছ, শ্লিভলেছ পোছাক, শৰীৰত লিপিট খোৱা পোছাক পৰিধানত নিষেধাজ্ঞা আৰোপ কৰিছে। বিশ্ববিদ্যালয়খনৰ এই নিষেধাজ্ঞাৰ পাছত পাকিস্তানেও তালিবানৰ পথৰে অগ্ৰসৰ হ'ল বুলি অভিযোগ উত্থাপিত হৈছে।



## উত্তৰ প্ৰদেশত ছাত্ৰী-মহিলাৰ বাবে তিনি প্ৰতিশ্ৰুতি দিলে প্ৰিয়ংকাই

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৯ ডিচেম্বৰ ঃ** ৪০৩ বিধানসভা সমষ্টিৰ উত্তৰ প্ৰদেশৰ নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহ তৎপৰ হৈ উঠিছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰায়ো উত্তৰ প্ৰদেশৰ আসন্ন নিৰ্বাচনক লৈ ৰাজ্যবাসীক



কংগ্ৰেছৰ প্ৰতি আকৃষ্ট কৰিবলৈ একাধিক প্ৰতিশ্ৰুতি আগবঢ়ালে। কংগ্ৰেছৰ সাধাৰণ সম্পাদকগৰাকীয়ে কয় যে উত্তৰ প্ৰদেশত পৰৱৰ্তী চৰকাৰ কংগ্ৰেছে গঠন কৰিবলৈ সফল হ'লে ৰাজ্যখনৰ মহিলাসকলৰ উন্নয়নত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব। প্ৰিয়ংকাই মহিলাসকললৈ তিনিটাকৈ প্ৰতিশ্ৰুতি আগবঢ়ালে। প্ৰথম প্ৰতিশ্ৰুতি অনুসৰি, ৰাজ্যখনত কংগ্ৰেছে প্ৰতি বছৰে মহিলাক তিনিটাকৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিনামূল্যে যোগান ধৰিব। প্ৰিয়ংকাই দিয়া দ্বিতীয়টো প্ৰতিশ্ৰুতি হৈছে মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীসকলক আয় অনুসৰি ছাত্ৰবৃত্তি প্ৰদান কৰা হ'ব। আনহাতে, তৃতীয় প্ৰতিশ্ৰুতি আগবঢ়াই কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কয় যে দলে চৰকাৰ গঠন কৰিলে দ্বাদশ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীসকলক স্মাৰ্টফোন বিনামূল্যে যোগান ধৰা হ'ব।

## হঠাৎ ভাৰতক প্ৰশংসা ইমৰানৰ, কিন্তু কিয়?



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৯ ডিচেম্বৰ ঃ** সকলোকে হতবাক কৰি হঠাতে ভাৰতক প্ৰশংসা কৰিলে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে। কিন্তু কিয় ভাৰতক প্ৰশংসা কৰিলে পাক প্ৰধানমন্ত্ৰীয়ে। দৰাচলতে যোৱা ২৩ ডিচেম্বৰত লাহোৰত অনুষ্ঠিত টেকন'পলিচ নামৰ এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত ইমৰানে প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ আধিপত্যৰ প্ৰসংগ উত্থাপন কৰি প্ৰশংসা কৰিছিল। পাক প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰি কৈছিল, 'প্ৰযুক্তিৰ ক্ষেত্ৰত পাকিস্তানতকৈ বহুদূৰ আগুৱাই আছে ভাৰত। আগন্তুক ১৫-২০ বছৰৰ ভিতৰত প্ৰযুক্তি ক্ষেত্ৰত ভাৰতৰ ৰপ্তানি ১৫০ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাব। সেই সময়ত পাকিস্তানৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ৰপ্তানিৰ পৰিমাণ মাত্ৰ দুই বিলিয়ন ডলাৰ হ'ব পাৰে।'

## তুষাৰপাতৰ অভিলেখ দাৰ্জিলিঙত, বৰফৰ চাদৰে ঢাকিলে টাইগাৰ হিল-ঘুম

**নিউজ ব্যুৰ', দাৰ্জিলিং, ২৯ ডিচেম্বৰ ঃ** প্ৰৱল তুষাৰপাতে পূৰ্বৰ অভিলেখ ভংগ কৰিলে দাৰ্জিলিঙৰ বিস্তীৰ্ণ অঞ্চলত। বুধবাৰে পুৱা ঘুম, ছান্দাকফু, ফালুট, টাইগাৰ হিল, জোড়বাংলো, সুখীয়া পোখাৰি, আলুবাড়িৰ দৰে অঞ্চলত প্ৰৱল তুষাৰপাত হয়। নিৰন্তৰ তুষাৰপাতৰ ফলত বৰফৰ চাদৰত ঢাক খাইছিল বিস্তীৰ্ণ অঞ্চল। ইফালে, ছিকিমতো বিগত কে'বাদিন ধৰি প্ৰৱল তুষাৰপাত অব্যাহত আছে। বুধবাৰে পুৱাও অঞ্চলটোত প্ৰৱল তুষাৰপাত হয়। টাইগাৰ হিলতো এইবাৰ যথেষ্ট তুষাৰপাত হৈছে। দাৰ্জিলিং চহৰত বুধবাৰে পুৱা পাৰাস্তম্ভ সাত ডিগ্ৰী ছেলচিয়াছলৈকে অৱনমিত হৈছিল। টাইগাৰ হিলত শীতকালত প্ৰতি বছৰে তুষাৰপাত হৈ আহিছে যদিও আজি পুৱা অঞ্চলটোত সৰ্বাধিক তুষাৰপাত হৈছিল। পৰ্যটকসকলে প্ৰকাশ কৰা অনুসৰি পূৰ্বেও টাইগাৰ হিলত তুষাৰপাত প্ৰত্যক্ষ কৰিছিল যদিও এইবাৰৰ দৰে অঞ্চলটোত প্ৰৱল তুষাৰপাত পূৰ্বে হোৱা নাছিল।



■ তদন্তৰ দাবী আৰটিআই কৰ্মী সন্থাৰ ■ কমিছনৰ বাবে অভিজ্ঞতাসম্পন্ন ঠিকাদাৰক বঞ্চিত

# বঙাইগাঁও জিলাত কমিচনৰাজৰ বাবে অশ্বডিম্বত পৰিণত জলজীৱন মিছন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৯ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এখন সৰ্ব জনপ্ৰিয় কল্যাণকামী আঁচনি জলজীৱন মিছন একাংশ বিষয়াৰ কমিচনৰাজৰ বাবে অশ্বডিম্বত পৰিণত হোৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি অভিযোগ কৰিছে বঙাইগাঁও জিলা আৰটিআই কৰ্মী সন্থাই। সন্থাৰ সম্পাদক নজৰুল ইছলামে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে সৰ্বভাৰতীয় পৰ্যায়ত খোৱাপানীৰ সমস্যা দূৰ কৰাৰ বাবে 'হৰ ঘৰ জল' লক্ষ্যৰে আঁচনিখন প্ৰৱৰ্তন কৰি আন ৰাজ্যৰ লগতে অসমলৈয়ো হেজাৰ হেজাৰ কোটি টকা আগবঢ়ায়। কেন্দ্ৰীয় চৰকাৰৰ বিয়াগোম আঁচনিখনৰ অধীনত বঙাইগাঁও জিলাতো বহু পানী যোগান আঁচনি ৰূপায়ণৰ দিশত অগ্ৰসৰ হয়। উল্লেখ্য যে, জলজীৱন মিছনৰ অধীনত গাঁৱে-গাৱে ঘৰে-ঘৰে পানী যোগানৰ বাবে পি ডব্লিউ এছ এছ আঁচনিৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ে প্ৰাককলন প্ৰস্তুত কৰি নিবিদা আহ্বানৰ ব্যৱস্থা কৰিছে। প্ৰাপ্ত তথ্য মতে, এককোটি টকাতকৈ তলৰ আঁচনিসমূহৰ নিবিদা পৰীক্ষা কৰি ঠিকাদাৰক আৱণ্টৰ দিয়াৰ ক্ষেত্ৰত কাৰ্যবাহী অভিযন্তাই সৰ্ব্বোচ্চ ভূমিকা গ্ৰহণ কৰিব পাৰে। তাৰ পাছত এনে আঁচনিসমূহৰ জিলা উপায়ুক্ত আৰু বিভাগীয় মন্ত্ৰীয়ে অনুমোদন জনায়। নিয়ম মতে, পূৰ্বৰ অভিজ্ঞতাসম্পন্ন ঠিকাদাৰক অগ্ৰাধিকাৰ ভিত্তিত নতুন আঁচনি আৱণ্টন দিব লাগে যদিও বঙাইগাঁও জিলাত ইয়াৰ ওলোটা ছবি প্ৰত্যক্ষ কৰা বুলি অভিযোগ কৰে। অভিযোগ মতে, কাৰ্যবাহী অভিযন্তা শান্তনু সূত্ৰধৰৰ কমিচনৰাজৰ বাবে যোগ্য ঠিকাদাৰ বঞ্চিত হৈছে। বিবৃতিত আকৌ অভিযোগ কৰা মতে, বিভাগীয় মন্ত্ৰীৰ ঘনিষ্ঠতাৰ সূত্ৰে কাৰ্যবাহী অভিযন্তা সূত্ৰধৰে বঙাইগাঁও জিলাত উক্ত বিভাগত উঠিৰজা-বহিৰজা হোৱা বুলিও অভিযোগ উঠিছে। তদুপৰি পাঁচ শতাংশ কমিচনৰ ভিত্তিত জিলাখনত জলজীৱন মিছনত লুণ্ঠন সংঘটিত হোৱাৰ লগতে বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰসমূহত আৰ ডব্লিউ এছ আঁচনিৰ অধীনত ব্যাপক কমিচনৰাজ সংঘটিত হোৱা বুলিও দাবী কৰে সম্পাদক ইছলামে। উল্লেখ্য যে বিগত ক'ভিড কালৰ সময়ত ক'ভিড কেয়াৰ কেন্দ্ৰসমূহত সাত শতাধিক শৌচালয় আদি নিৰ্মাণ কৰা হৈছিল যদিও নিৰ্মাণত ব্যৱহাৰ হোৱা সা-সৰঞ্জামসমূহ জিলা কাৰ্যালয়ত মজুত থকা সা-সৰঞ্জামে ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰাৰ লগতে উক্ত সা-সৰঞ্জামসমূহ বিভাগক আঁভুৱাভাঁৰি বৰপেটাৰ এক নিৰ্দিষ্ট ব্যৱসায় প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰা দেখুওৱাইছে যদিও ক্ৰয়ৰ ভাউচাৰসমূহ সন্দেহজনক বুলি মন্তব্য কৰে সম্পাদক ইছলামে। এই সন্দৰ্ভত বিভাগটোত চলা কমিচনৰাজৰ বিৰুদ্ধে এক নিৰপেক্ষ তদন্তৰ দাবী কৰিছে জিলা আৰ টি আই কৰ্মী সন্থাৰ সম্পাদকজনে।




*ডিব্ৰুগড়ত ছাত্ৰকৰ্মীক আক্ৰমণৰ প্ৰতিবাদত নলবাৰীত আছুৰ বিক্ষোভ, বুধবাৰে।*

# ২৪,৩০০ মহিলাক মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই

■ বঙাইগাঁৱত মন্ত্ৰী নেওগৰ আৰ্থিক সাহায্য বিতৰণ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৯ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে আজি বঙাইগাঁও চহৰৰ গান্ধী ময়দানত আয়োজিত চেক বিতৰণ অনুষ্ঠানত জিলাখনৰ ২৪,৩০০ মহিলা হিতাধিকাৰীক মাইক্ৰ'ফাইনেন্স ঋণ ৰেহাই আঁচনিৰ অধীনত মুঠ ৪৯,৩৯,০০৫০০ টকা চেকযোগে প্ৰদান কৰাৰ কথা সদৰী কৰে। অনুষ্ঠানত ১৬ গৰাকী মহিলা হিতাধিকাৰীক ২৫ হেজাৰ টকাৰ এখনকৈ চেক প্ৰদান কৰে। বাকীবোৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে এই আৰ্থিক সাহায্য প্ৰদান কৰিব জিলা প্ৰশাসনে। মন্ত্ৰী নেওগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ আগত ৰাজহুৱা সভাত মহিলাসকলক ঋণ মুক্ত কৰাৰ বাবে প্ৰতিশ্ৰুতি প্ৰদান কৰি ৰাইজৰ সহযোগিতা বিচৰাৰ পাছতে চৰকাৰ গঠনৰ পাছত কেবিনেট বৈঠকত ঋণগ্ৰস্ত মহিলাসকলক ঋণযুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। দেশৰ স্বাধীনতাৰ পাছত মহিলাৰ বাবে লোৱা এইখন বৃহৎ আঁচনি বুলিও তেওঁ ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়ে মহিলাৰ বাবে লোৱা এই আঁচনিৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী, খাদ্য আৰু যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও অনুষ্ঠানত বক্তব্য ৰাখে। অনুষ্ঠানত জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়া আৰু বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী সন্মানীয় অতিথিৰূপে উপস্থিত থাকে।

# শিৱসাগৰত বন বিভাগৰ অবৈধভাৱে মাটি কঢ়িওৱা ট্ৰাক-ড্ৰাম্পাৰ জব্দ

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২৯ ডিচেম্বৰ ঃ** অবৈধভাৱে মাটি কঢ়িওৱা বাহনৰ বিৰুদ্ধে শিৱসাগৰ বন বিভাগৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। কালি শিৱসাগৰ বনাঞ্চলিক বিষয়া বাবুল কুমাৰ বৰুৱাৰ নেতৃত্বত যোৱা এটা বন বিভাগৰ দলে শিৱসাগৰ নগৰৰ লগতে বিভিন্ন অঞ্চলত অভিযান চলাই পাঁচখনকৈ অবৈধভাৱে মাটি কঢ়িওৱা ট্ৰাক আৰু ড্ৰাম্পাৰ জব্দ কৰে। বন বিষয়াজনৰ নেতৃত্বত চলা এই অভিযান কালত হাঁহচৰা সিংহদ্বাৰৰ পৰা এ এছ -০৩ বিচি-২০৫০ নম্বৰৰ এখন মিনি ড্ৰাম্পাৰ বানমুখৰ পৰা এ এছ-০৩ বিচি-৬৩৩৫ নম্বৰৰ এখন মিনি ড্ৰাম্পাৰ, দয়া চাৰিআলিৰ পৰা এ এছ-০৪ বিটি ৫১৪০ নম্বৰৰ এখন মিনি ড্ৰাম্পাৰ, ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এ এছ ০-৪ ই-০৩৭১ নম্বৰৰ এখন মিনি ৪০৭ ট্ৰাক এখন, কোঁৱৰপুৰৰ পৰা এ এছ -০১ই -০৩৭১ নম্বৰৰ এখন ট্ৰাক জব্দ কৰে। উল্লেখ্য যে কোঁৱৰপুৰ আৰু মঠাদাঙৰ শেনচোৱা টোপৰ পৰা শিৱসাগৰ জিলা পৰিবহণ বিভাগৰ ছত্ৰছায়াত বিগত ২০ দিন ধৰি কোনো ধৰণৰ ৰাজহ নিদিয়াকৈ ৪০ খনতকৈ অধিক ৪০৭ ট্ৰাকে মাটি কঢ়িয়াই থকাৰ অভিযোগ উত্থাপিত হৈছে। ঠিক তেনেদৰে পানবেচা বানমুখ আৰু পলাশনিত চৰকাৰী গ্ৰেজিং মাটিত অধিক মাফিয়া চক্ৰই অবৈধভাৱে এক্সকেভেটৰেৰে মাটি কাটি মিনি ড্ৰাম্পাৰৰ জৰিয়তে শিৱসাগৰ নগৰৰ লগেত ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলবোৰত যোগান ধৰি আহিছে।

# বিশিষ্ট চিকিৎসক-কবি-ভাস্কৰ্য শিল্পী হীৰেন শইকীয়াৰ মৃত্যুত শোক

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৯ ডিচেম্বৰ ঃ** নগৰৰ জেইল ৰোডৰ বৰদলৈ পথ নিবাসী বিশিষ্ট চকু চিকিৎসক, কবি তথা ভাস্কৰ্য শিল্পী ডাঃ হীৰেন শইকীয়া (৬৫)ৰ ক'ভিড-উত্তৰ জটিলতাত ভুগি কালি গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে ১০ দিন পূৰ্বে ডাঃ শইকীয়া ক'ভিডত আক্ৰান্ত হৈ সুস্থ হৈ উঠে যদিও ক'ভিড-উত্তৰ জটিলতাত ভুগি ক্ৰমে দুৰ্বল হৈ পৰে। এনে অৱস্থাত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰাই যদিও আৰোগ্য নোহোৱাত তেওঁক গুৱাহাটীৰ নেমকেয়াৰ নাৰ্ছিংহোমত ভৰ্তি কৰায়; কিন্তু সুস্থ হৈ নুঠিল আৰু আজি পুৱা পাঁচ বজাত চিকিৎসাধীন অৱস্থাতে বিশিষ্ট চিকিৎসকজনে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী কাকজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈ আৰু এজন পুত্ৰক ইহ সংসাৰত এৰি গৈছে। ১৯৭৩ত যোৰহাট চৰকাৰী বালক উঃমাঃ বিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰি কটন কলেজৰ পৰা প্ৰাক স্নাতক আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা এমবিবিএছ আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা চকু ৰোগ বিভাগৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে যদিও কোনো দিন চৰকাৰী চাকৰি নকৰিলে। বৰঞ্চ প্ৰাইভেট প্ৰেক্টিচ কৰাৰ লগতে সামাজিক কাম-কাজত নিজকে জড়িত কৰি ৰাখে। তদুপৰি, তেওঁ এজন সুদক্ষ ভাস্কৰ্য শিল্পী আৰু কবি আছিল। তেওঁৰ প্ৰকাশিত দুখন কবিতা পুথি হ'ল 'জীৱন যদি এটা নিশা হয়' আৰু 'আকৌ লোৱা হেংদাং'। ইয়াৰে জীৱন যদি এটা নিশা হয় নামৰ কবিতা পুথিখন বাংলা ভাষালৈ অনূদিত হৈছে। ইপিনে, তেওঁ শিল্পৰাজি গুৱাহাটীৰ কলাক্ষেত্ৰ, গুৱাহাটীৰ আৰ্টিষ্ট গীল্ডত প্ৰদৰ্শিত হৈছে। বিভিন্ন সামাজিক ক্ষেত্ৰৰ লগত জড়িত এইজন বিশিষ্ট চিকিৎসক তথা সমাজ কৰ্মীৰ মৃত্যুত যোৰহাটত শোকৰ ছাঁ পৰিছে।

# অসমীয়া শিখ সমাজৰ বটবৃক্ষ প্ৰিতম সিঙৰ ৰাজহুৱা স্মৃতিচাৰণ সভা

**বিশেষ সংবদদাতা**

**নগাঁও, ২৯ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ সদৰ সমষ্টিৰ অন্তৰ্গত বৰকলা গাঁৱৰ সুসন্তান, বিশিষ্ট শিক্ষাদি, নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সমাজ সংগঠক, অসমীয়া শিখ সমাজৰ বটবৃক্ষ, অসম সাহিত্য সভাৰ আজীৱন সভ্য প্ৰিতম শিঙৰ ৰাজহুৱা স্মৃতিচাৰণ সভা কালি নগাঁৱৰ গুৰুদ্বাৰত অনুষ্ঠিত হয়। নগাঁও গুৰুদ্বাৰৰ সম্পাদক হৰভজন সিঙে আঁত ধৰা প্ৰয়াত প্ৰিতম সিঙৰ স্মৃতিচাৰণ সভাত আদ্যশ্ৰাদ্ধ উপলক্ষে বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিঙৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থখন উন্মোচন কৰে নগাঁৱৰ বিশিষ্ট সমাজকৰ্মী দেৱেন্দ্ৰ সিঙে। গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় যে অসমীয়া শিখ সমাজৰ বটবৃক্ষ স্বৰূপ প্ৰয়াত প্ৰিতম সিঙে অসমীয়া শিখ সন্থাৰ সভাপতিৰ পদ অলংকৃত কৰাৰ উপৰি তেওঁ বৰক'লা, দক্ষিণপাট আৰু নগাঁও জিলাৰ বিভিন্ন শৈক্ষিক, সাংস্কৃতিক, সামাজিক, ধৰ্মীয় প্ৰেক্ষাপটত প্ৰত্যক্ষভাৱে জড়িত হৈ সমাজৰ কল্যাণৰ হকে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছিল। তেওঁ আৰু কয় যে, মৃত্যুৰ কোনো নিৰ্দিষ্ট বয়স নাই, মৃত্যুৰ কোনো নিৰ্দিষ্ট সময় নাই। মৃত্যু কাৰ জীৱনত কেতিয়া আহে কোনেও ক'ব নোৱাৰে। স্মৃতিচাৰণ সভাৰ আৰম্ভণিতে প্ৰয়াত প্ৰিতম সিঙৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে শিক্ষাবিদ গুৰুমুখ সিং, সমাজকৰ্মী দেৱেন্দ্ৰ সিং, ত্ৰৈলোক্য সিং, কমল সিঙৰ লগতে সভাত উপস্থিত থকা ব্যক্তিসকলে। উল্লেখ্য যে সম্পূৰ্ণ শিখ ধৰ্মীয় বিভিন্ন ৰীতি-নীতিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ সভাত দৰৱাৰ সিং, ললিত সিং, যজবীৰ সিং, গুৰুবচ্চন সিং, সুৱৰ্ণ, সাংবাদিক দেৱজিৎ হাজৰিকা, দ্বীপেন শইকীয়া, শিক্ষক ভদ্ৰকান্ত ডেকা, চাপৰমুখ মাতাজী গুৰুদ্বাৰ সমিতি, হাতীপাৰা গুৰুদ্বাৰ সমিতি, বৰক'লা কেন্দ্ৰীয় গুৰুদ্বাৰ সমিতি, লংকা পুৰনা গুৰুদ্বাৰ সমিতিৰ লগতে গুৱাহাটী আৰু নলবাৰীৰ পৰা অহা প্ৰয়াত প্ৰিতম সিঙৰ গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰয়াত প্ৰিতম সিঙৰ পুত্ৰ তথা বিশিষ্ট নাট্যকাৰ অৱতাৰ সিঙে স্মৃতিচাৰণ সভাত উপস্থিত থকাসকলক কৃতজ্ঞতা জ্ঞাপনৰ লগতে শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থখন বৰ্ধিত ৰূপত প্ৰকাশৰ বাবে পৰিকল্পনা হাতত লোৱাৰ কথা অৱগত কৰে।

# পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সজাগতা সভা

**ডুমডুমা, ২৯ ডিচেম্বৰ ঃ** পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উদ্যোগত আৰু কপাহতলি প্ৰাথমিক বিদ্যালয়ৰ সহযোগত যোৱা ২৮ ডিচেম্বৰত এখন সজাগতা সভা কপাহতলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। 'স্ত্ৰী শিক্ষাৰ গুৰুত্ব আৰু লিংগ বৈষম্য'ৰ বিষয়ত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে। মূল বিষয়ৰ বক্তব্যত মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা ড° পঞ্চী পাঠকে স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু লিংগ সমতাত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পঞ্চানন হাজৰিকাই লিংগ সংবেদনশীল সমাজ গঢ়াৰ বাবে অভিভাৱক আৰু সমাজৰ দায়িত্ব সম্পৰ্কে বক্তব্য ৰাখে। অনুষ্ঠানত স্থানীয় সমাজকৰ্মী ললিত মৰাণ, সুৰেন নেওগ, গাঁওপ্ৰধান তিলেশ্বৰ মৰাণ, কপাহতলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লোহিত বৰুৱাৰ লগতে শতাধিক অভিভাৱক উপস্থিত থাকে।

# চিন্তামণিগড়ৰ শতায়ু গৰকা মহিলাৰ বিয়োগ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৯ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তৰ্গত চিন্তামণিগড় বৰচোমণি গাঁৱৰ নিৱাসী তথা শতায়ু গৰকা ধৰ্মপ্ৰাণা আইতা আইটি হাজৰিকাৰ কালি পুৱা ৬-৩৫ বজাত ১০৪বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত দেহাৱসান ঘটে। পুৱা সৰবৰহী আইতাগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ চিন্তামণিগড় অঞ্চলত শোকৰ ছাঁ পৰাৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জিতু নেওগ, চিন্তামণিগড় সৃষ্টি প্ৰগতি চ'ৰাৰ সম্পাদক দিগন্ত চাংমাই, চিন্তামণিগঞ্জ কেৰম সন্থাৰ সভাপতি প্ৰদীপ ৰাজখোৱা, চিন্তামণি কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, চিন্তামণিগড় শাখা সাহিত্য সভা, চিন্তামণিগড় মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক গোট, শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থা, চিন্তামণিগড় উপ-আঞ্চলিক ছাত্ৰ সন্থা, চিন্তামণিগড় যুৱ সংঘ, চিন্তামণিগড় ব্যৱসায়ী সন্থা, বৰচোমণি ঔতলগাঁও নামঘৰ পৰিচালনা সমিতি, চিন্তামণিগড় শিৱমন্দিৰ পৰিচালনা সমিতি, খনামুখ প্ৰেছ ক্লাব, কুমাৰভেটি প্ৰাথমিক বিদ্যালয়, ঔতল প্ৰাথমিক বিদ্যালয় আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে শোক প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ সময়ত দুজন পুত্ৰ, পাঁচগৰাকী বিবাহিতা জী, তিনিগৰাকী বোৱাৰী এৰি যায়।

# পূব গোৱালপাৰা যুৱ বিধান পৰিষদৰ নতুন কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ ডিচেম্বৰ ঃ** অগপৰ ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদৰ পূব গোৱালপাৰা যুৱ বিধান পৰিষদৰ এখন নতুন কমিটী গঠন কৰা হৈছে। নতুন কমিটীখনত স্বপন মজুমদাৰক সভাপতি, আজাহাৰ, ছাইফুল হুদা আৰু পল্লৱ প্ৰতিম নাথক সম্পাদক, চম্পক তালুকদাৰ আৰু বিদ্যুৎ ৰয়ক কেন্দ্ৰীয় প্ৰতিনিধি আৰু খনিন্দ্ৰ চন্দ্ৰ মেধাক কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক হিচাপে দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য যে পৌৰসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত অন্যান্য ৰাজনৈতিক দলৰ লগতে অগপই সাংগঠনিক তৎপৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে।

# হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত লিংগ সংবেদনশীল কোষৰ পৰামৰ্শদান কাৰ্যসূচী সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৯ ডিচেম্বৰ ঃ** তীৰ্থনগৰী হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাৰ তত্ত্বাৱধানত আৰু লিংগ সংবেদনশীল কোষৰ উদ্যোগত এলানি পৰামৰ্শদান কাৰ্যসূচী সম্পন্ন হয়। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰথম লানি কাৰ্যসূচী ভূগোল বিজ্ঞান বিভাগৰ সহযোগত বিভাগৰ মুৰব্বী অধ্যাপক ড° জয়ন্ত কুমাৰ দাসৰ সঞ্চালনাত এখন পৰ্যালোচনা সজাগতা সভা অনুষ্ঠিত হয়। সভাত 'মহিলাৰ লগত হোৱা যৌন নিৰ্যাতন' বিষয়টোৰে আলোচনাৰ বিষয়ৰূপে স্থান পাইছিল। সভাত সমল ব্যক্তিৰূপে উপস্থিত থাকে বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা তৃষা ৰাণী দাস। ইয়াৰ লগত সংগতি ৰাখি ভূগোল বিজ্ঞান বিভাগৰ বছৰেকীয়া প্ৰাচীৰ পত্ৰিকা 'জিঅইড' উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই। ইয়াৰ পাছৰ লানি পৰামৰ্শদান কাৰ্যসূচী কলা শাখাৰ সকলো বিভাগৰ লগতে কম্পিউটাৰ বিজ্ঞান বিভাগ B.vocৰ সহযোগত অনুষ্ঠিত হয়। কাৰ্যসূচীৰ বিষয় আছিল 'মানসিক আৰু শাৰীৰিক নিৰ্যাতনৰ বিপক্ষে সাহসী হোৱা' আৰু সমল ব্যক্তি হিচাপে উপস্থিত আছিল শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বিনীতা দাস, বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা তৃষাৰাণী দাস। তৃতীয় আৰু অন্তিম লানি পৰামৰ্শদান কাৰ্যসূচী মহাবিদ্যালয়ৰ বিজ্ঞান শাখা আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হয়। সমল ব্যক্তি ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° নিৰ্মালী কাকতিয়ে 'নিৰ্যাতন লুকোৱা বন্ধ কৰা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। অৱশ্যে সমূহ কাৰ্যসূচীৰ আঁত ধৰে লিংগ সংবেদনশীল কোষৰ আহ্বায়ক অধ্যাপিকা ভাৰতী মেধিয়ে। লগতে শীৰ্ষক কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ছাত্ৰ-ছাত্ৰীবৃন্দই অংশগ্ৰহণ কৰে।

# সামৰণি পৰিল অচ্যুত চুতীয়া সোঁৱৰণী সদৌ অসম ভিত্তিত একাংকিকা নাট প্ৰতিযোগিতা



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৯ ডিচেম্বৰ ঃ** সামৰণি পৰিল তৃতীয় বাৰ্ষিক অচ্যুত চুতীয়া সোঁৱৰণী সদৌ অসম ভিত্তিক একাংকিকা নাট প্ৰতিযোগিতা। ২৫ৰ পৰা ২৭ ডিচেম্বৰলৈ অনুষ্ঠিত নাট প্ৰতিযোগিতাত অসমৰ মুঠ ২৬টাকৈ নাট্য দলে অংশগ্ৰহণ কৰে। মৰাণসকলৰ এগৰাকী সুদক্ষ অভিনেতা, পৰিচালক, অনাতাঁৰ শিল্পী প্ৰয়াত অচ্যুত চুতীয়াৰ সোঁৱৰণত সদৌ মৰাণ ছাত্ৰ সন্থাই তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ৰাজ্যিক একাংকিকা নাট প্ৰতিযোগিতাৰ অন্তিম দিনাৰ নাট প্ৰতিযোগিতা দ্বিতীয় অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক তথা বিশিষ্ট সাহিত্যিক, কবি ড° নন্দ সিং বৰকলাই উদ্বোধন কৰি সাম্প্ৰতিক সময়ত নাটকৰ প্ৰাসংগিকতা সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। কালি নটাকৈ নাট্য দলে নাট প্ৰদৰ্শন কৰে। নাট উদ্বোধনী আৰু সামৰণি অনুষ্ঠানত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মুনিন দুৱৰাই আঁতধৰা অনুষ্ঠানত সভাপতি কৰে সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দিলীপ মৰাণে, সভাত সন্থাৰ সভাপতি নৱ মৰাণ, প্ৰাক্তন সভাপতি অৰুণজ্যোতি মৰাণ, উৱন সত্ৰৰ ডেকা অধিকাৰ বীৰেন মহন্ত, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক সুৰজিত মৰাণ, মন্টু চেতিয়া, পল্লৱ শৰ্মা, ৰাজীৱ লোচন বৰা, জেপি দাস, নাট উদ্‌যাপন সমিতিৰ সভাপতি শ্যাম সুন্দৰ খাউণ্ড, সম্পাদক ডাইমণ্ড পাটোৱাৰী, প্ৰতিযোগিতাৰ বিচাৰক মঙলদৈৰ বিপুল চলিহা, দুলীয়াজানৰ যদুমনি দত্ত, যোৰহাটৰ দীপক নাথৰ লগতে বহু কেইগৰাকী সাংস্কৃতিক কৰ্মী উপস্থিত আছিল। প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠ দলক ৩০ হেজাৰ, দ্বিতীয় দলক ২৫ হেজাৰ, তৃতীয় দলক ২০ হেজাৰ টকাৰ লগতে ব্যক্তিগত শিতানৰ ৩৫ হেজাৰ টকা পুৰস্কাৰ সহ স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হয়। নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট্য দলৰ সন্মান লাভ কৰিছে নগাঁৱৰ বাখৰুৱা নৈ ৰ'দৰ ঘাটে, দ্বিতীয় শ্ৰেষ্ঠ দল মঙলদৈৰ দেউতা আৰু নগাঁও ব্ৰেইনলেছ হেডে আৰু তৃতীয় শ্ৰেষ্ঠ দলৰূপে বোকাখাতৰ বনচাই।

# হেলমেট পৰিধান নকৰি জৰিমনা ভৰিব লগা হ'ল আৰক্ষী

■ আৰক্ষীৰ হাততে আৰক্ষীয়ে ভৰিলে জৰিমনা



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৯ ডিচেম্বৰ ঃ** নলবাৰীত কঠোৰ হৈছে পৰিবহণ বিভাগ, আবকাৰী আৰু আৰক্ষী প্ৰশাসন, দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে হাতত লোৱা পদক্ষেপক লৈ তৎপৰ হৈছে প্ৰশাসন। হেলমেট পৰিধান নকৰা আৰু সুৰাপান কৰি বাহন চলোৱাসকলক বিহা হৈছে জৰিমনা তাৰ মাজতে কালি সন্ধিয়া প্ৰায় ৭-৩০ বজাত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাজিয়াবাৰীত নলবাৰী পৰিবহণ বিভাগৰ এক অভিযানত ধৰা পৰিল হেলমেট নিপিন্ধা আৰক্ষী। লগতে আৰক্ষীজন অৱশেষত জৰিমনা ভৰিব লগা ঘটনা সংঘটিত হয়।

■ তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

# ক'ভিডৰ সময়ত এদিনৰ দৰমহা দান দিয়া মানৱীয় কাৰ্য

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৯ ডিচেম্বৰ ঃ** তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশনখন দিনজোৱা কাৰ্যসূচীৰে কালি তামুলপুৰ মহকুমাৰ অন্তৰ্গত কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ ভাৰপ্ৰাপ্ত সভাপতি চিনাকান্ত বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ আগবঢ়ায় কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বায়নে। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্তই ভাষণ প্ৰসংগত কয় যে কৰ্মচাৰী পৰিষদে প্ৰয়াত মৃণাল দাসৰ দৰে এগৰাকী দক্ষতা সম্পন্ন ব্যক্তিক তামুলপুৰৰ পৰা লাভ কৰিছিলো। কৰ্মচাৰী পৰিষদৰ ৰণকৌশল নিৰ্ণায়ক আছিল মৃণাল দাস। ব্যক্তি নোহোৱাকৈ সমাজ সৃষ্টি নহয় আৰু সমাজ নহ'লেও ব্যক্তি থাকিব নোৱাৰে বুলি দত্তই কয়, অসম মানে এখন মানচিত্ৰ নহয়। অসমত তিনি কোটি বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক বসবাস কৰে। মানুহৰ অভাৱ অসীম। এটা অভাৱ পূৰণ হ'লে আন এটা অভাৱে দেখা দিয়ে। এতিয়া ৰাজ্যিক কৰ্মচাৰীসকলে মাহৰ এক তাৰিখে দৰমহা লাভ কৰে। ৰাজ্যিক কৰ্মচাৰীসকলে স্বাস্থ্য সেৱা আঁচনিৰ সুবিধা লাভ কৰিব। অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বন্ধ হৈ থকা স্বাস্থ্য সেৱা আঁচনিখন কাৰ্যকৰি হ'বলৈ গৈ আছে। মাষ্টাৰ ৰোল কৰ্মচাৰীখিনিক ইনক্ৰিমেণ্ট আৰু হাউচ ৰেণ্ট দিব লাগে বুলি কৰ্মচাৰী পৰিষদে মুখ্যমন্ত্ৰীক কোৱাত সেইটো কাৰ্যকৰী কৰাৰ দিশত আগবাঢ়িছে। শিক্ষকৰ আৰ্জিত ছুটী ৩০ দিনলৈ বৃদ্ধি কৰিব লাগে বুলি দাবী জনোৱাত কৰ্মচাৰী পৰিষদক সন্মান জনাই চৰকাৰে শিক্ষকৰ আৰ্জিত ছুটী ২৪ দিনলৈ বৃদ্ধি কৰিছে। ২০১৩ত চৰকাৰীকৰণ হোৱা পদসমূহ এনপিএছ আঁচনিলৈ নিয়া হৈছে।




শিক্ষা অবিহনে এটা জাতিৰ উত্তৰণ হ'ব নোৱাৰে অসমত ৰাইজে শিক্ষানুষ্ঠান স্থাপন কৰে; কিন্তু বিহাৰ, উত্তৰপ্ৰদেশ আদি কিছুমান প্ৰদেশত চৰকাৰে বিদ্যালয় স্থাপন কৰে। নতুন পেঞ্চন নীতি বাতিল কৰি পুৰনা পেঞ্চন নীতি বাহাল কৰাৰ দাবীত এনপিএছ সন্থাই চলোৱা আন্দোলনত পূৰ্ণ সমৰ্থন জনোৱা বুলি বক্তব্য প্ৰসংগত উল্লেখ কৰে দত্তই। সভাত পৰ্যবেক্ষকৰূপে অংশগ্ৰহণ কৰি কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক তথা কৰ্ণধাৰ সমিতিৰ সদস্য দণ্ডি বড়োই কয় যে পদবীৰ লোভত সংগঠন কৰি লাভ নাই যদি সংগঠনৰ একো কাম নকৰে। সংগঠন কৰিলে কিছু ত্যাগ কৰিবই লাগিব তেতিয়াহে সংগঠন জীয়াই থাকিব। কৰ্মচাৰী পৰিষদৰ সচিব প্ৰধান প্ৰয়াত মৃণাল দাসৰ কৰ্ম দক্ষতা ব্যক্ত কৰি দণ্ডি বড়োই কৰ্মচাৰী পৰিষদৰ নেতৃবৃন্দক সক্ৰিয় হৈ কৰ্মচাৰী পৰিষদৰ ভেটি সুদৃঢ় কৰি তুলিবলৈ আহ্বান জনায়। সভাত পৰ্যবেক্ষকৰূপে অংশগ্ৰহণ কৰি কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পংকজ বৰ্মনে কয় যে ২০০১ৰ পৰা ২০২১লৈ ৰাজ্যিক কৰ্মচাৰীসকলে নিয়মীয়াকৈ মাহিলি দৰমহা লাভ কৰি আছে আৰু এইটো সম্ভৱ হৈ পৰিছে একমাত্ৰ সদৌ অসম কৰ্মচাৰী পৰিষদে অসম চৰকাৰৰ স'তে চলাই থকা আলোচনাৰ ফলশ্ৰুতি। কৰ্মচাৰীসকলে ক'ভিডৰ সময়ত এদিনৰ দৰমহা দান দিয়া এটা মানৱীয় কাৰ্য। সকলো কৰ্মচাৰীয়ে মানৱীয় দৃষ্টি-ভংগীৰে সমাজসেৱাতব্ৰতী হওক সমাজৰ লগতে নিজৰ মংগল সাধন হ'ব। সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতাই শুভেচ্ছামুলক বক্তব্য প্ৰদান কৰাৰ লগতে উপ-সভাপতি দ্বীপেন শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক শ্যামন্ত দাসেও বক্তব্য আগবঢ়ায়। সভাত তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ মোহন কলিতা, বশিষ্ঠ ৰাজবংশী, অনিল বসুমতাৰী, কন্দৰ্প কলিতা আৰু হৰিশ্চন্দ্ৰ কলিতাক ন্যাস প্ৰমাণপত্ৰ প্ৰদান কৰে। আজি অনুষ্ঠিত প্ৰতিনিধি সভাত বশিষ্ঠ ৰাজবংশীক সভাপতি আৰু চন্দ্ৰধৰ তালুকদাৰক সাধাৰণ সম্পাদকৰূপে লৈ তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ ২০২২-২৩ৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। ইয়াৰ আগেয়ে আজি পুৱা পৰিষদৰ পতাকা উত্তোলন কৰে তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ ভাৰপ্ৰাপ্ত সভাপতি চিনাকান্ত বসুমতাৰীয়ে। স্মৃতি তৰ্পণ কৰে পৰিষদৰ উপ-সভাপতি ধনেশ্বৰ দাস আৰু মহচিনুল হকে। আজিৰ সভাত কৰ্মচাৰী পৰিষদৰ মুখপাত্ৰ মনোজ লহকৰ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিৰাজ বৈশ্য, সঞ্জীৱ দাস, ৰাকেশ হুছেইন, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ ৰমেন কলিতা, উদয় বৰ্মন তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি কন্দৰ্প ডেকা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বসন্ত কুমাৰ বৰাৰ লগতে কে'বাজনো তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# মঙলদৈত ব্ৰেথ এনালাইজাৰ পৰীক্ষা সদৰ যানবাহন আৰক্ষীৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৯ ডিচেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মঙলদৈতো কালি ব্ৰেথ এনাইজাৰ ব্যৱহাৰ কৰিলে মঙলদৈ সদৰ যানবাহন আৰক্ষীয়ে। সমাগত ৩১ ডিচেম্বৰত লক্ষ্য কৰি সুৰাপায়ীক তীব্ৰতৰ ৰূপত পৰীক্ষা কৰিব মঙলদৈ সদৰ যানবাহন আৰক্ষীয়ে। সন্ধিয়া মঙলদৈ সদৰ থানাৰ অধীনত যানবাহন আৰক্ষীয়ে মঙলদৈ চহৰৰ সোঁমাজেৰে যোৱা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত পৰীক্ষা কৰি গধুৰ যানবাহন আৰু ব্যক্তিগত যানবাহনৰ চালকৰ মুখত পাইপ ভৰাই পৰীক্ষা কৰে। মদ খাই গাড়ী চলোৱা চালকৰ বিৰুদ্ধে আইনমতে ব্যৱস্থা গ্ৰহণ কৰিছে আৰক্ষীয়ে। অভিযানৰ নেতৃত্ব দিয়ে মঙলদৈ সদৰ যানবাহন আৰক্ষী বিষয়া গকুল ডেকাই।

# মাজুলী মহাবিদ্যালয়ত ছমহীয়া সাংবাদিকতা-পৰ্যটন ডিপ্লমা পাঠ্যক্ৰম আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৯ ডিচেম্বৰ ঃ** মাজুলী মহাবিদ্যালয়ত যোৱা ডিচেম্বৰৰ পৰা ছমহীয়া ডিপ্লমা সাংবাদিকতা আৰু পৰ্যটনৰ ডিপ্লমা পাঠ্যক্ৰমৰ মুকলি কৰা হয়। সেই উপলক্ষে বিয়লি এক বজাৰ পৰা মহাবিদ্যালয়ৰ সভাগৃহত অধ্যাপিকা গীতাৰাণী গোস্বামীৰ সঞ্চালনাত পাঠ্যক্ৰম আৰম্ভণি সভা অনুষ্ঠিত হয়। সাংবাদিক পাঠ্যক্ৰমৰ সংযোজন তথা অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা সভাত দুয়োটা পাঠ্যক্ৰমৰ পাঠ্যসূচী প্ৰকাশ কৰে। সভাত অধ্যাপক দাদু খাটনিয়াৰ, জিলা সাংবাদিক সন্থাৰ সম্পাদক দীপু ৰবি, উপ-সভাপতি জ্যেষ্ঠ সাংবাদিক ডিম্বেশ্বৰ দত্তই অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি প্ৰেৰণামূলক ভাষণ দিয়ে। অনলাইন আৰু অফলাইযোগে পাঠদান অনুষ্ঠিত হ'ব লগা উক্ত পাঠ্যক্ৰমত বৰ্তমানলৈকে ১২গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। সন্ধিয়া সাত বজাৰ পৰা অনলাইনৰ যোগেদি পাঠদান আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিয়াৰ উপৰি ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে এতিয়াও নামভৰ্তি কৰিব পাৰিব বুলি আয়োজক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱিজৎ শইকীয়াই জানিবলৈ দিয়ে।




## ৰ'জভেলীৰ বিৰুদ্ধে অবৈধ ধনৰ লেনদেন

*এক পৃষ্ঠাৰ পৰা* অবস্থাত দুটাকৈ গোচৰ ৰুজু হৈছিল। পৰৱৰ্তী সময়ত এই দুয়োটা গোচৰ চিবিআইলৈ হস্তান্তৰ হৈছিল আৰু এই গোচৰৰ মূল অভিযুক্ত কোম্পানীৰ অধ্যক্ষ গৌতম কুণ্ডু আৰু পৰিচালন সঞ্চালক শিৱময় দত্তক গ্ৰেপ্তাৰ কৰা হৈছিল। সম্প্ৰতি এই গোচৰৰ দীৰ্ঘ শুনানিৰ অন্তত অৱশেষত অভিযুক্তৰ বিৰুদ্ধে আজি ধাৰা আৰোপ কৰে আদালতে। উল্লেখ্য যে সম্প্ৰতি ন্যায়িক জিম্মাত থকা অভিযুক্তদ্বয় ক্ৰমে কুণ্ডু আৰু দত্তই ৰাজ্যত নিবন্ধুৱা সংস্থাপনৰ লক্ষ্যৰে প্ৰথমাৱস্থাত ৰ'জভেলী গ্ৰুপৰ বিভিন্ন কাৰ্যালয় ৰাজ্যৰ বিভিন্ন প্ৰান্তত গঢ়ি তুলি সহজ-সৰল লোকৰ পৰা কোটি কোটি টকা আত্মসাৎ কৰিছিল। অবৈধ আৰু ভুৱা বহু আঁচনি কোম্পানীটোৱে গ্ৰহণ কৰি কোটি কোটি টকা ৰাইজৰ পৰা সংগ্ৰহ তথা বিশেষকৈ 'আশীৰ্বাদ' আৰু 'হলিডে মেম্বাৰশ্বিপ' আঁচনিৰ জৰিয়তে সাধাৰণ জনতাৰ পৰা কোটি কোটি টকা সংগ্ৰহ কৰাৰ তথ্য আদালতত দাঙি ধৰিছে তদন্তকাৰী সংস্থাটোৱে। অসমৰ সমান্তৰালভাৱে কোম্পানীটোৱে পশ্চিমবংগ, ত্ৰিপুৰা, ওড়িছাৰ জনতাৰ পৰাও ধন সংগ্ৰহ কৰিছিল। অসমৰ কৰিমগঞ্জ আৰু ডিব্ৰুগড় জিলাত এই টকাৰে ভূমি কোম্পানীটোৱে ক্ৰয় কৰিছিল বুলি তদন্তত পোহৰলৈ আহিছে।

## বিদেশী ছাত্ৰৰ সংস্পৰ্শলৈ অহা ডিব্ৰুগড়

*এক পৃষ্ঠাৰ পৰা* সংস্পৰ্শলৈ অহা ৪০ গৰাকী শিক্ষাৰ্থীৰ নমুনা সংগ্ৰহ কৰে স্বাস্থ্য বিভাগে। লাহোৱালৰ পৰীক্ষাগাৰত এই নমুনাৰ পৰীক্ষা কৰাত আৰু দুজনৰ দেহত এনে ভাইৰাছ ধৰা পৰে। লাহোৱালৰ আইচিএমআৰ গৱেষণাগাৰত প্ৰাথমিক পৰীক্ষাত এই ৰোগৰ ভাইৰাছৰ উপস্থিতি স্পষ্ট হৈছে যদিও নিশ্চিত হ'বলৈ অধিক তথ্যৰ বাবে যোৰহাটৰ গৱেষণাগাৰলৈ প্ৰেৰণ কৰিছে। অহা ৭২ ঘণ্টাৰ পাছতহে প্ৰকৃত তথ্য জানিব পৰা যাব বুলি ডিব্ৰুগড়ৰ ক'ভিড ন'ডেল বিষয়া ডাঃ নৱজ্যোতি গগৈয়ে সদৰী কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ পৰা অহা এজন ছাত্ৰৰ দেহত প্ৰাথমিক পৰীক্ষাত অ'মিক্ৰন ভাইৰাছৰ উপস্থিতি সন্দেহ কৰা হৈছে যদিও এতিয়াও স্পষ্ট হোৱা নাই। উল্লেখ্য যে এসপ্তাহ পূৰ্বে দক্ষিণ আফ্ৰিকাৰ পৰা আহিছিল উক্ত ছাত্ৰজন। আফ্ৰিকা মহাদেশৰ টাঞ্জানিয়াৰ পৰা অহা এজন মণিপুৰৰ লোকৰ দেহত অ'মিক্ৰন ধৰা পৰাৰ কথা কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে ইতিমধ্যে সদৰী কৰিছে। সন্দেহযুক্ত অ'মিক্ৰনত আক্ৰান্ত ছাত্ৰজনৰ লাহোৱালৰ আঞ্চলিক চিকিৎসা গৱেষণা কেন্দ্ৰৰ পৰীক্ষাগাৰত পজিটিভ ধৰা পৰাত যোৰহাটলৈ অধিক তথ্যৰ বাবে ইতিমধ্যে নমুনা পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। বৰ্তমানে ছাত্ৰজনক ডিব্ৰুগড় জকাই ক'ভিড হাস্পতালৰ আইছ'লেছনত ৰখা হৈছে। উল্লেখ্য যে উক্ত ছাত্ৰজন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ফাৰ্মাচিউটিকেল ছায়েন্সত অধ্যয়নৰত। এই সম্পৰ্কত ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ ক'ভিড ন'ডেল বিষয়া ডাঃ নৱজ্যোতি গগৈয়ে কয়, 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰ পূব আফ্ৰিকাৰ পৰা আহিছিল আৰু সংগ্ৰহ কৰা নমুনাত সংক্ৰমণ পোৱা গৈছিল। যেতিয়া লাহোৱালৰ আইচিএমআৰত নমুনাৰ চিকুৱেঞ্চিং কৰা হয়, তেতিয়া কিছু সন্দেহ হয় আৰু ছাত্ৰজনৰ চিটি ভেল্যু ৩২ আছিল। সেয়ে কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কন্টেক্ট ট্ৰেচিং কৰাত ৰাজ্যৰ বাহিৰৰ এজনৰ ৰেট পজিটিভ পোৱা হয়। কিন্তু সেইজনৰ কোনো ভ্ৰমণ ইতিহাস নাছিল। পাছত সংগ্ৰহ কৰা সকলো নমুনা চিকুৱেঞ্চিং কৰি থকা হৈছে। কিছু সন্দেহ হোৱাৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰা হয় আৰু চাৰিদিনৰ ভিতৰতে ফলাফল পাম।'

## মৰিগাঁও জিলাৰ খহনীয়াগ্ৰস্ত একাধিক

*এক পৃষ্ঠাৰ পৰা* পৰৱৰ্তী সময়ত জিলাখনৰ উত্তৰ-পশ্চিমাঞ্চলৰ তিনিটাকৈ ৰাজহ চক্ৰ অঞ্চললৈ সম্প্ৰসাৰিত হয়। উল্লেখ্য যে বিগত ছয় দশকত জিলাখনৰ ১২০খনতকৈ অধিক ৰাজহ গাঁও খহনীয়াত জাহ গৈছে। যোৱা পাঁচ দশকত খহনীয়া প্ৰতিৰোধ আৰু মথাউৰিৰ নামত জলসম্পদ বিভাগে কোটি কোটি টকা শ্ৰাধ কৰিলে যদিও ৰাইজে ইয়াৰ পৰা পৰিত্ৰাণৰ পৰিৱৰ্তে একাংশ ঠিকাদাৰহে জেপ গধুৰ হ'ল। আনকি লাহৰিঘাট সমষ্টিৰ পৰা নিৰ্বাচিত দুই স্থানীয় বিধায়ক ডাঃ নজৰুল ইছলাম আৰু প্ৰয়াত আব্দুল জলিলো খহনীয়াগ্ৰস্ত পৰিয়ালৰ সদস্য। বিগত সময়ছোৱাত মথাউৰি পৰিকল্পনাবিহীনভাৱে নিৰ্মাণ কৰিয়ে বছৰি লুণ্ঠন চলাই থকাৰ মাজতে জিলাবাসীলৈ এইবাৰ এক আশাৰ বতৰা কঢ়িয়াই আনিছে জলসম্পদ বিভাগে। বাৰিষা নদীত পাৰ্কুপাইন, বাঁহৰ জেং পেলোৱাৰ বিপৰীতে ৰাইজৰ দাবী মানি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ নিৰ্দেশ অনুসৰি কাঠনি অঞ্চলত খৰালিতে চাৰি কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পাৰ্কুপাইন বান্ধটোৱে নদীৰ সুঁতি সলনি কৰে। এই বান্ধটোৰ ফলতে কাঠনি অঞ্চলত বৰ্তমান ব্ৰহ্মপুত্ৰই প্ৰায় চাৰি কিলোমিটাৰ ওভতি বৈছে। উক্ত অঞ্চলটোত বৰ্তমান বালি পৰি বাম হৈছে। উল্লেখ্য যে কাঠনি অঞ্চলৰ খহনীয়া ইমানেই ভয়াবহ যে খহনীয়াগ্ৰস্ত মহিলাই ভৱানদীত জাঁপ দি আত্মহত্যাৰ চেষ্টা কৰাৰ দৰে ঘটনাও সংঘটিত হৈছিল। তদ্ৰূপ বিগত বৰ্ষত প্ৰায় তিনি কোটি ব্যয় কৰি জলসম্পদ বিভাগে বৰালিমাৰী বজাৰৰ কিছু দূৰত খৰালিতে দিয়া পাৰ্কুপাইন বান্ধটোৱে বৰালিমাৰী অঞ্চলতো ব্ৰহ্মপুত্ৰৰ সুঁতি প্ৰায় তিনি কিলোমিটাৰ পাছলৈ গতি কৰিছে। ৰাইজে খহনীয়াক লৈ শংকিত হৈ থকাৰ মাজতে চলিত বৰ্ষত বানাক্ৰান্ত ভুৰাগাঁৱৰ পৰা মায়ং ৰাজহ চক্ৰ পৰ্যন্ত ১৪ কিলোমিটাৰৰ এটি বান্ধ নিৰ্মাণৰ বাবে নাবাৰ্ডে আৰণ্টন দিয়া ৫৮.২৪ কোটি টকাৰে বান্ধৰ কাম আৰম্ভ কৰিছে। বান্ধটোৰ আঠ কিলোমিটাৰ নিৰ্মাণৰ ঠিকা লাভ কৰিছে অনুজ আগৰৱালাই। বাকী ছয় কিলোমিটাৰ নিৰ্মাণৰ ঠিকা লাভ কৰিছে আৱবান আলীয়ে। উল্লেখ্য যে উক্ত বান্ধটো এটি পথ হিচাপে ব্যৱহাৰ কৰা হ'ব। এই ১৪ কিলোমিটাৰৰ বান্ধটো নিৰ্দিষ্ট সময়ত নিৰ্মাণ কৰিলে জিলাখনৰ লাহৰীঘাট আৰু জাগীৰোড সমষ্টিও বানৰ কবলৰ পৰা ৰক্ষা পৰিব। ইফালে, এক বিভাগীয় সূত্ৰ মতে, মৰিবাৰী অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবেও মৰিগাঁও জলসম্পদ বিভাগে প্ৰায় ৩৪ কোটিৰ জিঅ'বেগৰ বান্ধৰ এক আঁচনি প্ৰস্তুত কৰি আৱণ্টনৰ বাবে বিভাগীয়ভাৱে প্ৰস্তাৱ গ্ৰহণ কৰিছে। মৰিবাৰীৰ তিনি কিলোমিটাৰত এই বান্ধটো নিৰ্মাণ হ'লে ২০২২ত মৰিগাঁও জিলাখনলৈকে আহিব ঘৰ-ভেটি নিৰাপত্তাৰ এক ইতিবাচক বতৰা। পৰৱৰ্তী সময়ত জলসম্পদ বিভাগে লাহৰীঘাটৰ বগলিপাৰা অঞ্চলত গুৰুত্ব প্ৰদান কৰিলে মৰিগাঁও জিলাখনৰ ভৌগোলিক মানচিত্ৰ সংৰক্ষণ হ'ব বুলি আশা কৰিব পাৰি। ইয়াৰ মাজতে বিধানসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্ৰহ্মপুত্ৰৰ ওপৰেদি মৰিগাঁও আৰু দৰং জিলা সংযোগী দলং এখনৰ কথা উল্লেখ কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এনে ঘোষণাৰ পাছতেই মৰিগাঁওবাসীৰ মাজত নতুন প্ৰত্যাশাৰ সৃষ্টি কৰিছে। সম্প্ৰতি ড° শৰ্মাই উল্লেখ কৰাৰ দৰেই 'গুগল'ত উপলব্ধ হৈছে মৰিগাঁও-দৰং সংযোগী দলংখনৰ ৰূপৰেখা। বাস্তৱিকতে ব্ৰহ্মপুত্ৰৰ ওপৰেদি মৰিগাঁও-দৰং সংযোগী দলংখন গুগলত উপলব্ধ স্থান অনুসৰি হৈ উঠিলে ভুৰাগাঁও অঞ্চলটো হৈ পৰিব মধ্য অসমৰ বাণিজ্যিক কৰিড'ৰ।

## চাৰিমাহে চৰত বন্দী নলবাৰীৰ এক লাখ

*এক পৃষ্ঠাৰ পৰা* জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ এইসকল লোকে। উল্লেখ্য যে বিগত ৮ ছেপ্টেম্বৰত মাজুলীত সংঘটিত ভয়াবহ নাও দুৰ্ঘটনাৰ পাছতে ৰাজ্য চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ নিৰ্দেশ অনুসৰি নলবাৰী জিলা প্ৰশাসনে নলবাৰীৰ বৰক্ষেত্ৰীত থকা চাৰিওটা পাৰঘাট বন্ধ কৰি দিয়াৰ লগতে একক ইঞ্জিনচালিত নাও চলাচলত নিষেধাজ্ঞা আৰোপ কৰিছিল। তেতিয়াৰে পৰা এই পৰ্যন্ত উক্ত নিষেধাজ্ঞা বাহাল ৰাখিছে জিলা প্ৰশাসনে। ফলত দুৰ্বিসহ জীৱন কটাবলগীয়া হৈছে এইসকল লোকে। লক্ষণীয়ভাৱে ইতিমধ্যে নদী শুকাই যোৱাৰ পাছতো স্থানীয় বিধায়ক, বিভাগীয় মন্ত্ৰী, নলবাৰী জিলা প্ৰশাসন কোনোপক্ষৰ গা লৰা নাই। ইপিনে, চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, সমষ্টিটোৰ ৪৬ খনকৈ গাঁও ব্ৰহ্মপুত্ৰৰ চৰভূমিত অৱস্থিত। ইয়াত এক লাখ লোকে বসবাস কৰি আছে। উল্লেখ্য যে এইসকল লোকৰ বহিঃজগতৰে যোগাযোগ মাধ্যম একমাত্ৰ নদীপথ। সেইমৰ্মে চটেমাৰী, মুকালমুৱা, কাপলাবৰী আৰু পেৰাধৰাকে ধৰি ব্ৰহ্মপুত্ৰৰ চাৰিটাকৈ পাৰঘাটেৰে এইসকল লোক কলিতাকুছি-বৰপেটা মূলপথৰ লগত সংযোজিত হয়। তদুপৰি চৰাঞ্চলত উৎপাদিত সামগ্ৰীৰ বিক্ৰী, অন্যান্য বজাৰ-ব্যৱসায়, বিদ্যালয়-মহাবিদ্যালয়, চিকিৎসা আদিৰো সংযোগ এই মূল পাৰঘাটকেইটাই। তদুপৰি নদীপথেৰে ধুবুৰী, গোৱালপাৰা আদিৰ পৰা এই কেইটা পাৰঘাটতে বালি, কাঠ আদি সামগ্ৰী আমদানি হয় যদিও চৰকাৰী হস্তক্ষেপত সকলোবোৰ সম্প্ৰতি বন্ধ হৈ পৰিছে। চৰাঞ্চলৰ এক লাখ লোকে বিগত চাৰিটা মাহে একপ্ৰকাৰ চৰবন্দী হৈ সীমাহীন যন্ত্ৰণা ভুগি অহাৰ লগতে বৃহত্তৰ মুকালমুৱা অঞ্চলৰ বাণিজ্যিক ক্ষেত্ৰতো ইয়াৰ কুপ্ৰভাৱ পৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ ৪০টাতো অধিক বেচৰকাৰী সংস্থা, সংঘ, সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে ইয়াক লৈ চৰকাৰক অনুনয়-বিনয় কৰি অহাৰ সমান্তৰালভাৱে প্ৰতিবাদী কাৰ্যসূচীও ৰূপায়ণ কৰি আহিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰক্ষেত্ৰী চৰ আঞ্চলিকৰ সভাপতি চান্দাম হুছেইনে এই প্ৰসংগত কয়, 'চৰকাৰে ভৰ বাৰিষাত একক ইঞ্জিনচালিত নাও চলাচল বন্ধ কৰাটো সঠিক যদিও ইয়াৰ বিপৰীতে বৃহত্তৰ ৪৬খনকৈ গাঁৱৰ এক লাখ লোকে কি উপায়ে যাতায়াত কৰিব সেই কথাও ভাবিব লাগিছিল; কিন্তু তাৰ বিপৰীতে নিষেধাজ্ঞা জাৰি কৰিয়ে দায়িত্ব সামৰিলে।' তেওঁ পুনৰ কয়, 'সেয়া যি হ'ল হ'ল, ইতিমধ্যে নদী শুকাই তলি দেখা হ'ল। গতিকে চৰকাৰ সংশ্লিষ্ট বিভাগ অথবা জিলা প্ৰশাসনে শীঘ্ৰে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।' অনুৰূপ দাবী জনাইছে বৰক্ষেত্ৰী ব্লক কংগ্ৰেছ কমিটী, আমছু, শিক্ষক গোট, শিক্ষাৰ্থী, একাংশ নাৱৰীয়া, কৃষক, ব্যৱসায়ী আৰু স্থানীয় ৰাইজেও। চৰ আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এটা দলে কয়, 'নাও চলাচলত চৰকাৰে আৰোপ কৰা নিষেধাজ্ঞাই বিপদত পেলাইছে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক। বিগত দুবছৰ ক'ৰনাকালীন তলাবন্ধই ইতিমধ্যে বহু ক্ষতি কৰিলে। সেয়া কিছু পৰিমাণে আঁতৰিল যদিও এইবাৰ যাতায়াতৰ অসুবিধাই নতুন প্ৰতিবন্ধকৰ ৰূপ লৈছে।' ইফালে, চৰকাৰী সূত্ৰতে প্ৰকাশ অনুসৰি, চৰ ভূমিত চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ ৪০ খনকৈ শিক্ষানুষ্ঠান আছে। ইয়াৰ ভিতৰত কুৰিহামাৰী 'এ' ক্লাষ্টাৰত ২৩খন আৰু 'বি' ক্লাষ্টাৰত ১৫খন বিদ্যালয় আছে। তদুপৰি চৰ আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু এখন কনিষ্ঠ মহাবিদ্যালয়ো আছে উক্ত চৰ ভূমিত। নাও চলাচল বন্ধ ৰখাত সৃষ্টি হোৱা চৰাঞ্চলৰ সমস্যাৰ কথা বিবৰি ৮১ বছৰীয়া সদৰ আলী নামৰ চৰাঞ্চলৰ এজন বয়স্ক লোকে কয়, 'চৰৰ এক লাখ মানুহে আজি চাৰিমাহ ধৰি কি যন্ত্ৰণাত আছো তাৰ খবৰ লওঁতা নাই। বুঢ়া মানুহ আমি। আমাৰ উন্নত চিকিৎসা বুলিলে মুকালমুৱা হাস্পতালখনেই একমাত্ৰ ভৰসা। তালৈ যাবলৈও আমাৰ উপায় নাই। বাকী সমস্যাৰ কথা বাদেই।' লক্ষ্যণীয় যে এনে বহু যন্ত্ৰণা ভুগি থকাৰ পাছতো বৃদ্ধজনে শংকা প্ৰকাশ কৰে। তেওঁ কয়, 'আমি এতিয়া যি অৱস্থাতে নাথাকো কিয় সেয়া ক'লেও বিপদ। চৰকাৰৰ বিৰোধ কৰা বুলি মোক শত্ৰু জ্ঞান কৰিব। কি ঠিক শাৰীৰিক অপদস্থ কৰাৰো সম্ভাৱনা নুই কৰিব নোৱাৰি (বৃদ্ধজনে বক্তব্যখিনি তেওঁলোকৰ স্থানীয় ভাষাতে আগবঢ়ায়)।'

কাপলাবৰী পাৰঘাটৰ এহাল অস্থায়ী ক্ষুদ্ৰ ব্যৱসায়ী দম্পতী শংকৰ বৰ্মন আৰু আৰতি বৰ্মনে 'দৈনিক অগ্ৰদূত'ক সদৰী কৰা মতে, প্ৰশাসনে নাও চলাচল বন্ধ কৰি দিয়াৰে পৰা তেওঁলোকৰ ব্যৱসায়লৈ বিপৰ্যয় নামি আহিছে। দম্পতীহালে কয়, 'এই পাৰঘাটত দোকান কৰিয়ে আমাৰ পৰিয়ালটো চলি আহিছিলো; কিন্তু চৰকাৰে নাও চলাচল বন্ধ কৰাৰে পৰা দিনটোত দুশ টকাও উপাৰ্জন নহয়। এতিয়া আমাৰ পৰিয়াল চলোৱাটো দুঃসাধ্য হৈ পৰিছে।' আনকি নাও চলাচল বন্ধ কৰি দিয়াৰ পাছৰে পৰা এই পৰ্যন্ত বিভাগীয় কৰ্তৃপক্ষ, বিধায়ক দিগন্ত বৰ্মন, বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ কোনো এজনে খবৰ নোলোৱা বুলি ক্ষোভ প্ৰকাশ কৰি নদীপথ সম্পূৰ্ণৰূপে মুকলি কৰাৰ আহ্বান জনাইছে। উল্লেখ্য যে উক্ত দম্পতীহাল স্থানীয় দুই নম্বৰ কাপলাবৰী গাঁৱৰ বাসিন্দা। তেওঁলোকে কাপলাবৰী ঘাটত চাহ-তামোলৰ অস্থায়ী দোকান কৰি পৰিয়াল চলাই আহিছে।

### অবৈধ যাতায়াতৰ বাধ্য কৰোৱাইছে চৰকাৰে, কোটি টকাৰ লেন-দেন ভুৱা লীজৰ নামত

ব্ৰহ্মপুত্ৰ বুলি ক'লেও বৰক্ষেত্ৰীৰ বৃহত্তৰ চৰাঞ্চলৰ পূব, উত্তৰ আৰু পশ্চিম এই তিনিওফাল আগুৰি আছে ব্ৰহ্মপুত্ৰৰ ইয়াৰ কেইটামান সুঁতিয়েহে। বাৰিষাত এই আটাইকেইটা সুঁতি বিপজ্জনক হৈ উঠে; কিন্তু খৰালি ইয়াৰ পানী শুকাই তলি দেখা হৈ পৰে। ঠায়ে ঠায়ে সৰু হাতনাওখন চলোৱাটোও অসুবিধা হয়। বালিত লাগি ধৰে নাৱৰ তলি। 'একক ইঞ্জিনচালিত নাও বিপজ্জনক যদিও ইয়ালৈ লক্ষ্য নকৰি নলবাৰী জিলা প্ৰশাসনে যি নাও চলাচল বন্ধ কৰি ৰাখিলে সেয়া আজিলৈকে অব্যাহত থাকিল। তাৰ পাছত আৰু কোনো ব্যৱস্থা নাই। গতিকে উপায় নাপাই আমি দুই-চাৰিজন মানুহে এনে নাওকেই চলাই দুই-চাৰিজনকৈ মানুহ পাৰ কৰাই আছো। এনে কৰিবলৈ চৰকাৰী ব্যৱস্থাই আমাক বাধ্য কৰোৱাইছে।' পেৰাধৰা আৰু কাপলাবৰী ঘাটৰ একাংশ নাৱৰীয়াই এনে মন্তব্য কৰে। আনহাতে, নাৱৰীয়াকেইজনে অভিযোগ কৰে যে এনেদৰে চৰকাৰী অনুমতি অবিহনে নাও চলোৱা বাবদ তেওঁলোকে লেছী আৰু আভ্যন্তৰীণ জল পৰিবহণৰ কৰ্মৰত কৰ্মচাৰীক ধন দিবলগীয়া হয়। লক্ষ্যণীয় যে ইয়াৰ পূৰ্বেও বৰক্ষেত্ৰীৰ চাৰিওটা ঘাট লেছীৰ নামত কোটি টকাৰ নীতিবহিৰ্ভূত লেন-দেন চলি অহাৰ অভিযোগ উঠিছে। স্বয়ং সংশ্লিষ্ট বিভাগৰ এক সূত্ৰই এই অভিযোগ প্ৰকাশ কৰিছে। সূত্ৰটোৱে কৰা অভিযোগ মতে, বিগত চাৰি বছৰ ধৰি আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ৰাজ্যৰ ঘাটসমূহৰ লীজ বন্ধ ৰাখিছে; কিন্তু ইয়াৰ মাজতে অনুমোদিত লেছী বুলি পৰিচয় দি এটা বিশেষ চক্ৰই বৰক্ষেত্ৰীৰ চাৰিওটা ঘাটতে নাৱৰীয়াৰ পৰা কৰ সংগ্ৰহ কৰে। আনকি জল পৰিবহণ বিভাগৰ একাংশ কৰ্মচাৰীৰ সহযোগতে এই ঘটনা ঘটি থকা বুলি সূত্ৰটোৰ মন্তব্য প্ৰকাশ।

### জৰুৰীকালীন পৰিস্থিতিৰ বাবে কেইখনমান নাৱৰ ব্যৱস্থা কৰা হৈছে

**বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়াৰ ভাষ্য ঃ** 'বৰক্ষেত্ৰীৰ চটেমাৰী, মুকালমুৱা, কাপলাবৰী আৰু পেৰাধৰা এই চাৰিওটা পাৰঘাটত নাও চলাচলৰ ক্ষেত্ৰত চৰকাৰে পূৰ্বে লোৱা ব্যৱস্থা অব্যাহত আছে; কিন্তু জৰুৰীকালীন পৰিস্থিতিৰ বাবে আমি কেইখনমান নাৱৰ ব্যৱস্থা কৰিছো। নাও চলাচল বন্ধত হোৱা সমস্যা সন্দৰ্ভত বিশেষকৈ শিক্ষকসকলে কোৱাত আমি চৰকাৰী কামত ব্যৱহাৰৰ বাবে কেইখনমান নাৱৰ ব্যৱস্থা কৰিছো। তদুপৰি ইতিমধ্যে দুখন দুই ইঞ্জিনযুক্ত নাৱৰ চলাচল আৰম্ভ কৰা হৈছে।' এই মন্তব্য বৰক্ষেত্ৰীৰ ৰাজহ বিষয়া উদয় শংকৰ দত্তৰ।

## জিএমচিত জিনীয় অনুক্ৰমণ পৰীক্ষাগাৰ

*এক পৃষ্ঠাৰ পৰা* নৰ্থ ইষ্ট ইন্সটিটিউট অৱ ছায়েন্স এণ্ড টেকন'লজী' (এনইআইএছটি)ৰ এডভান্সড ম'লিকুলাৰ পৰীক্ষাগাৰ পৰিদৰ্শন কৰাৰ লগতে এনইআইএছটি কৰ্তৃপক্ষ আৰু বিজ্ঞানীসকলৰ স'তে আলোচনাত মিলিত হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যিক সঞ্চালক ডাঃ এছ লক্ষ্মণন, ৰাজ্যৰ আগশাৰীৰ বীজাণুবিশেষজ্ঞ (ভাইৰোল'জিষ্ট) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মাইক্ৰ'বায়'লজী বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ অজন্তা শৰ্মা আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক ডাঃ পূৰ্ণিমা বৰুৱাৰ স'তে আজি দুপৰীয়া এনইআইএছটিত উপস্থিত হৈ স্বাস্থ্যমন্ত্ৰী মহন্তই কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ পৰীক্ষাগাৰটোৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰী আৰু গৱেষক-বিজ্ঞানীসকলৰ লগত সম্পূৰ্ণ জিন'মিক ছিকুয়েন্সিং কৰিব পৰা পৰীক্ষাগাৰ স্থাপনৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনি আৰু কাৰিকৰী দিশসমূহৰ বিষয়ে বিতং আলোচনা কৰে। উক্ত আলোচনাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত এনে উচ্চস্তৰীয় জিন'মিক ছিকুয়েন্সিং পৰীক্ষাগাৰ স্থাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় কাৰিকৰী দিশত ৰাজ্য চৰকাৰৰ সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে এনইআইএছটিৰ সঞ্চালক ড° শাস্ত্ৰীয়ে। আনহাতে, উজনি অসমত ৰাজ্যৰ স্বাস্থ্য বিভাগক এই জিন'মিক ছিকুয়েন্সিঙৰ পৰীক্ষণত এনইআইএছটিৰ এডভান্সড ম'লিকুলাৰ লেবৰেটৰীৰ পৰা সহযোগিতা আগবঢ়াবলৈও সন্মতি প্ৰকাশ কৰে সঞ্চালকজনে। ইয়াৰ বাবে ৰাজ্য চৰকাৰেও এনইআইএছটিলৈ প্ৰয়োজনীয় অতিৰিক্ত সহায় উপলব্ধ কৰাব। উল্লেখ্য যে ভাৰত চৰকাৰৰ 'কাউন্সিল অৱ ছায়েন্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিছাৰ্চ'ৰ দ্বাৰা পৰিচালিত এনইআইএছটিৰ এডভান্সড ম'লিকুলাৰ লেবৰেটৰী হৈছে সম্পূৰ্ণ জিন'মিক ছিকুয়েন্সিঙৰ পৰীক্ষা কৰিব পৰা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ পৰীক্ষাগাৰ। অসমতো অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰাজ্যৰ স্বাস্থ্য বিভাগে সম্ভাব্য অ'মিক্ৰন আক্ৰান্তৰ নমুনাৰ সম্পূৰ্ণ জিন'মিক ছিকুয়েন্সিং কৰিব পৰাকৈ গুৱাহাটীত অতি শীঘ্ৰে এনে উচ্চস্তৰীয় পৰীক্ষাগাৰ স্থাপনৰ যোজা চলাইছে।

ইয়াৰ পাছতে স্বাস্থ্যমন্ত্ৰী মহন্তৰ নেতৃত্বত যোৱা স্বাস্থ্য বিভাগৰ উচ্চস্তৰীয় দলটোৱে এনইআইএছটিৰ সঞ্চালকৰ স'তে এডভান্সড ম'লিকুলাৰ লেবৰেটৰীটোও পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত ইয়াৰ গৱেষক তথা অনুজীৱ বিশেষজ্ঞসকলৰ স'তে মত বিনিময় কৰি পৰীক্ষাগাৰত ভাইৰাছৰ নমুনাৰ জিন'মিক ছিকুয়েন্সিঙৰ বিভিন্ন প্ৰক্ৰিয়া আৰু সময়ক্ৰমৰ বিষয়ে বুজ লয়।

## অ'মিক্ৰন আৰু ডেল্টাৰ ছুনামি

*এক পৃষ্ঠাৰ পৰা* সংস্থাটোৱে কয় যে দেশজুৰি এই দুটা প্ৰজাতিয়ে নতুন সংক্ৰমণৰ অভিলেখ ঘটাইছে আৰু ফলত হাস্পতালত ৰোগীৰ সংখ্যাৰ বৃদ্ধিৰ লগতে মৃত্যুৰ সংখ্যাও বাঢ়িছে। বিগত সপ্তাহত বিশ্বজুৰি ১১ শতাংশ সংক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে। আমেৰিকা আৰু ফ্ৰান্সত প্ৰতিদিনে সংক্ৰমণৰ ঘটনাত অভিলেখ সৃষ্টি হৈছে। 'মই অতিকৈ উদ্বিগ্ন যে অ'মিক্ৰন অধিক সংক্ৰামক আৰু ডেল্টাৰ স'তে একেলগে ইয়াৰ প্ৰসাৰে ছুনামিৰ দিশলৈ গতি কৰিছে।' এইদৰে কয় বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰব্বী ট্ৰেড্ৰছ আধানম গেব্ৰিচিয়াছে। এক সংবাদমেলত তেওঁ কয় যে ইয়াৰ ফলত ইতিমধ্যে ভাগৰি পৰা স্বাস্থ্য কৰ্মীসকলৰ ওপৰত তীব্ৰ হেঁচাৰ সৃষ্টি হ'ব আৰু স্বাস্থ্য ব্যৱস্থাৱলী একপ্ৰকাৰ ভাঙি পৰাৰ দৰে হ'ব। তেওঁ কয় যে কৰ'না ৰোগীৰ বাবে কেৱল স্বাস্থ্য সেৱা হেঁচাৰ সন্মুখীন হোৱা নাই, ক'ভিডৰ ফলত বৃহৎসংখ্যক স্বাস্থ্য কৰ্মী অসুস্থ হৈ পৰাৰ বাবে এনে হৈছে।

তেওঁ অনাগত বৰ্ষত মহামাৰীৰ এই ভয়াৱহ পৰিস্থিতিৰ অন্ত পৰিব বুলি আশা প্ৰকাশ কৰে। চলিত বৰ্ষত বিশ্বৰ প্ৰতিখন দেশত ৪০ শতাংশ নাগৰিকে প্ৰতিষেধক লাভ কৰিব বুলি আশা কৰিছিল সংস্থাই আৰু ২০২২ৰ মাজভাগ পৰ্যন্ত ৭০ শতাংশ জনসংখ্যাই প্ৰতিষেধক লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ ঘোষণা কৰা অনুসৰি, সংস্থাৰ ১৯৪ খন সদস্য ৰাষ্ট্ৰৰ ভিতৰত ৯২ খনেই ৪০ শতাংশৰ লক্ষ্য পূৰণ কৰিব নোৱাৰিব। নিম্ন আয়ৰ দেশসমূহত প্ৰতিষেধকৰ সীমাবদ্ধতাৰ বাবে এনে হোৱা বুলি তেওঁ কয়। তদুপৰি ম্যাদ উকলাৰ সময়ত আৰু বেজী আদি নোহোৱাকৈ সৰবৰাহ হোৱাটো এটা কাৰণ বুলি তেওঁ নিম্ন আয়ৰ দেশৰ বিষয়ে ব্যাখ্যা কৰে। এয়া এক নৈতিক লজ্জাৰ বিষয় বুলি তেওঁ কয়।

## লামডিং বনাঞ্চলৰ পৰা বন্দুকসহ

*এক পৃষ্ঠাৰ পৰা* বৰ্তমান আটাইকেইজনক লংকাৰ আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত ৰখা হৈছে। উল্লেখ্য যে চোৰাংচিকাৰী কেইজনে কিছুদিন আগতে লামডিং বনাঞ্চলৰৰ উচ্ছেদিত অঞ্চলত টম্বু তৰি বিগত কেইদিনমানৰ পৰা আছিল।

## নিৰীহৰ হত্যাকাৰী সেনাৰ চলিব

*এক পৃষ্ঠাৰ পৰা* খৰতকীয়া তদন্ত চলাব। এই দলটোত আছে পাঁচজন আই পি এছ বিষয়াও। এছআইটিৰ সাতটা ভিন ভিন গোটলৈ ভাগ কৰা হৈছে।

ইতিমধ্যে সেনাৰ অনুসন্ধান আদালতৰ এটা পৃথক সেনাৰ দল নগালেণ্ডত আছে। আজি মেজৰ জেনেৰেলৰ নেতৃত্বত এই দলটোৱে টিজিট টাউনত উপস্থিত হয়। তেওঁলোকে ঘটনাস্থলী পৰিদৰ্শন কৰে। লগতে গাঁওবাসীৰ ভাষ্য গ্ৰহণ কৰে। চাৰি ডিচেম্বৰৰ ঘটনাস্থলী পৰিদৰ্শন কৰি গাঁওবাসীৰ ভাষ্য লয় অনুসন্ধানকাৰী দলটোৱে। মূলতঃ প্ৰাথমিক তথ্য সংগ্ৰহ কৰা দলটোৱে ভিডিঅ' ফুটেজ, ফটো সংগ্ৰহ তথা প্ৰত্যক্ষদৰ্শীৰ ভাষ্য সংগ্ৰহ কৰে। আনহাতে, কাৰোবাৰ হাতত যদি অসম্পাদিত ৰূপত ভিডিঅ' ফুটেজ আছে তেন্তে সেয়া দিবলৈ আহ্বান জনায়। নিহত ১৪ নিৰীহৰ নিকট আত্মীয়, অটিং গাঁওবাসী, প্ৰভাৱশালী কন্যাক ইউনিয়ন, কন্যাক ছাত্ৰ ইউনিয়নৰ স'তেও অনুসন্ধানকাৰী দলটোৱে আলোচনাত মিলিত হয়। জিলাখনত আজি অনুসন্ধানকাৰী দলটো উপস্থিত হোৱাৰ পৰিপ্ৰেক্ষিতত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা গঢ়ি তোলা হয়।

## খেৰণিত বনৰীয়া হাতীৰ তাণ্ডৱ

*এক পৃষ্ঠাৰ পৰা* ব্যাপকভাৱে ব্যাঘাত জন্মা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি খেতিয়কে কুঁহিয়াৰ কাটি-মেলি চেপি গুৰ তৈয়াৰ কৰাৰ সময়ত এনে বনৰীয়া হাতীৰ ত্ৰাসে অঞ্চলটোত দিনে-নিশাই আতংকময় পৰিস্থিতিয়ে বিৰাজ কৰি থকাৰ ফলত কৃষকৰ মাজতো আৰ্থিক সংকটৰ সৃষ্টি হৈছে। বৃহৎ হাতীৰ জাকে কুঁহিয়াৰ খেতিৰ মাজত আশ্ৰয় লোৱাৰ ফলত সম্প্ৰতি কোনো কৃষকে নিজৰ কুঁহিয়াৰ খেতি পথাৰত প্ৰৱেশতো বাধাৰ সন্মুখীন হৈছে। আনহাতে, সাধাৰণ ৰাইজৰ স'তে বন বিভাগে হাতীৰ জাকটোক জংঘল লৈ খেদি পঠিয়াবলৈ অসমৰ্থ হৈ পৰিছে। আনকি, অঞ্চলটোত হাতী-মানুহৰ সংঘাতে এক ভয়ংকৰ ৰূপ লোৱাৰ সম্ভাৱনাই প্ৰকট হৈ পৰিছে। ইয়াৰ বাবে বন বিভাগক হাতী খেদাৰ ন ন কৌশল প্ৰয়োগ কৰি এই বৃহত্তৰ খেৰণি অঞ্চলৰ পৰা ঘন-জংঘললৈ অতি শীঘ্ৰে বনৰীয়া হাতীৰ জাকটোক খেদি পঠিওৱাৰ বাবে দাবী জনাইছে।

## বঞ্চিত প্ৰাৰ্থীৰ অভিযোগ

*এক পৃষ্ঠাৰ পৰা* সাব্যস্ত কৰে যদিও আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষিত টে'ট পৰীক্ষাৰ ফলাফলত কোনো বিসংগতি হোৱা নাই বুলি দাবী কৰে। চান্দমাৰিত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংবাদিকৰ আগত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, 'এই পৰীক্ষাক লৈ যিসকল অসন্তুষ্ট বা প্ৰশ্ন আৰু উত্তৰ মাজত মিল নাই বুলি কৈছে, কোনকেইটা প্ৰশ্নৰ লগত উত্তৰ মিল নাই নিৰ্দিষ্ট কৰি লিখিতভাৱে দিবলৈ আহ্বান জনাইছো। ইতিমধ্যে এখন লিখিত অভিযোগ পোৱা হৈছে আৰু তাত সাতটা প্ৰশ্নৰ লগত উত্তৰ মিল নাই বুলি কোৱা হৈছে। সেয়ে এই সন্দৰ্ভত পৰীক্ষা কৰিবলৈ বিভাগে এখন ১২ জনীয়া সমিতি গঠন কৰিব আৰু সমিতিখনে সকলো দিশ পৰীক্ষা কৰিব।' উল্লেখ্য যে ছেবাৰ কাৰ্যালয়ৰ সন্মুখত বঞ্চিত প্ৰাৰ্থীসকলে প্ৰতিবাদ সাব্যস্ত কৰি ঘোষিত টে'ট পৰীক্ষাৰ ফলাফল পুনৰীক্ষণৰ দাবীৰ লগতে গ্ৰেছ মাৰ্কৰ প্ৰসংগ উল্লেখ কৰিছিল যদিও এনেধৰণৰ কোনো বিষয় গ্ৰহণযোগ্য নহয় বুলি শিক্ষামন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। প্ৰয়োজনত পুনৰ টে'ট পৰীক্ষা অনুষ্ঠিত হ'ব; কিন্তু গ্ৰেছ মাৰ্ক দিয়া নহ'ব বুলি তেওঁ কয়।

## ঠেঙাল কছাৰী পৰিষদৰ ২২

*এক পৃষ্ঠাৰ পৰা* কছাৰীক পুনৰ বৰুৱাজান সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে শাসকীয় দলটোৱে। একেদৰে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই ঘোষণা কৰা প্ৰাৰ্থী তালিকা অনুসৰি, নগাবাট সমষ্টিত বিপুল কছাৰীক, মাধৱপুৰত প্ৰতাপ কছাৰীক, দিহিঙিয়াত প্ৰকাশ শইকীয়াক, তিতাবৰত বন্তি শইকীয়াক, চামগুৰিত পুলক কছাৰীক, জালুকনীবাৰীত শ্যামল কৃষ্ণ বৰাক, ঠেঙাল কমাৰগাঁৱত হৰপ্ৰভা ঠেঙালক, গেলাবিলত মৃণাল হাজৰিকা শইকীয়া, চাউদাং পথাৰত স্মৃতিৰেখা ঠেঙালক, চাউদাং পথাৰ দৈয়াংত পদ্মেশ্বৰ শইকীয়াক, বঙালমৰা (পূব ডিক্ৰং)ত লেখন বৰাক, পাভ (লালুক)ত কেশৱ নেওগ, পূৰ্ব লখিমপুৰত জ্যোতি বৰা শইকীয়াক, দক্ষিণ বিহপুৰীয়াত কেশৰাম বৰাক, ৰূপহীঘৰ পাৰাৰ ৰাজু শইকীয়া আৰু মেৰবিল নাহৰকটীয়াত মন্দীপ বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

ইফালে, আজি প্ৰদেশ কংগ্ৰেছেও ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ২১টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। তালিকা অনুসৰি, নগাবাটত সুনীল ৰেগন, বৰহোলাত বন্তি বৰা শইকীয়া, মাধৱপুৰত অনিল কছাৰী, ফুলবাৰীত ৰাতুল শইকীয়া, দিহিঙিয়াত অচিন্ত্য শইকীয়া, তিতাবৰত লক্ষ্যজিৎ হাজৰিকা, চামগুৰিত অক্ষয়জ্যোতি শইকীয়া, বৰুৱাজানত কনৰাম কছাৰী, জালুকনীবাৰীত পুনেশ্বৰ শইকীয়া, তামুলবাৰীত লখেশ্বৰ হাজৰিকা, কমাৰগাঁৱত বিপিন বৰা, গেলাবিলত হিৰণ্য বৰা, কচমাৰীত জহ্নবী শইকীয়া, চাউদাং পথাৰত চায়া ঠেঙাল, চাউদাং পথাৰ দৈয়াংত উৎপল ঠেঙাল, বঙালমৰাত কৃষ্ণ হাজৰিকা, পাভ(লালুক)ত মহেন্দ্ৰ শইকীয়া, পূব লখিমপুৰত তুলুমণি সোণোৱাল বৰা, দক্ষিণ বিহপুৰীয়াত ৰাজ কুমাৰ বৰা, জাকৈপেলুৱা হাৰমতিত অপূৰ্ব হাজৰিকা, ৰূপহী বৰগড়াত মৃদুপবন বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে কংগ্ৰেছ নেতৃত্বই।

## তিতাবৰৰ নবোদয় বিদ্যালয়ত

*এক পৃষ্ঠাৰ পৰা* পাঠদান আজিৰে পৰা চাৰিদিনলৈ বন্ধ ৰখা হৈছে। উল্লেখ্য যে কালি চৰাইদেউ জিলা স্বাস্থ্য বিভাগে বিদ্যালয়খনত ক'ভিড-১৯ৰ এক পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিছিল। উক্ত শিবিৰত পৰীক্ষাত ছাত্ৰীগৰাকী ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত হয়। পাছত শিক্ষানুষ্ঠানখনৰ চৌহদটো ছেনিটাইজ কৰা হয়।

ইপিনে, তিতাবৰস্থিত যোৰহাট জৱাহৰ নবোদয় বিদ্যালয়ৰ ১৯ গৰাকী আৱাসিক শিক্ষাৰ্থী আৰু কৰ্মচাৰী ক'ভিড-১৯ত আক্ৰান্ত হৈছে। উল্লেখ্য যে যোৱা সপ্তাহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰা শিক্ষাৰ্থীকেইজনক ইতিপূৰ্বে বিদ্যালয় প্ৰশাসনে হোম আইচ'লেছন কৰাইছে। আনহাতে, উক্ত আক্ৰান্ত শিক্ষাৰ্থীকেইজনৰ সংস্পৰ্শলৈ অহাৰ সন্দেহ হোৱা বিদ্যালয়খনৰ কেইটামান আবাস আইচ'লেছন কৰি একাংশ ছাত্ৰক কোৱাৰেইণ্টাইন কৰা হৈছে। ইপিনে, সকলো আৱাসিক শিক্ষাৰ্থীয়ে ক'ভিডৰ নিগেটিভ প্ৰমাণ পত্ৰ লৈ বিদ্যালয়খনত প্ৰৱেশ কৰাৰ অনুমতি থকাৰ পাছত কি পৰিস্থিতিত কে'বাজনো আৱাসিক শিক্ষাৰ্থীৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰিল তাক লৈ চৰ্চা হৈছে। এনে পৰিপ্ৰেক্ষিতত বাকী ছাত্ৰ-ছাত্ৰীসকলক লৈ নিয়মীয়া পাঠদান অব্যাহত থকাৰ বিষয়টোৱে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয় কৰ্তৃপক্ষই ইয়াৰ পাছতো পাঠদান চলাই থকাত সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে ৰাইজ সৰৱ হোৱাত আজি বিদ্যালয়খনত মহকুমা প্ৰশাসনৰ নিৰ্দেশত স্বাস্থ্য বিভাগে ক'ভিড পৰীক্ষা সম্পন্ন কৰে। আজি বিদ্যালয়খনত স্বাস্থ্য বিভাগে ২৪৬জনৰ ক'ভিড পৰীক্ষা সম্পন্ন কৰে। বিদ্যালয়খনত কৰা স্বাস্থ্য পৰীক্ষাৰ অন্তত আজিও নজন শিক্ষাৰ্থী আৰু তিনি কৰ্মচাৰীকে ধৰি ১২জনৰ ক'ভিড ধৰা পৰে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিদ্যালয়খনত ২৫ ডিচেম্বৰত এজনৰ দেহত, ২৬ ডিচেম্বৰত তিনিজনৰ দেহত আৰু ২৭ ডিচেম্বৰত তিনিজনৰ দেহত ক'ভিড-১৯ উপস্থিতি ধৰা পৰিছিল।

## পাঁচ হেজাৰ মহিলাক ঋণ ৰেহাইৰ চেক

*এক পৃষ্ঠাৰ পৰা* মাইক্ৰ'ফাইনেঞ্চৰ ঋণ ৰেহাইৰ ব্যয় হ'ব ২৪,৯০,৬৮,৯৮১টকা। মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰংগণত অনুষ্ঠিত ঋণ ৰেহাইৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰী নেওগে ৰাজ্যৰ মহিলা সৱলীকৰণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে বুলি মন্তব্য কৰে। তেওঁ পুনৰ কয় যে মহিলাসকলে নিজকে স্বাৱলম্বী কৰিলেহে এখন সুস্থ সমাজ গঢ়ি উঠাত সহজ হৈ পৰে। ৰাজ্য চৰকাৰে মাইক্ৰফাইনেঞ্চৰ ঋণ লোৱা মহিলাসকলক তিনিটা ভাগত ভাগকৰি পৰ্যায় ক্ৰমে ঋণ প্ৰদান কৰি থাকিব বুলি তেওঁ মন্তব্য কৰে। অসমৰ ২৫ লাখ মহিলাই লোৱা ঋণৰ বোজা ৰাজ্য চৰকাৰে বহন কৰিছে বুলি বিত্তমন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰী নেওগে কয়, 'মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনৰ কথা ৰাখিলে। ২৫ লাখ মহিলাই ঋণ লৈছিল। ১১ লাখ মহিলাক প্ৰথম শ্ৰেণীত ৰখা হৈছে যিসকলে নিয়মীয়া কিস্তি দি আছিল। বাগ্‌সাত ঋণ লৈ ভালকৈ কাম কৰা মহিলা ১২,৫৯৭ গৰাকীৰ।' তেওঁ পুনৰ কয়, 'আমি প্ৰথমতে সমাজৰ পৰা দৰিদ্ৰতা দূৰ কৰিব লাগিব। দ্বিতীয়তে বেংকৰ লগত সম্পৰ্ক অধিক কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে জনমুখী আঁচনি গ্ৰহণ কৰিছে। কাৰণ গণতন্ত্ৰত ৰাইজেই ৰজা। চৰকাৰক আগুৱাই যোৱাত ৰাইজেই সহায় কৰিব লাগিব।' উক্ত সভাত অংশ লৈ মন্ত্ৰী ইউ জি ব্ৰহ্ময়ো অংশগ্ৰহণ কৰে। সভাখনতো বাগ্‌সা জিলাৰ উপায়ুক্তৰ লগতে বিটিআৰৰ কে'বাগৰাকীও কাৰ্যবাহী সদস্য উপস্থিত থাকে।

## বাস্তৱসন্মত নহয় ঃ ফোঁপযহী মন্ত্ৰী

*এক পৃষ্ঠাৰ পৰা* পাছত মহানগৰীৰ বশিষ্ঠ চাৰিআলিৰ গাতে লাগি থকা ৩২ বিঘা ভূমি অধিগ্ৰহণো কৰে। ৰাজ্যত অনুষ্ঠিত এডভান্টেজ আছাম'ৰ লগত সংগতি ৰাখি টুইন টাৱাৰ নিৰ্মাণ ঘোষণাৰ মূল উদ্দেশ্যৰূপে অসমক দক্ষিণ-পূব এছিয়া আৰু বিবি এন ৰাষ্ট্ৰসমূহৰ বাণিজ্যিক 'হাব'ৰূপে গঢ়ি তোলাৰ ব্যাখ্যা দিয়া হয়; কিন্তু সকলোবোৰেই এতিয়া সপোন হৈয়ে ৰোৱাৰ সম্ভাৱনা বৃদ্ধি হৈছে। লক্ষ্য অনুসৰি কাম আগবঢ়োৱাত ব্যৰ্থ হোৱা চৰকাৰ তথা উদ্যোগ আৰু বাণিজ্য বিভাগে সেয়েহে প্ৰস্তাৱিত প্ৰকল্পটোতেই সংশোধনী অনাৰ সিদ্ধান্ত ল'বলৈ বাধ্য হৈছে। তাৰ ফলত পূৰ্বে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ সময়সীমা ২০১৮ৰ জুলাইৰ পৰা পাঁচ বছৰ অৰ্থাৎ ২০২৩ৰ জুলাই ধাৰ্য কৰা হৈছিল যদিও এতিয়া আৰু সেই হিচাপ বাদ পৰিছে। প্ৰস্তাৱিত প্ৰকল্পটোত দুটা বৃহৎ অট্টালিকা থকাৰা কথা আছিল। তাত থাকিবলগীয়া মহলাৰ সংখ্যা আছিল ৬৫টা। এই নিৰ্মাণৰ ব্যয় ধাৰ্য কৰা হৈছিল ১৯শ কোটি টকা। এই সকলোবোৰ হিচাপ-নিকাচো প্ৰত্যাহাৰ কৰিছে উদ্যোগ আৰু বাণিজ্য বিভাগে। কাৰণ, কেৱল চমক সৃষ্টিৰ বাবে কৰা উক্ত ঘোষণা কাৰ্যত ৰূপায়ণ কৰাটোৱে মুখৰ কথা নহ'ব, সেই উপলব্ধি এতিয়া মৰ্মে মৰ্মে কৰিবলৈ বিভাগটো বাধ্য হৈছে। বিভাগটোৰ শীৰ্ষ বিষয়াৰ সূত্ৰই মন্তব্য কৰি কয়, 'বাৰে বাৰে ধাৰ্য হোৱাৰ পাছত টুইন টাৱাৰ নিৰ্মাণৰ কাম অন্য উপযুক্ত আৰ্হিৰে আগবঢ়োৱাৰ চিন্তা-চৰ্চা কৰা হৈছে। গতিকে অসমৰ ৰাইজে বাস্তৱত টুইন টাৱাৰ কেতিয়ালৈ প্ৰত্যক্ষ কৰিব পাৰিব সেয়া এতিয়াই ক'ব পৰা নাযায়। গোটেই প্ৰক্ৰিয়াটো বৰ্তমান প্ৰাৰম্ভিক পৰ্যায়তে আছে।'

ভূমি অধিগ্ৰহণৰ পাছত ২০১৮ৰ দুই ফেব্ৰুৱাৰীত প্ৰস্তাৱিত প্ৰকল্পটো নিৰ্মাণৰ বাবে অসম চৰকাৰে নেছনেল বিল্ডিং কনষ্ট্ৰাকছন কৰ্প'ৰেছন (এনবি চিচি)ৰ লগত এখন বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰিছিল। সেই বৰ্ষৰে ১৮ জুলাইত নিৰ্মাণ কাৰ্য আৰম্ভণি কৰাৰ বাবে প্ৰকল্পস্থলীত ধৰ্মীয় কাম-কাজো সম্পন্ন কৰা হয়। তাৰ পাছত আৰু কোনো কামৰ অগ্ৰগতি নহ'ল। ফলত সমগ্ৰ প্ৰকল্পস্থলী এতিয়া ঘন জংঘলে ঢাকি ধৰিছে। চৰকাৰৰ এই ব্যৰ্থতাৰ মূলতে হ'ল দায়বদ্ধহীনতা আৰু পৰিকল্পনাহীনতা। বিহুৰ ঢোলৰ আকৃতিৰে টুইন টাৱাৰ স্থাপনৰ বাবে ২০১৯ আৰু ২০২০ত দুবাৰ উদ্যোগ আৰু বাণিজ্য বিভাগে 'ছেল্ফ ফাইনেন্স মডেল'ৰ 'ডেভলপাৰ' বিচাৰি নিবিদা প্ৰকাশ কৰিছিল। কিন্তু দুয়োবাৰতেই কোনো 'বিল্ডাৰ'এ নিবিদাত অংশগ্ৰহণ নকৰিলে। এই সন্দৰ্ভত পৰৱৰ্তী সময়ত হোৱা পৰ্যালোচনাত প্ৰকল্পটো 'বাস্তৱসন্মত' নহয় বুলি বিভাগীয়ভাৱেই মন্তব্য কৰা হয়। তাৰ পাছতে অন্য উপযুক্ত আৰ্হিৰে 'টুইন টাৱাৰ' স্থাপনৰ সিদ্ধান্ত লোৱা হয়। কিন্তু সেই সিদ্ধান্তৰ পাছতো পৰৱৰ্তী পদক্ষেপৰ কোনো অগ্ৰগতি সম্প্ৰতি নাই।

## এসপ্তাহতে বৃদ্ধি পাব অ'মিক্ৰনৰ সংক্ৰমণ

*এক পৃষ্ঠাৰ পৰা* গৱেষক দলে দেশজুৰি ভাৰতত সুতীব্ৰ গতিত সংক্ৰমণৰ হাৰ বৃদ্ধি পাব বুলি আশংকা প্ৰকাশ কৰে। শেহতীয়া এক প্ৰতিবেদনত তেওঁলোকে ছখন ৰাজ্যৰ সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰে। বিগত তিনি সপ্তাহৰ ভিতৰত ভাৰতত বুধবাৰে সৰ্বাধিকসংখ্যক ৯,১৯৫ জন নতুনকৈ আক্ৰান্ত হয়। এই পৰ্যন্ত দেশৰ আক্ৰান্তৰ হাৰ তিনি কোটি ৪৮ লাখ। আনহাতে মৃতকৰ সংখ্যা চাৰি লাখ ৮০ হেজাৰ ৫৯২ জন। ইতিমধ্যে আন এক বৃহৎ মহামাৰীৰ বাবে ভাৰতে অপেক্ষা কৰিছে।

দেশৰ ৰাজধানী নতুন দিল্লীত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ আতংকত চিনেমাগৃহ, বিদ্যালয়, ব্যায়ামাগাৰ আদি বন্ধ কৰি দিয়া হৈছে। ৰাজহুৱা সমাবেশতো বাধা নিষেধ আৰোপ কৰা হৈছে। নৈশ সান্ধ্যআইন জাৰি কৰাৰ লগতে পানশালা, ৰেস্তোৰাঁ, কাৰ্যালয়তো ৫০ শতাংশ উপস্থিতিৰ ব্যৱস্থা কৰা হৈছে। চাৰি মাহৰ অধিক সময়ৰ পাছত সৰ্বাধিক পৰিমাণৰ নতুন সংক্ৰমণ মঙলবাৰে চিনাক্ত হোৱাৰ লগে লগে দিল্লী চৰকাৰে কঠোৰতা অৱলম্বন কৰে। ইপিনে, দেশৰ বিত্তীয় মহানগৰী মুম্বাইতো সংক্ৰমণৰ সংখ্যা তীব্ৰভাৱে বাঢ়িছে। কালিৰ দিনটোতকৈ আজি মুম্বাইত ৮২ শতাংশৰ অধিক লোক সংক্ৰমিত হয়। ২,৫১০ টা নতুন সংক্ৰমণৰ ঘটনাই মুম্বাইক কঁপাই তুলিছে। ৰাজ্যখনৰ মন্ত্ৰী আদিত্য থাকৰেই এক বৈঠকৰ অন্তত কয় যে দ্ৰুত সংক্ৰমণৰ প্ৰাক্‌মুহূৰ্তত প্ৰতিৰোধী অৱস্থান গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। মুম্বাইৰ পৌৰ নিগমে হাস্পতাল আন্তঃগাঁথনিৰ বৃদ্ধিৰ লগতে অক্সিজেন আৰু দৰবৰ ব্যৱস্থাপনাও কৰিবলৈ পৰিকল্পনা ৰচিছে। একেদৰে দ্ৰুত টিকাকৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে। অহা ৩১ ডিচেম্বৰত নৱবৰ্ষৰ প্ৰাক্‌মুহূৰ্তত উদ্‌যাপনৰ সময়তে বন্ধ থাকিব মুম্বাই মহানগৰী। কিয়নো সকলো ৰাজহুৱা স্থান বন্ধ ৰখা হ'ব। নীতি-নিয়ম ভংগ কৰা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ হ'ব চৰকাৰ। ৰাজ্যখনৰ মন্ত্ৰী থাকৰে এইদৰে কয়। কৰ্তৃপক্ষই নৱবৰ্ষ উদ্‌যাপনৰ সময়ত নিৰ্দেশনা ভংগকাৰীসকলক জব্দ কৰিবলৈ ফ্লায়িং স্কোৱাডৰ ব্যৱস্থা কৰিছে। মন্ত্ৰীজনে কয় যে অতিশয় সাৱধানতা অৱলম্বনৰ লগতে নিশ্চিত টিকাকৰণৰ ব্যৱস্থাৰ বাবে যত্নপৰ হৈছে চৰকাৰ। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, অ'মিক্ৰন প্ৰজাতিয়ে কঢ়িয়াই অনা বিপদ এতিয়াই বহু বেছি। বিশ্বজুৰি বিভিন্ন দেশত ই তাণ্ডৱৰ সৃষ্টি কৰিছে।

## ক'ভিডৰ শংকাৰ মাজেদিয়ে আৰম্ভ হ'ল

*এক পৃষ্ঠাৰ পৰা* গ্ৰন্থৰ জৰিয়তে পৃথিৱী ভ্ৰমণ কৰিব পাৰি বুলি উল্লেখ কৰি তেওঁ কয়, 'নিজক আবিষ্কাৰ কৰাৰ এটা উত্তম উপায় হৈছে কিতাপ পঢ়া।' শিক্ষামন্ত্ৰী ডাঃ পেগুৱে লগতে অসমীয়াৰ পৰা বিশ্বৰ আন আন ভাষালৈ আৰু জনগোষ্ঠীয় ভাষাৰ পৰা অসমীয়া ভাষালৈ গ্ৰন্থ অনুবাদৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। উক্ত অনুষ্ঠানটোৰ আৰম্ভণিতে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পাছতে উক্ত অনুষ্ঠানত সন্মানীয় অতিথিৰূপে শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্তই ভাষণ প্ৰদান কৰি ইণ্টাৰনেট, ছ'চিয়েল মিডিয়াৰ আগ্ৰাসন ঘটিলেও সমাজত গ্ৰন্থৰ সমাদৰ ম্লান পৰা নাই বুলি উল্লেখ কৰে। তেওঁ কয়, 'কেৱল উপন্যাস, গল্প তথা কবিতা পুথিৰ আধাৰত এখন সমাজৰ উত্তৰণ সম্ভৱ নহয়। সৃষ্টিশীল সাহিত্যৰ লগতে জ্ঞানকেন্দ্ৰিক, গৱেষণালব্ধ গ্ৰন্থৰো সমাদৰ হ'ব লাগে। এনে গ্ৰন্থইহে প্ৰজ্ঞাৰ বাট মুকলি কৰে।' ড° মহন্তই লগতে শ্ৰীমন্ত শংকৰদেৱে ভক্তি আন্দোলনৰ স'তে সাহিত্যৰ সংযোগ ঘটাই অসমীয়া সমাজ নিৰ্মাণ কৰিছিল বুলি কয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই নতুন প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰিবলৈ অভিভাৱকসকলক আহ্বান জনায়। তেওঁ কয়, 'নৱ প্ৰজন্মই যদি কিতাপ নপঢ়ে তাৰ বাবে জগৰীয়া অভিভাৱক সমাজ। কিয়নো বুঢ়ী আইৰ সাধু অথবা এখন অসমীয়া বাতৰি কাকত পঢ়াৰ বাবে আমি তেওঁলোকক হাতত তুলি দিছো জানো? আমি নিশিকালে কোনে শিকাব। গ্ৰন্থৰ জৰিয়তে টাইম ট্ৰেভেল কৰিব পাৰি। আমাৰ মাজৰ পৰা হেৰাই যোৱা এজন মানুহক তেওঁৰ সময়ক ধৰি ৰাখে এখন গ্ৰন্থই। যাৰ জৰিয়তে আমি সেই সময়লৈ ঘূৰি যাব পাৰো।' তেওঁ কিতাপ পঢ়াৰ প্ৰতি নতুন প্ৰজন্মৰ মাজত ধাউতি জগাই তুলিব পাৰিলেহে গ্ৰন্থৰ ভৱিষ্যত সুৰক্ষিত হ'ব বুলি উল্লেখ কৰে। লেখকসকলক পাঠকৰ উপযোগী বা মনৰ চাহিদা পূৰণ কৰিব পৰা গ্ৰন্থ সৃষ্টি কৰিবলৈ আহ্বান জনায়। বিশ্বজুৰি চলি থকা নতুন নতুন বিষয়ৰ কিতাপ অসমীয়া ভাষাত প্ৰকাশৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব বুলি উল্লেখ কৰি সাম্প্ৰতিক সময়ৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি কিতাপৰ সোৱাদ দিয়াৰ লগতে ই-বুকৰ সুবিধাও দিব পাৰিব লাগিব বুলি মন্তব্য কৰে। অসমীয়া ভাষা মাতৃভাষাৰ পৰা বিশ্বস্তৰলৈ নিব পাৰিব লাগিব বুলিও তেওঁ কয়। উক্ত অনুষ্ঠানত অসম প্ৰকাশন পৰিষদে নতুনকৈ প্ৰকাশ কৰা আঠখন গ্ৰন্থ উন্মোচন কৰা হয়। উন্মোচন কৰা গ্ৰন্থকেইখন হ'ল ৰক্তিম পাটৰৰ 'মহাৰাজা পৃথু', ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠ সম্পাদিত 'আসাম বিলাসিনী', প্ৰাণজিত বৰা সম্পাদিত 'নৰকান্ত বৰুৱা ৰচনাৱলী', ড° অঞ্জলি শৰ্মা সম্পাদিত 'নলিনী বালা দেৱীৰ ৰচনাৱলী', ড° দীপক কুমাৰ শৰ্মা অনূদিত 'শংকৰাচাৰ্যৰ বিবেক চূড়ামণি', ড° অমিয়া ৰাজবংশী অনূদিত 'ডাৰউইনৰ দ্য অৰিজিন অৱ স্পেচিছ'ৰ অসমীয়া অনুবাদ 'প্ৰজাতিৰ উৎপত্তি', ড° দীপ্তি ফুকন পাটগিৰি অনূদিত 'শৰদিন্দু বন্দ্যোপাধ্যায়ৰ তুংগভদ্ৰাৰ পাৰত' আৰু ড° ভূপেন ৰায় চৌধুৰী অনূদিত 'ভাৰতীয় সংস্কৃতিৰ বিশ্ব জিলিঙনি'। ইপিনে, উদ্বোধনী অনুষ্ঠানত 'বঙল বহু দূৰ' শীৰ্ষক উপন্যাসৰ বাবে লেখিকা ডাঃ নন্দিতা দেৱী আৰু গ্ৰন্থখন প্ৰকাশৰ বাবে জ্যোতি প্ৰকাশনৰ স্বত্বাধিকাৰী নগেন শৰ্মাক '২০২১ বৰ্ষৰ প্ৰকাশন পৰিষদ সাহিত্য বঁটা' প্ৰদান কৰা হয়। উক্ত দুয়োটা বঁটাত আছে মানপত্ৰ, গ্ৰন্থৰ টোপোলা আৰু দুই লাখকৈ টকাৰ চেক। বঁটা প্ৰসংগত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে অহা বছৰ শ্ৰেষ্ঠ সাহিত্য বঁটাৰ বাবে ধনৰ পৰিমাণ বৃদ্ধি কৰি পাঁচ লাখ টকাকৈ প্ৰদানৰ চেষ্টা কৰা হ'ব বুলি উল্লেখ কৰে। উক্ত প্ৰক্ৰিয়াত পাঠকৰ ভোট গ্ৰহণৰ ব্যৱস্থা কৰাৰ লগতে নিৰ্বাচিত জুৰীয়ে লোৱা সিদ্ধান্তৰ ভিত্তিত এই বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানটোত প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা, শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সভাপতি ইমৰাণ আহমেদকে আদি কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

আৰম্ভণি দিনটোতেই গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থপ্ৰেমীৰ সমাবেশ ঘটে। পুহমহীয়া শীতৰ আমেজ লৈ উৎসাহী লেখক, পাঠকে গ্ৰন্থমেলাৰ পৰিৱেশ জীপাল কৰে। সন্ধিয়ালৈ গ্ৰন্থৰ বিপণীসমূহত গ্ৰন্থপ্ৰেমীয়ে ভিৰ কৰে। গ্ৰন্থমেলাৰ প্ৰথম দিনটোতেই হোৱা এনে ভিৰৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰন্থৰ বিক্ৰী সন্তোষজনক হ'ব বুলি প্ৰকাশন গোষ্ঠীসমূহে আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে অসম গ্ৰন্থমেলাত গুৱাহাটীৰ লগতে বিভিন্ন প্ৰান্তৰ ১৫০টা প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত বাংলাদেশৰ ১০টা, দিল্লীৰ ১০টা আৰু কলকাতাৰ পাঁচটা প্ৰকাশন গোষ্ঠী আছে। ইপিনে, সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী তথা যুৱ কল্যাণ আৰু ক্ৰীড়া উন্নয়ন বিভাগৰ সদস্য সচিব পৱিত্ৰ মাৰ্ঘেৰিটাই। অনুষ্ঠানটোত ওদালগুৰিৰ বাৰেৰহণীয়া সাংস্কৃতিক মঞ্চ আৰু গুৱাহাটীৰ চন্দ্ৰপ্ৰভা শইকীয়ানী কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শিল্পীসকলে অনুষ্ঠান পৰিৱেশন কৰে।

■ আজিও নিৰ্মাণ নহ'ল ভৱন ■ ২০২০ৰ পৰাই অস্থায়ীভাৱে চলি আছে পাঠদান

# অনিশ্চয়তাত ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়

**ডুমডুমা, ২৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ শিক্ষা মন্ত্ৰী হৈ থকা সময়তে ঘোষণা কৰা আদৰ্শ মহাবিদ্যালয় সম্পূৰ্ণ হৈ নুঠাত ৰাইজ চিন্তিত হৈছে। তিনিচুকীয়া জিলাৰ ডুমডুমাত প্ৰস্তাৱিত বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালয় তিনিচুকীয়া জিলা প্ৰশাসনৰ হেমাহিৰ বাবেই আজিও সম্পূৰ্ণ হৈ উঠা নাই। বীৰ ৰাঘৱ মৰাণ কলেজৰ বাবে ভূমি আবন্টন হোৱাৰ পাছতো উক্ত ভূমিত আজি পৰ্যন্ত ভৱন নিৰ্মাণ নহ'ল। উক্ত ভূমি ল'ব নোৱাৰি বুলি প্ৰশাসনে পুনৰ অন্য এডোখৰ ভূমি নিৰ্বাচন কৰিছে। উল্লেখ্য যে বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালয়ত অধ্যক্ষ, অধ্যাপক নিযুক্তি প্ৰক্ৰিয়া কৰি পাঠদান চলাই আছে। যোৱা ২৫ আগষ্টত নতুনকৈ প্ৰতিষ্ঠা কৰা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমাত অস্থায়ীভাৱে ২০২০ৰ পৰাই পাঠদান কৰি আছে। সকলো থকাৰ পাছতো মডেল কলেজৰ ভৱন নিৰ্মাণ নকৰা বিষয়টোৱে সকলোকে আচৰিত কৰি তুলিছে। তিনিচুকীয়া জিলা প্ৰশাসনৰ অৱহেল্যে বাবেই বিধানসভাত গৃহীত আৰু অনুমোদিত আদৰ্শ মহাবিদ্যালয়ৰ নিৰ্মাণ আজিকোপতি হোৱা নাই বুলি ডুমডুমাৰ শৈক্ষিক মহলত চৰ্চা হৈছে। চৰকাৰে ঘোষণা কৰাৰ পাছতো খোদ তিনিচুকীয়া জিলা প্ৰশাসনৰ হেমাহিৰ বাবেই বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালয় হৈ নুঠাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। এই মহাবিদ্যালয়খন সম্পূৰ্ণ হ'লে ডুমডুমা অঞ্চলৰ লগতে তিনিচুকীয়া জিলাৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰি অভাৱ হৈ থকা আসনৰ সমস্যা দূৰ কৰিব। অসমীয়া জাতীয় জীৱনৰ অন্যতম বীৰ পুৰুষ বীৰ ৰাঘৱ মৰাণৰ নামত প্ৰতিষ্ঠিত চৰকাৰী আদৰ্শ মহাবিদ্যালয়খন পূৰ্ণাংগ ৰূপত কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখা প্ৰৱৰ্তন কৰিলে ডুমডুমা অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীক সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব পৰা যাব বুলি সদৰী কৰিছে। উল্লেখ্য যে আদৰ্শ মহাবিদ্যালয়খন নিৰ্মাণ কৰিবলৈ পূৰ্বতে আবণ্টন দিয়া ভূমিত নিৰ্মাণ কৰিব পৰা নাযায় বুলি প্ৰশাসনে উল্লেখ কৰি পুনৰ অন্য এডোখৰ ভূমি নিৰ্বাচন কৰিছে; কিন্তু উক্ত ভূমিও প্ৰদান কৰাৰ ক্ষেত্ৰত স্থানীয় লোকে আপত্তি প্ৰদৰ্শন কৰিছে। সেয়ে কেতিয়ালৈকে ভৱন নোহোৱাকৈ পাঠদান চলি থাকিব সেয়া নুবুজা হৈ পৰিছে। গভীৰ অনিশ্চয়তাৰ দিশলৈ গতি কৰিছে ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়।



*মৰাণত অবৈধ চুলাইৰ ঘাটী উচ্ছেদ আৰক্ষীৰ, বুধবাৰে।*

■ ভৱানীপুৰত পৰিবহণ বিভাগ আৰক্ষীৰ যুটীয়া অভিযান

## বজাৰত যান-বাহন আইন ভংগকাৰীক বিহিলে জৰিমনা

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২৯ ডিচেম্বৰ ঃ** নৱবৰ্ষক আদৰাৰ প্ৰাক্ক্ষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে যান বাহন আইন ভংগকাৰীৰ বিৰুদ্ধে অধিক কঠোৰ হৈ পৰিছে আৰক্ষী তথা পৰিবহণ বিভাগ। কালি ভৱানীপুৰ চ'ক বজাৰত ভৱানীপুৰ আৰক্ষীৰ সহযোগত বৰপেটা পৰিবহণ বিভাগে যুটীয়া অভিযান চলায় আইন ভংগকাৰীৰ বিৰুদ্ধে। বৰপেটা পৰিবহণ বিভাগৰ সহকাৰী প্ৰৱৰ্তক পৰিদৰ্শক মোহন ৰায়ৰ নেতৃত্বত ভৱানীপুৰ আৰক্ষীৰ সহযোগত ভৱানীপুৰ চ'ক বজাৰত মটৰ চাইকেল, চাৰিচকীয়া বাহন, বাছ আদি পৰ্যবেক্ষণ তথা তালাচী চলায়। মটৰ চাইকেলৰ চালক তথা আৰোহীয়ে হেলমেট পৰিধান নকৰাৰ বাবে আৰু চাৰিচকীয়া বাহনত ছিটবেল্ট নলগোৱাৰ বাবে জৰিমনা বিহা হয়। অভিযানৰ সময়ছোৱাত প্ৰায় লক্ষাধিক টকাৰ জৰিমনা বিহাৰ লগতেই অৰ্ধশতাধিক গোচৰ ৰুজু কৰে। নৱবৰ্ষৰ প্ৰাক্ক্ষণত দুৰ্ঘটনা ৰোধৰ বাবে পৰিবহণ বিভাগ তথা আৰক্ষীয়ে এই কঠোৰ পদক্ষেপ গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে বৰপেটা পৰিবহণ বিষয়া অপূৰ্ব কুমাৰ দাসে।

## ৰূপাইত সন্মিলিত মহাসংঘৰ আঞ্চলিক সমিতি গঠন

**ডুমডুমা, ২৯ ডিচেম্বৰ ঃ** যোৱা ২৫ ডিচেম্বৰত ডুমডুমাৰ সমীপৰ ৰূপাই তপোবনত সন্মিলিত মহা সংঘৰ এখন সভা অনুষ্ঠিত হয়। সভাত সঞ্চালনা কৰে লম্বেশ্বৰ মৰাণে। সভাত সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। খিলঞ্জীয়া জনগোষ্ঠীসমূহে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিব পৰাকৈ ন্যায্য প্ৰাপ্তিৰ বাবে আগবাঢ়ি যোৱা উচিত বুলিও ৰহমানে মন্তব্য কৰে। উক্ত সভাতে জগন্নাথ সোণোৱালক সভাপতি, শ্যামলী গগৈক কাৰ্যকৰী সভাপতি, মৃণাল মৰাণক সাধাৰণ সম্পাদকৰূপে লৈ ১১ জনীয়া ডুমডুমা আঞ্চলিক সমিতি গঠন কৰা হয়।

## লাহৰীঘাটত গাঞ্জাসহ আটক এজন

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট, ২৯ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীয়ে সম্প্ৰতি অব্যাহত ৰাখিছে ড্ৰাগছ, গাঞ্জাৰ লগতে অন্যান্য নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিযান। লাহৰীঘাট আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন লোকক আটক কৰিবলৈ সক্ষম হৈছে। লাহৰীঘাট থানাৰ অন্তৰ্গত কাঠনিক তৰাবড়ী গাঁৱৰ পৰা নিশা বিশেষ খবৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই হাতে-লোটে এক কেজি দুশ গ্ৰাম গাঞ্জাসহ ব্যৱসায়ীজনক আটক কৰে। ধৃত গাঞ্জা ব্যৱসায়ীজন তৰাবড়ীৰ গাঁৱৰ সুভাষ দাস (৩২)। ব্যক্তিজনৰ স্বীকাৰোক্তিৰ ভিত্তিত আজি দিনত পুনৰ অভিযান চলাই তিনি কেজি আঠশ গ্ৰাম গাঞ্জা জব্দ কৰে আৰক্ষীয়ে। উল্লেখ্য যে সুভাষ বহুদিনৰ পৰা গাঞ্জাৰ ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আছিল।

## হাজো ব্লক কংগ্ৰেছৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৯ ডিচেম্বৰ ঃ** স্বাধীন ভাৰতৰ প্ৰথমটো ৰাষ্ট্ৰীয় ৰাজনৈতিক দল ভাৰতীয় জাতীয় কংগ্ৰেছে যোৱা ২৮ ডিচেম্বৰত ১৩৭টা বৰ্ষ অতিক্ৰম কৰিলে। সমগ্ৰ দেশ তথা ৰাজ্যৰ সমান্তৰালকৈ হাজোৰ ৰাজীৱ ভৱনতো ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত ভাৰতীয় জাতীয় কংগ্ৰেছৰ দলীয় পতাকা উত্তোলন কৰে হাজো ব্লক কংগ্ৰেছৰ সভাপতি ৰুবুল আলীয়ে। ইয়াৰ পাছতে এখন সভা অনুষ্ঠিত হয়। সভাত কংগ্ৰেছৰ নীতি-আদৰ্শৰ ওপৰত পৰ্যালোচনাৰ ৰূপায়ণৰে গঠনমূলক আলোচনা কৰা হয় আৰু আগন্তুক দিনত বিৰোধীক পৰাস্ত কৰি কংগ্ৰেছে শক্তিশালী ৰূপত শাসনত অধিষ্ঠিত হৈ চৰকাৰ গঠন কৰিব বুলি মন্তব্য কৰে হাজো ব্লক কংগ্ৰেছৰ সভাপতি ৰুবুল আলীয়ে। তদুপৰি কাৰ্যসূচীত প্ৰায়সংখ্যক দলীয় কাৰ্যকৰ্তা তথা বিষয়ববীয়া অংশগ্ৰহণ কৰে।




*ডিগবৈত কংগ্ৰেছৰ ১৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণকাৰী একাংশ দলীয় কৰ্মী।*

## বনভোজৰ পৰিৱৰ্তে নিমপুলি ৰোপণেৰে বছৰ বিদায়

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৯ ডিচেম্বৰ ঃ** বনভোজ খাবলৈ ঢাপলি মেলাৰ সময়ত অভিনৱ চিন্তাৰে চাৰি জিলা প্ৰতিনিধি সমন্বিত নিমপুলি প্ৰাকৃতিক সংস্থাৰ স্বেচ্ছাসেৱী একাংশই নামঘৰত নিমপুলি ৰোপণেৰে ২০২১ক বিদায় দিয়াৰ ব্যৱস্থা কৰে। অঞ্চলৰ মাউত গাঁও বৰুৱা পুখুৰীৰ দুভাগ আৰু ডাঁহীখোৰ ডেকাচুক নামঘৰত যোৱা ২৬ ডিচেম্বৰত প্ৰাকৃতিক সংস্থাৰ সমন্বয়সকলে পুলি ৰোপণ আৰু বিতৰণ কৰে। সমাজকৰ্মী যুৱক প্ৰাণজিৎ গগৈৰ যোগসূত্ৰত নামঘৰৰ সেৱক গুণাৰাম হাতীবৰুৱা, যতীন গগৈ, ঘনকান্ত গগৈ, অনিল গগৈ, জয়ন্ত গগৈ, দীপক গগৈ, মাধুৰ্য হাতীবৰুৱা আদি আগবাঢ়ি আহে। নিমপুলিৰ হৈ প্ৰকৃতিপ্ৰেমী লক্ষেশ্বৰ গগৈ, সৃষ্টিপ্ৰাণ বিনোদ গগৈ, পঞ্চায়তসেৱী প্ৰদীপ বৰাই নিমৰ ঔষধি গুণ, ভিন্ন প্ৰান্তৰ লোকৰ আন্তৰিক সমন্বয়ৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। লখিমী কবি থানেশ্বৰ বৰাই জীয়াতে জীয়া মানুহে মানুহক জীৱন্তে জ্বলাই থোৱা, মৰিলে জ্বলাবলৈ একো নৰখা সন্দৰ্ভত কবিতাৰে বুজাই দিয়ে। পুলি যোগান ধৰে নয়ন পুলি ক্ষেত্ৰৰ নয়নমণি গগৈয়ে। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ পূব যোৰহাট আঞ্চলিক সমিতি আৰু স্থানীয় একাংশ লোকৰ স'তে মত বিনিময় হয়। প্ৰকৃতি অনুৰাগী নিমপুলিৰ সমন্বয়কসকল বনভোজ খোৱাতকৈ এনেদৰে প্ৰকৃতিৰ হৈ কিছু সময় দিয়াতহে অধিক আনন্দিত হয়।

## অৱসৰপ্ৰাপ্ত কনিষ্ঠ অভিযন্তা কনক চন্দ্ৰ কলিতাৰ স্মৃতিচাৰণ সভা

**অগ্ৰদূত বাৰ্তা**
**নামতি, ২৯ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি বিধানসভা সমষ্টিৰ নামতিৰ পুৰণি লুণপুৰীয়াৰ বাসিন্দা তথা বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কনিষ্ঠ অভিযন্তা প্ৰয়াত কনক চন্দ্ৰ কলিতাৰ এখন স্মৃতিচাৰণ সভা কালি পুৰণি লুণপুৰীয়াৰ নিজ গৃহত অনুষ্ঠিত হয়। সুন্ধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাৰ আঁত ধৰে ৰুণুমী গায়নে। ক'ভিড পৰিস্থিতিৰ বাবেই স্মৃতিচাৰণ সভা পলমকৈ অনুষ্ঠিত হয়। এই সভাতেই গীতাশ্ৰী কলিতাৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ কনক সুৱাগ উন্মোচন কৰে ৰুণুমী গায়নে। সভাত উপস্থিত থকা জ্যেষ্ঠ ব্যক্তিসকলে প্ৰয়াত কনক চন্দ্ৰ কলিতাৰ কৰ্মৰাজিৰ লগতে সামাজিক কাম-কাজত থকা অগ্ৰণী ভূমিকাৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। উল্লেখ্য যে স্মৃতিগ্ৰন্থখনৰ নাম গুৱাহাটীৰ লেখক অৰূপ চন্দ্ৰ গোস্বামীয়ে নিৰ্বাচন কৰি দিয়া বুলি পৰিয়ালৰ লোকে সদৰী কৰিছে।

## বৰহোলা মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছুৰ বিজয়

**বিশেষ সংবাদদাতা**
**নগাবাট, ২৯ ডিচেম্বৰ ঃ** বৰহোলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২১-২২ৰ কালি অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত নৱম বাৰলৈ আছুৰ জয়যাত্ৰা অব্যাহত থাকে। নিৰ্বাচনত বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ সমৰ্থিত প্ৰাৰ্থীৰ সভাপতি, সম্পাদক পদৰ লগতে মুঠ ছটাকৈ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই পাঁচটাত অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীক পৰাজিত কৰি বিজয় সাব্যস্ত কৰে। আনহাতে, ছাত্ৰ একতা সভাৰ অন্য আঠটাকৈ পদত আছু সমৰ্থিত প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। বিজয়ীপ্ৰাৰ্থীসকল ক্ৰমে সভাপতি দীপ শইকীয়া, সম্পাদক সুব্ৰত ৰাজকুমাৰ সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি গগৈ আলোচনী সম্পাদক লিজা বৰা, সাংস্কৃতিক সম্পাদিত প্ৰিয়াজ্যোতি হাজৰিকা, আন্তঃক্ৰীড়া সম্পাদক লোচন দত্ত, বহিঃক্ৰীড়া সম্পাদক গুণীন বুঢ়াগোহাঁই, বিতৰ্ক সম্পাদক দীপ দাস, সমাজসেৱা সম্পাদক চুমি সোণোৱাল, ছাত্ৰ জিৰণি কোঠা সম্পাদক দিব্যজ্যোতি চুতীয়া, ছাত্ৰী জিৰণি কোঠা সম্পাদক দিক্ষিতা সোণোৱাল, শ্ৰেণী প্ৰতিনিধি ক্ৰমে ডিম্মি শইকীয়া আৰু বুনু তামাং। উল্লেখ্য যে বিজয়ী আটাইকেইগৰাকী প্ৰাৰ্থীলৈ, তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য পাঠক, যোৰহাট জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি মানৱ সোণোৱাল, কাৰ্যনিৰ্বাহক বিপ্লৱ সোণোৱাল, বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰজ্যোতি নেওগ, সম্পাদক প্ৰদীপ বৰুৱাই শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি কয় যে সকলোৱে আগন্তুক দিনত বৰহোলা মহাবিদ্যালয়ক এখন জাকত-জিলিকা মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ চেষ্টা অব্যাহত ৰখা উচিত। লগতে তেওঁলোকক অঞ্চলটোৰ আৰু জাতিৰ বিপদৰ সময়ত সক্ৰিয়তাৰে আগবাঢ়ি আহিবলৈ আহ্বান জনায় তিতাবৰ মহকুমা আৰু বৰহোলা আঞ্চলিকৰ আছু কৰ্মীসকলে।

## ৰাষ্ট্ৰীয় পেৰেডত অংশগ্ৰহণ কৰিব ডুমডুমাৰ ছাত্ৰই

**ডুমডুমা, ২৯ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা মহাবিদ্যালয়ৰ দুজন ছাত্ৰ আগন্তুক গণৰাজ্য দিৱসৰ পেৰেডত ভাগ লোৱাৰ বাবে নিৰ্বাচিত হোৱাৰ খবৰে ডুমডুমাৰ লগতে তিনিচুকীয়া জিলাবাসীক উৎফুল্লিত কৰিছে। ছাত্ৰ দুজন ক্ৰমে দ্বীপজ্যোতি বুঢ়াগোহাঁই আৰু মহৰ্ষি কলিতা। দুয়োজন ছাত্ৰই ইতিমধ্যে ভাৰত চৰকাৰৰ পৰা আমন্ত্ৰণ পত্ৰ লাভ কৰিছে। দুয়োজন ছাত্ৰই ইতিমধ্যে ভাৰত চৰকাৰৰ পৰা আমন্ত্ৰণ পত্ৰ লাভ কৰিছে। দ্বীপজ্যোতি বুঢ়াগোহাঁই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ পৰা আৰু মহৰ্ষি কলিতা ৰাষ্ট্ৰীয় সেৱা যোজনাৰ তৰফৰ পৰা নিৰ্বাচিত হৈছে। দুয়োজন ছাত্ৰ সম্প্ৰতি নতুন দিল্লীত উপস্থিত হৈ অনুশীলন অব্যাহত ৰাখিছে।

## নাহৰকটীয়াত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ২৯ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস নাহৰকটীয়া শাখা সাহিত্য সভাৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত যোৱা ২৭ ডিচেম্বৰত নাহৰকটীয়া শাখা সাহিত্য সভাৰ কাৰ্যালয়ত পালন কৰে। পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সাহিত্য সভাৰ 'সভাপতি প্ৰশান্ত গগৈয়ে। বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক তথা শাখাৰ জ্যেষ্ঠ সদস্য জয়ানন্দ বৰুৱা আৰু শাখাৰ সভাপতি প্ৰশান্ত গগৈয়ে। অনুষ্ঠানত অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অজয় সিংহ, ডিব্ৰুগড় জিলা সাহিত্য সম্পাদক পৰমেশ্বৰ নলবৰীয়া, নাহৰকটীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিনতি দত্ত বৰুৱা, ৰেজিয়া বেগম, কাৰ্যনিৰ্বাহক কুমুদ শৰ্মা আদিয়ে। অনুষ্ঠানৰ আঁত ধৰে শাখাৰ সম্পাদক উমানন্দ গগৈয়ে।

## ডিগবৈত কংগ্ৰেছৰ ১৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ডিগবৈ, ২৯ ডিচেম্বৰ ঃ** সৰ্বভাৰতৰ লগতে তিনিচুকীয়া জিলাৰ ডিগবৈতো ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰে। হাপজান ব্লক কংগ্ৰেছৰ উদ্যোগত ডিগবৈ ৰাজীৱ ভৱনত আয়োজন কৰা প্ৰতিষ্ঠা দিৱসত পতাকা উত্তোলন কৰে সভাপতি ভাস্কৰ জীৱন বৰুৱাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দলৰ কে'বাজনো বয়োজ্যেষ্ঠ দলীয় কৰ্মীক সম্বৰ্ধনা জনোৱাৰ লগতে স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্যসূচীত উপস্থিত থাকে তিনিচুকীয়া জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি জয়ন্ত কলিতা, হাপজান ব্লক কংগ্ৰেছৰ উপ-সভাপতি শুযেন শ্বাহ, প্ৰশাসনিক সাধাৰণ সম্পাদক বিনোদ খাৰিয়া, অসম ৰাজ্যিক এন এছ ইউ আই উপ-সভাপতি বাবুল বিকাশ চেতিয়া, তিনিচুকীয়া জিলা কংগ্ৰেছ অনুসূচিত জাতি পৰিষদৰ সভাপতি মিথু ৰজক, ডিগবৈ নগৰ সমিতিৰ প্ৰাক্তন অধ্যক্ষা বন্তি চেতিয়াকে প্ৰমুখ্যে দলীয় কৰ্মীসকলে।

## ড্ৰাগছ, মদ, ভাঙৰ বিৰুদ্ধে শুৱালকুছি থানাত আছুৰ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২৯ ডিচেম্বৰ ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বংশৰ মৌজাৰ কে'বাটাও অঞ্চল শিলিগুৰি, বামুন্দী কৈৱৰ্তটোলা, হালোগাঁও, লাহআদিৰ উপৰি শুৱালকুছিতো অবৈধভাৱে মদ, ভাং, জুৱা আদিৰ লগতে এচাম দুষ্ট চক্ৰই ড্ৰাগছৰ ব্যৱসায় কৰি অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে বহুতো ছাত্ৰী-ছাত্ৰীৰ ভৱিষ্যত ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। বিশেষকৈ ভাঙৰ কৱলত পৰি সপ্তম, অষ্টম আৰু নৱম শ্ৰেণীৰ এচাম ছাত্ৰৰ জীৱনলৈ অমানিশা নামি আহিছে। সেয়েহে আজি পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই এইবোৰ নিচাযুক্ত দ্ৰব্যৰ অসাধু ব্যৱসায়ীসকলক অতি শীঘ্ৰেই উচ্ছেদ কৰাৰ উপৰি কৰায়ত্ত কৰি শাস্তি প্ৰদান কৰাৰ সন্থাই এইবোৰ নিচাযুক্ত দ্ৰব্যৰ অসাধু ব্যৱসায়ীসকলক অতি শীঘ্ৰেই উচ্ছেদ কৰাৰ উপৰি কৰায়ত্ত কৰি শাস্তি প্ৰদান কৰাৰ দাবীত শুৱালকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱকান্ত সাউদৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰ প্ৰদান কৰাৰ সময়ত আছুৰ দলটোত আছিল কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সুৰজিৎ কলিতা, আঞ্চলিকৰ উপদেষ্টা ধনজিৎ কুমাৰ নাথ, অনুপ দাস, দেৱাশীষ শৰ্মা, প্ৰাঞ্জল কলিতা পাপু শালৈ, বিজয় দাস আদিয়ে।

## হাজোৰ ক্ষেত্ৰীহাৰদিয়াত জাতীয় বিদ্যালয়ৰ বিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৯ ডিচেম্বৰ ঃ** হাজোৰ ক্ষেত্ৰীহাৰদিয়াস্থিত শিক্ষানুষ্ঠানৰ কেচিকে জাতীয় বিদ্যালয়ৰ সপ্তম বাৰ্ষিক বিদ্যালয় সপ্তাহৰ কালি মুকলি কৰা হয়। পুৱাৰ ভাগত পতাকা উত্তোলন, গছপুলি ৰোপণৰে অনুষ্ঠানৰ আৰম্ভ হয়। চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া বাৰ্ষিক সপ্তাহ উপলক্ষে অনুষ্ঠিত সাংস্কৃতিক শোভাযাত্ৰাৰ কালি উদ্বোধন কৰে ক্ষেত্ৰীহাৰদিয়া গাঁও পঞ্চায়তৰ সভাপতি মৃণাল কলিতাই। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰম্পৰাগত সাজপাৰেৰে সাংস্কৃতিক শোভাযাত্ৰাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কাৰ্যসূচীত উপস্থিত থাকে বিদ্যালয় পৰিচালনা সমিতিৰ শৈক্ষিক দিশ পৰ্যবেক্ষক দেৱেশ্বৰ বৈশ্য, প্ৰতিষ্ঠাপক অধ্যক্ষ পৰশমণি কলিতা, কাৰ্যকৰী অধ্যক্ষ বৰুণ তালুকদাৰ, উপাধ্যক্ষ তপন কলিতা, অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীবৃন্দৰে প্ৰমুখ্যে প্ৰায় সংখ্যক ব্যক্তি।

## জামুগুৰি আৰক্ষীয়ে মঙলবৰীয়াত জব্দ কৰিলে অবৈধ সুৰা-জুৱা খেলৰ সামগ্ৰী

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৯ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটত সুৰাসক্ত চালকেই নহয় অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে জামুগুৰি আৰক্ষীয়ে। কালি বিয়লি জামগুৰি আৰক্ষীয়ে এক খবৰৰ ভিত্তিত জামগুৰিহাটৰ মঙলবৰীয়া অঞ্চলৰ এখনৰ দোকানত বিক্ৰীৰ বাবে মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাৰ বটল আৰু বিয়েৰ জব্দ কৰে। লগতে আৰক্ষীয়ে মঙলবৰীয়া সাপ্তাহিক বজাৰত চুলাই আৰু চুলাই বনোৱা সামগ্ৰী নষ্ট কৰাৰ লগতে অবৈধভাৱে চলোৱা মুৰ্গী যুঁজৰ জুৱা খেল উৎখাত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে জামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কবিৰ লিম্বু আৰু কল্পজ্যোতি বৰাই নৱবৰ্ষৰ পূৰ্বে এই অভিযান অধিক তীব্ৰতৰ হ'ব বুলি কয়।

## শিশু বিজ্ঞান সমাৰোহলৈ নিৰ্বাচিত বাগ্‌সা উপায়ুক্তৰ সম্বৰ্ধনা

**বৰমা, ২৯ ডিচেম্বৰ ঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ উদ্যোগত যোৱা ছয়, সাত আৰু আঠ ডিচেম্বৰত অনুষ্ঠিত ২৯ সংখ্যক ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহত বাগ্‌সা জিলাৰ গোৰেশ্বৰ ছোৱালী হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী শিখামনি চৌধুৰী আৰু স্বপ্না সৰকাৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহলৈ নিৰ্বাচিত হোৱাত আনন্দ প্ৰকাশ কৰি জিলা উপায়ুক্ত আয়ুষ গাৰ্গে যোৱা ২৭ ডিচেম্বৰত শৰাই, কিতাপৰ টোপোলা, আৰণাই, গামোচাৰে সম্বৰ্ধনা জনায়। 'বহনক্ষম জীৱন যাপনৰ বাবে বিজ্ঞান' শীৰ্ষক বিষয়ৰ লগত সংগতি ৰাখি 'বীজ মজুতকৰণৰ পৰম্পৰাগত পদ্ধতি আৰু ইয়াৰ যোগ্যতা নিশ্চিত কৰা' বিষয়ৰ ওপৰত প্ৰকল্প উপস্থাপন কৰি ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহলৈ নিৰ্বাচিত হোৱা শিখাৰ স'তে উপায়ুক্তই এক ঘণ্টা মতবিনিময় কৰে। তেওঁক জিলাৰ পৰা সকলো ধৰণৰ সহায়-সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰাৰ লগতে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ বাবে ভালকৈ প্ৰস্তুতি চলাবলৈ প্ৰেৰণা যোগোৱাৰ উপৰি জীৱনত এক সুপ্ৰতিযোগিতামূলক দৃষ্টিভংগীৰে আগুৱাই যাবলৈ উপদেশ দিয়ে উপায়ুক্তই।

## গোৱালপাৰা জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ২৯ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ বালিজানা গাঁও পঞ্চায়তৰ সভাগৃহত যোৱা ২৭ ডিচেম্বৰত গোৱালপাৰা জিলাৰ গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাতে জিলা সমিতিৰ নতুন সমিতি গঠন কৰা হয়। আনন্দ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বলেন্দ্ৰ কলিতাই। সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাতুল শৰ্মাই গ্ৰাম্য ঔষধ ব্যৱসায়ীসকলৰ বিভিন্ন সমস্যা সমাধানৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক শ্যামল মহনে সংগঠনৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কত বক্তব্য প্ৰদান কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সম্পাদক পৱন ৰাজবংশী, সহকাৰী সম্পাদক দুৰ্যোধন পাটোৱাৰীয়ে সংগঠনটোৰ দায়বদ্ধতাৰ ওপৰত বক্তব্য ৰাখে। উক্ত সভাতে উপস্থিত সদস্যসকলৰ সৰ্বসন্মতিক্ৰমে আনন্দ বৰ্মনক সভাপতি, বুলেন্দ্ৰ কলিতাক উপ-সভাপতি, বাপন ৰায়ক মুখ্য সম্পাদক, গোপাল কাৰ্কীক সহ-সম্পাদক আৰু মহন্ত বৰ্মনক কোষাধ্যক্ষ হিচাপে লৈ ৩১ জনীয়া সদস্যৰে গোৱালপাৰা জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ পূৰ্ণাংগ জিলা সমিতিখন গঠন কৰা হয়।

## ফৰকাটিঙত বিজেপিৰ পৰিচয় পৰ্ব অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২৯ ডিচেম্বৰ ঃ** গোলঘাট জিলা বিজেপিৰ অন্তৰ্গত পদুমণি মণ্ডল সমিতিৰ পৰিচয় পৰ্ব অনুষ্ঠান কালি ফৰকাটিং ইনড'ৰ ষ্টেডিয়ামৰ সভাকক্ষত সম্পন্ন হয়। উল্লেখ্য যে পদুমণি মণ্ডল বিজেপিৰ সভাপতি সুশান্ত হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত পৰিচয়পৰ্ব সভাখনত অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগ, বিজেপি নেত্ৰী ৰাজশ্ৰী বৰা, ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি দেৱজিত বৰা, অসম প্ৰদেশ বিজেপিৰ টিভি পেনেলিষ্ট জয়ন্ত কুমাৰ গোস্বামীয়ে পৰিচয় পৰ্বৰ বিষয়ে বিস্তৃত আলোকপাত কৰে। পদুমণি মণ্ডল সমিতিৰ সম্পাদক পূৰ্ণ কান্ত শইকীয়াই আঁত ধৰা অনুষ্ঠানত ২৫০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

## শিমলুগুৰিৰ ৰাওনা পথাৰত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২৯ ডিচেম্বৰ ঃ** নাজিৰা মহকুমাৰ শিলমুগুৰিৰ ৰাওনা পথাৰত আজি অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। শিমলুগুৰি অঞ্চলৰ ৰাওনা পথাৰত দুষ্কৃতিকাৰীয়ে পথাৰৰ নৰাত জুই লগাই দিয়াৰ ফলত বিস্তৃত অঞ্চললৈ বিয়পি পৰে। স্থানীয় ৰাইজে অগ্নি নিৰ্বাপণৰ বাবে প্ৰচেষ্টা চলাই যদিও ব্যৰ্থ হয়। পাছত এখন অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডাৰ ফলত পথাৰৰ নৰাৰ লগতে ভৰলুৱা গাঁৱৰ বহুকেইটা পৰিয়ালৰ বাৰীৰ গছ-গছনি অগ্নিকাণ্ডত জাহ যায়।

■ সাত, আঠ আৰু ন জানুৱাৰীত নগাঁও জিলাৰ ধিঙৰ নিকটৱৰ্তী বালিচৰাত অনুষ্ঠিত হ'ব অনুষ্ঠান

## নদীকেন্দ্ৰিক পৰ্যটন-অৰ্থনৈতিক উন্নয়নৰ লক্ষ্যৰে ধিঙত 'লুইত উৎসৱ'ৰ আয়োজন

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৯ ডিচেম্বৰ ঃ** সামাজিক সাংস্কৃতিক অনুষ্ঠান 'চিহ্ন'ৰ ব্যৱস্থাপনাত নদীকেন্দ্ৰিক পৰ্যটন, কৃষি, ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক উন্নয়নৰ লক্ষ্যৰে অহা ছয়, সাত, আঠ আৰু ন জানুৱাৰীত নগাঁও জিলাৰ ধিঙৰ নিকটৱৰ্তী বালিচৰাত বৰ্ণাঢ্য কাৰ্যসূচীৰে 'লুইত উৎসৱ' শীৰ্ষক এখন নৈপৰীয়া উৎসৱৰ আয়োজন কৰা হৈছে। প্ৰত্যেক দিনাই পুৱা ন বজাৰ পৰা বিয়লি চাৰি বজালৈ মুকলি থাকিবলগীয়া উৎসৱত সকলো বয়সৰ ব্যক্তিৰ মনোৰঞ্জনৰ বাবে বিভিন্ন ধৰণৰ ক্ৰীড়া আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অহা ছয় জানুৱাৰীত উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি 'লুইতৰ অন্বেষণ' নামৰ এক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাত জানুৱাৰীৰ দিনা শিশুসকলৰ বাবে বিশেষকৈ বালিঘৰ সজা, টেকেলি ভঙা, প্ৰশ্নোত্তৰ আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আঠ জানুৱাৰীত 'নৈ পাৰৰ কথকতা' শীৰ্ষক অনুষ্ঠানত জ্যেষ্ঠ চিত্ৰশিল্পীসকলৰ চিত্ৰ কৰ্মশালা আৰু এখন কবি সন্মিলনীৰ ব্যৱস্থা কৰা হৈছে। উক্ত দিনাখন শিশুসকলৰ চিত্ৰাংকন আৰু কবিতা আবৃত্তিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। অন্তিম দিনাখন 'সুৰেৰে সজাম লুইতৰ পাৰ' শীৰ্ষক এক সংগীতানুষ্ঠানত বহুকেইগৰাকী শিল্পীয়ে গীতৰ শৰাই আগবঢ়াব। ইয়াৰ বাহিৰে প্ৰতিদিনাই চিলা উৰুওৱা, এটিভি বাইক চালন, ভলীবল, আৰ্চ্চাৰী, ঘোঁৰা চালন, সাঁতোৰ, ৰছীটনা আদি খেলৰ ব্যৱস্থা কৰা হৈছে। এই চাৰিটা দিনত লুইত উৎসৱ উদ্‌যাপন সমিতিয়ে সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# বঁদিয়াসিচাৰ ভূমি বেদখলৰ অভিযোগ

## ■ কামাখ্যা বাইঅ' ফুৰেলৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৮ ডিচেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীত বঁদিয়াসিচা আৰ্দ্ৰভূমিৰ ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে শিঙিমাৰী বঁদিয়াসিচা যুটীয়া কৃষি পাম সমবায় সমিতি। সমবায় সমিতিখনৰ নেতৃত্বই অভিযোগ কৰা মতে, ১৯৭০ত প্ৰতিষ্ঠা কৰা শিঙিমাৰী বঁদিয়াসিচা যুটীয়া কৃষি পাম সমবায় সমিতিখনে সেই সময়ৰ পৰা আৰ্দ্ৰভূমিখনৰ পলসুৱা মাটিত কৃষিকাৰ্য সমাপন কৰি আহিছে। ১৯৯৪ত পঞ্জীয়ন কৰা যুটীয়া সমবায়খনৰ জৰিয়তে বছৰি দুবাৰকৈ ধান, সৰিয়হ, ষ্টবেৰী আদিৰ খেতি কৰি জীৱিকা নিৰ্বাহ কৰি আছে ৫০টা পৰিয়ালে। নিৰনুৱা সমস্যাৰ বাবে যি সময়ত আত্মসংস্থাপনৰ বাবে অন্যতম দৰমহাত ৰাজ্যৰ বাহিৰলৈ মানুহৰ সোঁত বৈছে তেনে সময়ত এই আৰ্দ্ৰভূমিত কৃষিকাৰ্য সমাপন কৰি জীৱিকা নিৰ্বাহ কৰি আছে অসংখ্য পৰিয়াল। সমবায় সমিতিখনে ব্যৱহৃত কৃষিভূমিৰ খাজনাও নিয়মিতভাৱে দি আহিছিল; কিন্তু এইবেলি বিভাগীয়ভাৱে হঠাৎ তেওঁলোকৰ খাজনা লোৱাটো বন্ধ কৰে। দুবছৰ পূৰ্বে তদানীন্তন দৰং জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে শিঙিমাৰী বঁদিয়াসিচা যুটীয়া কৃষি পাম সমবায় সমিতিয়ে কৃষিকাৰ্য সমাপন কৰি থকা কৃষিভূমিত উদ্যোগ স্থাপন কৰিব দিয়া নহয় বুলি আশ্বাস প্ৰদান কৰিছিল। তাৰ পাছতো এই ভূমিত কামাখ্যা বাইঅ' ফুৰেল নামৰ এটা প্ৰতিষ্ঠানে যুদ্ধ গতিত আৰম্ভ কৰিছে ইথানল প্ৰস্তুতকাৰী উদ্যোগৰ কাম। যাৰ বাবে ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যুটীয়া সমবায়খনৰ লগতে স্থানীয় একাংশ সচেতন ৰাইজে কৃষক আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থত বঁদিয়াসিচাত ইথানল প্ৰস্তুতৰ বাবে কোম্পানী স্থাপনৰ তীব্ৰ বিৰোধিতা কৰিছে। অহা শুকুৰবাৰৰ পৰা পৰ্যায়ক্ৰমে তীব্ৰ গণতান্ত্ৰিক আন্দোলন আৰম্ভ কৰিব বুলি আজি সদৰী কৰে শিঙিমাৰী বঁদিয়াসিচা যুটীয়া কৃষি পাম সমবায় সমিতিয়ে।

## অল ইণ্ডিয়া ডি এছ অ'ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৯ ডিচেম্বৰ ঃ** শিক্ষা-সংস্কৃতি-মনুষ্যত্ব ৰক্ষাৰ অংগীকাৰেৰে সমগ্ৰ দেশৰ লগতে কালি তেজপুৰতো অল ইণ্ডিয়া ডি এছ অ'ৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে সংগঠনটোৰ শোণিতপুৰ জিলা সমিতিৰ কাৰ্যালয় প্ৰাংগণত সংগঠনৰ পতাকা উত্তোলন কৰা হয় আৰু এখন আলোচনা সভাও অনুষ্ঠিত কৰা হয়। সভাত জিলাৰ বিভিন্ন অঞ্চলৰ পৰা সংগঠনৰ কৰ্মীসকলৰ লগতে বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। জিলা সম্পাদক মাধুৰ্য গগৈৰ সভাপতিত্বত আয়োজিত আলোচনা সভাত প্ৰতিষ্ঠা দিৱস পালনৰ তাৎপৰ্য ব্যাখ্যা কৰে। ৰাজ্যিক কমিটীৰ সদস্য তথা জিলা কমিটীৰ সভাপতি নয়নমণি চৌধুৰীয়ে। সভাত শিক্ষাৰ প্ৰাণসত্তা ধ্বংসকাৰী জাতীয় শিক্ষানীতি ২০২০ বাতিলৰ দাবীত সমগ্ৰ দেশৰ লগতে শোণিতপুৰ জিলাতো ঐক্যবদ্ধ গণতান্ত্ৰিক ছাত্ৰ আন্দোলন শক্তিশালী কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## জাতীয়তাবাদী যুৱ পৰিষদৰ উদ্যোগত তিনিচুকীয়াত ৰাইজ মেল



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৯ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত যোৱা ২৮ ডিচেম্বৰত তিনিচুকীয়াৰ বিভিন্ন জ্বলন্ত সমস্যাৰ ওপৰত এখন ৰাইজমেল আয়োজন কৰে। সাংবাদিক ৰূপম কাকতিৰ সঞ্চালনাত অনুষ্ঠিত ৰাইজমেলৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিষদৰ জিলা সভাপতি প্ৰাঞ্জল নেওগে। মেলত তিনিচুকীয়াৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰে ক্ৰমে জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰ, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল ৰৌফ, জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মুনীন দুৱৰা, মটক যুৱ-ছাত্ৰ সন্মিলনৰ দেৱজিৎ বৰুৱা, খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমৰ সম্পাদক দ্বীপেন লাহন, হিন্দু যুৱ পৰিষদৰ সভাপতি কৈলাশ মাহাতু, তাই আহোম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক নয়ন বুঢ়াগোহাঁই, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি পাপু দত্ত, গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰবি ছেত্ৰী, হিন্দু ছাত্ৰ সন্থাৰ জিলা সভাপতি নিপেন পাঠক সম্পাদক সম্ৰাট ৰায়চৌধুৰী, মিচিং বানে কেবাঙৰ জিলা সমিতিৰ সম্পাদক সৌৰভ লাগাচু, মটক যুৱ ছাত্ৰ পৰিষদৰ জিলা সভাপতি কৃষ্ণ কান্ত কাকতি, বীৰ লাচিত সেনাৰ জিলা সম্পাদক ভৃগু বুঢ়াগোহাঁই, সভাপতি পুলকেশ বৰুৱা, জাতীয়তাবাদী যুৱ পৰিষদৰ জিলা সমিতিৰ সম্পাদক মিঠুন বৰুৱা, কাৰ্যকৰী সভাপতি লক্ষীকান্ত বড়া, গণতান্ত্ৰিক নাগৰিক সমাজৰ আহ্বায়ক বংকিম চন্দ্ৰ গগৈ প্ৰমুখ্যে কে'বাটাও সংগঠনৰ নেতৃবৃন্দই। তিনিচুকীয়াৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু স্থানীয় বিধায়কজনে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি বক্তাসকলে সমালোচনা কৰে। সভাই তিনিচুকীয়াৰ সমস্যাৰাজিৰ ওপৰত নটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰি সমস্যাসমূহ সমাধানৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক স্মাৰকপত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে অনাগত দিনত সমস্যাসমূহ সমাধানৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আন্দোলনৰ পথ গ্ৰহণ কৰিব বুলি প্ৰস্তাৱ গ্ৰহণ কৰে।

## টিংখাঙত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**টিংখাং, ২৯ ডিচেম্বৰ ঃ** টিংখাং ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত টিংখাং প্ৰাথমিক শিক্ষক ভৱনত দলীয় নেতা-কৰ্মীৰ সহযোগত দলৰ ১৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনৰ পাছতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি টিংখাঙৰ কংগ্ৰেছ কমিটীৰ অন্তৰ্গত পাঁচগৰাকী জ্যেষ্ঠ কংগ্ৰেছৰ নেতা ক্ৰমে গুৰুচৰণ কুমাৰ, মনো ধাদুমীয়া, বেলাল পাটনায়ক, সত্য দেৱে কংগ্ৰেছ দললৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে সম্বৰ্ধনা জনোৱা হয়। সভাত প্ৰাক্তনমন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা এটোৱা মুণ্ডাই বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ বাক্যবাণ নিক্ষেপ কৰে। শেহতীয়াকৈ অসম চৰকাৰে নিয়োগ মেলাৰ নামত অসমৰ লাখ লাখ নিবনুৱাক চূড়ান্তভাৱে প্ৰতাৰণা কৰা বুলি উল্লেখ কৰি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে মুণ্ডাই। কাৰ্যসূচীত টিংখাঙৰ মণ্ডল আৰু ব্লক কংগ্ৰেছৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।

## ডিব্ৰুগড় জিলা সমিতিৰ ন-পুৰণি সতীৰ্থ সন্মিলনৰ কাৰ্যনিৰ্বাহক সভা

### ■ সদৌ অসম প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২৯ ডিচেম্বৰ ঃ** সদৌ অসম প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰে ডিব্ৰুগড় জিলা সমিতিৰ ন-পুৰণি সতীৰ্থ সন্মিলনৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। টেঙাখাত ব্লক সমিতিৰ আতিথ্যত টেঙাখাত উচ্চ বুনিয়াদী বিদ্যালয়ত যোৱা ২৫ ডিচেম্বৰত অনুষ্ঠিত ন-পুৰণি কাৰ্যানিৰ্বাহক সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি কমলেশ্বৰ দত্তই। সভাৰ আদৰণি ভাষণ প্ৰদান কৰে টেঙাখাত ব্লক সমিতিৰ সভাপতি মাধুৰ্য সন্দিকৈয়ে। শিক্ষাৰ্থীৰ শৈক্ষিক দিশ, শিক্ষক সমাজৰ সমস্যাৰাজিৰ লগতে সাংগঠনি দিশৰ গঠনমূল কৰ্মসূচীৰ ওপৰত সভাত আলোচনা কৰা হয়। সমান্তৰালকৈ সৰ্বশিক্ষাত কৰ্মৰত সকলো ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীক নিয়মীয়াকৰণ, পাবলগীয়া মৰগীয়া ভাট্টা মুকলি কৰা, সমকামৰ সমমৰ্যাদা আৰু অসম চৰকাৰৰ লগত হোৱা চুক্তি অনুসৰি ন্যায্যপ্ৰাপ্যৰ দাবী কৰি কাৰ্যনিৰ্বাহক সভাত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলাখনৰ ঠিকাভিত্তিক শিক্ষকসকলে সন্মুখীন হৈ অহা সমস্যাসমূহ সমাধানৰ ওপৰতো কাৰ্যনিৰ্বাহক সভাখনত আলোচনা কৰা হয়। উক্ত সভাতে সঞ্জীৱ পাংগিঙক সভাপতি আৰু চৈতন্য কোঁৱৰক সম্পাদক হিচাপে নতুনকৈ গঠন কৰা সদৌ অসম প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ ডিব্ৰুগড় জিলা সমিতিখনে দায়িত্বভাৰ গ্ৰহণ কৰে।

## শিৱসাগৰ আমোলাপট্টিত নিশা বিধ্বংসী অগ্নিকাণ্ড

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৯ ডিচেম্বৰ ঃ** শিৱসাগৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত আমোলাপট্টিত আজি নিশা প্ৰায় 6-30 বজাত এক ভয়াবহ অগ্নিকাণ্ড সংঘটিত হোৱাত সমগ্ৰ নগৰখনতে এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। নগৰৰ মাজমজিয়াৰ আমোলাপট্টিৰ হেমচন্দ্ৰ বৰুৱা শিশু উদ্যানৰ সন্মুখৰ বাণিজ্যিক ভৱন জনপ্ৰিয় ফ্ৰুইটচ হাউচৰ দ্বিতীয় মহলাত সংঘটিত এই অগ্নিকাণ্ডৰ ফলত লাইফ টাইম ফাৰ্মা নামৰ এটা পাইকাৰী ঔষধ প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। প্ৰাপ্ত বাতৰিমতে লাইফ টাইম ফাৰ্মা নামৰ প্ৰতিষ্ঠানটো দিনৰ ভাগৰ ব্যৱসায়ীক কাম-কাজ সামৰি মাত্ৰ কেই মুহূৰ্ত্তমানৰ পূৰ্বে বন্ধ কৰি ঘৰমূৱা হোৱাৰ পিছতেই ইয়াৰ ভিতৰৰ পৰা ধোঁৱা ওলোৱা প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। লগে লগেই ৰাইজে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত ঘটনাস্থলীত তাৎক্ষণিকভাৱে উপস্থিত হয় ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনীৰ বাহনৰ লগতে অ' এন জি চিৰ অগ্নিনিৰ্বাপক বাহিনীৰ দল। অতি ঘন ব্যৱসায়ীক কেন্দ্ৰ হিচাপে পৰিচিত অঞ্চলটোত অগ্নিকাণ্ডৰ ঘটনাৰ গুৰুত্ব বুজিয়েই তৎমূহুৰ্ত্ততেই ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনী আৰু অ' এন জি চি অগ্নিনিৰ্বাপক বাহিনীৰ মুঠ ছয়খনকৈ গাড়ীয়ে এই জুই নিয়ন্ত্ৰণত নামি পৰে। কেবাঘণ্টা ধৰি অগ্নিকাণ্ড সংঘটিত হৈ থকাৰ সময়ত পাইকাৰী ঔষধ প্ৰতিষ্ঠানটোৰ ভিতৰত জমা থকা বৃহৎ সংখ্যক চেলাইনৰ বটল জুইৰ সংস্পৰ্শলৈ অহাৰ পিছতেই ফটকাৰ দৰে বৃহৎ শব্দ কৰি ফুটাত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। এই অগ্নিকাণ্ডৰ ফলত প্ৰতিষ্ঠানটোৰ ভিতৰত জমা থকা কেইবা লক্ষাধিক টকাৰ ঔষধ সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীৰ ছয়খনকৈ গাড়ীৰ যৌথ প্ৰচেষ্টাত জুই আন ব্যৱসায়ীক প্ৰতিষ্ঠান সমূহলৈ সম্প্ৰসাৰণ হোৱাৰ পূৰ্বেই নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। উল্লেখ্য যে, আজিৰ পৰা তিনিটা বছৰৰ পূৰ্বে সেই অঞ্চলতেই থকা আন এখন পাইকাৰী ঔষধ প্ৰতিষ্ঠানতো অনুৰূপ ধৰণৰ আন এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। ইতিমধ্যে ঘটনাৰ খবৰ পাই আৰক্ষীৰ দল ঘটনাস্থলিত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বৈদ্যুতিক চৰ্টচাৰ্কিটৰ পৰাই এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে যদিও প্ৰকৃত কাৰণ কিন্তু এতিয়াও স্পষ্ট হোৱা নাই।

## আছু কৰ্মীক প্ৰহাৰ আৰক্ষীৰ হোজাইত ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**লংকা, ২৯ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাত ছাত্ৰ সন্থাৰ কৰ্মীৰ ওপৰত আৰক্ষীয়ে কৰা বৰ্বৰ অত্যাচাৰৰ প্ৰতিবাদত আজি হোজাই জিলা ছাত্ৰ সন্থাই হোজাই জিলাৰ সদৰ শংকৰদেৱ নগৰৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ শতাধিক ছাত্ৰ সন্থাৰ কৰ্মীয়ে প্ৰতিবাদী শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। ডিব্ৰুগড় আৰক্ষী গ' বেক, অতুল বৰাৰ কাম নাই, আছু কৰ্মীৰ ওপৰত অত্যাচাৰ বন্ধ কৰক, আছু কৰ্মীক বিনাচৰ্তে মুক্তি দিয়ক, জয় আই অসম আদি ধ্বনি দি শংকৰদেৱ নগৰৰ আকাশ-বতাহ উত্তাল কৰি তোলে। আছু কৰ্মীৰ ওপৰত অমানৱীয় অত্যাচাৰ বন্ধ নকৰিলে অদূৰ ভৱিষ্যত ইয়াতকৈও জংগী আন্দোলন গঢ়ি তোলা হ'ব বুলি হোজাই জিলা ছাত্ৰ সন্থাই হুংকাৰ দিয়ে।

## শিঙিমাৰী প্ৰাথমিক বিদ্যালয়ৰ হাতে লিখা আলোচনী উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৯ ডিচেম্বৰ ঃ** ৩৭১ নম্বৰ শিঙিমাৰী প্ৰাথমিক বিদ্যালয়ৰ হাতে লিখা আলোচনী 'অকণিৰ ৰামধেনু' কালি উন্মোচন কৰা হয়। উন্মোচন কৰে সাংবাদিক ৰত্ন কুমাৰ দাসে। জ্যেষ্ঠ নাগৰিক তথা শিঙিমাৰী লাটৰ সদ্য প্ৰাক্তন গাঁওবুঢ়া হৰেন চন্দ্ৰ বৰ্মনে উন্মোচন কৰা সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বলেন বৰ্মন, শিঙিমাৰী গাঁও পঞ্চায়ত সভানেত্ৰী সাৱিত্ৰী বণিয়া, সদস্য জয়ন্ত বৰ্মন আদিয়ে তেওঁলোকৰ বক্তব্যত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ ওপৰত পৰামৰ্শ দিয়াৰ লগতে প্ৰধান শিক্ষকৰ ভূমিকাক প্ৰশংসা কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভানেত্ৰী জুনু বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত প্ৰধান শিক্ষক পিতৰাম দাসে শলাগৰ শৰাইৰ লগতে বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত পোৱা সহায়-সহযোগৰ বাবে অঞ্চলবাসীক কৃতজ্ঞতা জনায়।

## নাট্যগোষ্ঠী পদাতিকৰ একাংক নাট প্ৰতিযোগিতা সম্পন্ন

### শ্ৰেষ্ঠ নাটক বোকাখাতৰ 'বনচাই'

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৮ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ ঢেকীয়ালৰ প্ৰতিষ্ঠিত নাট্যগোষ্ঠী 'পদাতিক'ৰ দ্বাৰা আয়োজিত সদৌ অসম প্ৰাইজমানি একাংক নাট প্ৰতিযোগিতাৰ অষ্টম সংখ্যক প্ৰতিযোগিতাখনিৰ কালি সামৰণি পৰে। যোৱা ২৫ আৰু ২৬ ডিচেম্বৰত ঢেকীয়াল সাংস্কৃতিক ভৱন প্ৰেক্ষাগৃহৰ মুক্তিযোদ্ধা দ্বাৰিকানাথ গোস্বামী স্মৃতি মঞ্চত অনুষ্ঠিত প্ৰতিযোগিতাত ৰাজ্যৰ ১৯টা বিশিষ্ট নাট্যদলে অংশ লয়। ইয়াত বোকাখাতৰ 'নব্য নাট্যকৰ্মী' দলে 'বনচাই' নাটকেৰে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ বিপৰীতে নগাঁৱৰ 'নিবেদন' নাট্য দলে 'বাখৰুৱা নৈ-ৰ'দৰ ঘাট' নাটকেৰে দ্বিতীয় শ্ৰেষ্ঠ, বিশ্বনাথ চাৰিআলিৰ 'এনাজৰী' নাট্যদলে 'এই সময়, সু-সময়' নাটকেৰে তৃতীয় শ্ৰেষ্ঠ, নলবাৰীৰ' প্ৰজন্ম-এক অবিৰত যাত্ৰা' ই-'নিংনি' নাটকেৰে চতুৰ্থ শ্ৰেষ্ঠ আৰু নগাঁও, পুৰণি গুদামৰ 'ভাস' থিয়েটাৰে 'দেউতা' নাটকেৰে পঞ্চম শ্ৰেষ্ঠ সন্মান লাভ কৰে। প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ শৃংখলাৱদ্ধ নাট্যদলৰূপে বিবেচিত হয় সৰুপথাৰৰ 'চিফুংকলা আৰু সাংস্কৃতিক বিদ্যালয়'ৰ নাটক 'পঞ্চম বেদ' আৰু শ্ৰেষ্ঠ মনোৰঞ্জনধৰ্মী নাটকৰ সন্মান লাভ কৰে বোকাখাতৰ' সাৰথি নাট্য দলৰ নাটক 'দ্য চুইং'। শ্ৰেষ্ঠ জনপ্ৰিয় নাটক মংগলদৈৰ 'ব্ৰেইনলেচ হে'ড'। শ্ৰেষ্ঠ পৰিচালক বিবেচিত হয় বোকাখাতৰ (বনচাই) ৰাতুল ফুকন। শ্ৰেষ্ঠ পৰিচালক মঙলদৈৰ (ব্ৰেইনলেচ হে'ড) বিশ্বজিৎ ডেকা। শ্ৰেষ্ঠ অভিনেতা শিৱসাগৰৰ 'উকা ড্ৰামা ৱৰ্কচ নাট্যদল'ৰ 'ৰজা জৰ্দগৰ' নাটকৰ মাহাত্ম্য চৰিত্ৰৰ মোহন হাজৰিকা। শ্ৰেষ্ঠ অভিনেত্ৰী বিশ্বনাথ চাৰিআলিৰ 'এনাজৰী নাট্যদল'ৰ জ্ঞানৰী বৰা। দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী ক্ৰমে নগাঁৱৰ বিদ্যুৎ কুমাৰ নাথ আৰু বৰপেটাৰ শিখা দাস। শ্ৰেষ্ঠ কৌতুক অভিনেতা নলবাৰীৰ দিগন্ত ভৰালী। শ্ৰেষ্ঠ শিশুশিল্পী নিকিতা বৰা। শ্ৰেষ্ঠ পাণ্ডুলিপি 'বান্দৰ এক ওভতনি যাত্ৰা'ৰ পবিত্ৰ ৰাজখোৱা। বিচাৰকৰ আসন অলংকৃত কৰে যোৰহাটৰ অভিনেতা মানবেন্দ্ৰ শৰ্মা, বিশ্বনাথ চাৰিআলিৰ নাট পৰিচালক কুশল ডেকা আৰু নলবাৰী বৰনৰ্দ্দীৰ নাট্য পৰিচালক কিশোৰ চক্ৰৱৰ্তী। প্ৰথম দিনা গোলাঘাট জিলা ভিত্তিত চিত্ৰাংকণ প্ৰতিযোগিতা সম্পন্ন হয়। দুয়োদিনেই সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত এই নাট প্ৰতিযোগিতাৰ সফল সামৰণি পৰাত নাট্যগোষ্ঠী পদাতিকে সকলো শ্ৰেণীৰ ৰাইজক কৃতজ্ঞতা জনাইছে।

## ধুবুৰীত আয়োজিত ৪৯ সংখ্যক সদৌ অসম ব'ডী বিল্ডিং-ফিজিক্ স্প'ৰ্টছ প্ৰতিযোগিতাত

### ■ শোণিতপুৰৰ প্ৰতিযোগীয়ে কঢ়িয়ালে সুনাম

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৯ ডিচেম্বৰ ঃ** ধুবুৰীত অনুষ্ঠিত ৪৯সংখ্যক সদৌ অসম ব'ডী বিল্ডিং আৰু ফিজিক্ স্প'ৰ্টছ প্ৰতিযোগিতাত শোণিতপুৰ জিলাৰ প্ৰতিযোগীয়ে ভাল প্ৰদৰ্শনৰে সুনাম কঢ়িয়াবলৈ সক্ষম হয়। যোৱা ২৫ ডিচেম্বৰৰ পৰা ধুবুৰী চহৰৰ ৰজা প্ৰভাত চন্দ্ৰ খেলপথাৰত হোৱা দুদিনীয়া প্ৰতিযোগিতাখন "ধুবৰী ডিষ্ট্ৰিক্ট ফিজিক্ স্প'ৰ্টছ এছ'চিয়েন"ৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। ৰাজ্যিক ভিত্তিক ব'ডী বিল্ডিং প্ৰতিযোগিতাখনত অসমৰ ২৫খন জিলাৰ তিনিশ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শোণিতপুৰ জিলাৰ দিব্যজ্যোতি শইকীয়াই পুৰুষৰ ৭৫ কেজি ব'ডী বিল্ডিং শাখাত সোণৰ পদক জয় কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত মহিলাৰ ফিটনেছ শাখাত ৰিছিকা বৰাই ৰূপৰ আৰু ছায়া বৰুৱাই ব্ৰঞ্জৰ পদক বুটলিবলৈ সক্ষম হয়। পুৰুষৰ জুনিয়ৰ ৫৫ কেজি বডিবিল্ডিং শাখাত ছুমন সৰকাৰে পঞ্চম স্থান অধিকাৰ কৰে। পুৰুষৰ জুনিয়ৰ ৬৫ কেজি ব'ডী বিল্ডিং শাখাত জগদীশ বৈশ্যই ৰূপৰ পদক আৰু বিকি ভূঞাই ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ জুনিয়ৰ ৭৫ কেজি ব'ডী বিল্ডিং শাখাত ইজাজ আহমেদে ৰূপৰ পদক লাভ কৰে। ছিনিয়ৰ ৫৫ কেজি ব'ডী বিল্ডিং শাখাত বিশ্বজিত বৰাই চতুৰ্থ স্থান পায়। আই বি বি এফৰ স্বীকৃতিপ্ৰাপ্ত অসম ব'ডী বিল্ডাৰ্ছ এণ্ড ফিটনেছ এছ'চিয়েছনৰ উদ্যোগত অনুষ্ঠিত ৪৯তম ৰাজ্যিক ব'ডী বিল্ডিং আৰু ফিটনেছ প্ৰতিযোগিতাত শোণিতপুৰ দলৰ হৈ টেকনিকেল বিষয়াৰূপে বিভুধ ডেকা, পংকজ বৰা, নুপুৰ ৰঞ্জন শইকীয়া আৰু দুদু তামুলী, টিম পৰিচালক তথা মহিলাৰ প্ৰশিক্ষকৰূপে উপৰ্ণ ডেকা আৰু পুৰুষৰ প্ৰশিক্ষকৰূপে চালামত দেৱানে অংশগ্ৰহণ কৰে।

## আজাৰাত ব্যতিক্ৰমী অনুষ্ঠান ইতিবাচক

১২ *পৃষ্ঠাৰ পৰা* ঠাকুৰীয়া 'সমাজ সেৱা', ৰাতুল চন্দ্ৰ গোস্বামী সামাজিক নেতৃত্ব', গংগা চৌধুৰী 'মডেলিং'আৰু নিলীম আকাশ বৰুৱা 'ক্ৰীড়া'ক ফুলাম গামোচা, জাপি আৰু মানপত্ৰৰে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়।

## মেৰাপানীত মধ্যাহ্ন ভোজনৰ পৰা

১২ *পৃষ্ঠাৰ পৰা* উল্লেখ কৰা মতে, উক্ত বিদ্যালয়ত ৰান্ধনী তিনিগৰাকী আছে যদিও আজি এগৰাকীও উপস্থিত নাই। সেয়েহে আজি ছাত্ৰ-ছাত্ৰীৰ বাবে ৰন্ধা নহ'ল বুলি কয়। উল্লেখ্য যে তিনিগৰাকী ৰান্ধনী থকাৰ পাছতো বিদ্যালয়ত কোনো এগৰাকী ৰান্ধনী কিয় উপস্থিত নাই সেয়াও এক ৰহস্যৰ বিষয় হৈ পৰিছে। আন এক অভিযোগ মতে, প্ৰধান শিক্ষকজনে আজি ৰান্ধনীক ভাত ৰান্ধিবলৈ মানা কৰা বাবে ৰান্ধনীসকল বিদ্যালয়ত উপস্থিত নহ'ল বুলিও অভিযোগ উঠিছে। উল্লেখ্য যে উল্লেখিত বিদ্যালয় দুখনৰ প্ৰধান শিক্ষক দুজনে শিক্ষা বিভাগে জাৰি কৰা মধ্যাহ্ন ভোজনৰ আঁচনিখন ধোঁৱাচাঙত তুলি মইমতালিৰে শিক্ষা আঁচনি ৰূপায়ণৰ চেষ্টা চলাই আহিছে। ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কৰি ছাত্ৰ-ছাত্ৰীৰ নামত আবন্টিত ধন দুজন প্ৰধান শিক্ষকে আত্মসাৎ কৰি আহিছে। সেয়েহে জিলা শিক্ষা বিভাগে উক্ত বিদ্যালয় দুখনৰ প্ৰধান শিক্ষক দুজনৰ কৰ্ম-কাণ্ডৰ সবিশেষ তদন্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ ৰাইজে দাবী জনাইছে।

## অমৰাৱতী বৃদ্ধাশ্ৰমৰ অধিৱেশন সম্পন্ন

১২ *পৃষ্ঠাৰ পৰা* পৰিচালিত হৈ থকা বৃদ্ধাশ্ৰমৰ চৌহদৰবেৰ গৃহ নিৰ্মাণ কৰা বুলি উল্লেখ কৰে। বিভিন্নজনে তেওঁলোকৰ পিতৃ-মাতৃৰ সোঁৱৰণত নিৰ্মাণ কৰাই দিয়ে সকলো সুবিধাযুক্ত কোঠাৰে দুমহলীয়াকৈ আবাস গৃহ কাৰ্যালয়, জিৰণি কোঠা আদি নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰে। তোৰণ, প্ৰাৰ্থনা গৃহ, পৰিচৰ্যা কেন্দ্ৰ আদিও ইতিমধ্যে নিৰ্মিত হৈছে। ১৫০গৰাকী লোক ৰাখিব পৰাকৈ পৰিকল্পনা কৰা অমৰাৱতীত বৰ্তমান ৫০গৰাকী ৰখাৰ সকলো সুবিধা হৈছে যদিও ১৫ গৰাকীহে আবাসীৰূপে বৰ্তমান আছে। সম্পাদকজনে বিগত তিনি বছৰৰ আয়-ব্যয়ৰ খতিয়ানৰ লগতে বৰ্তমান জমা থকা ধনৰ সম্পৰ্কতো ৰাইজক অৱগত কৰে। মুখপত্ৰ চতুৰ্থ সংখ্যা উন্মোচন কৰি যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱব্ৰত শৰ্মাই ৰাইজৰ প্ৰচেষ্টাত প্ৰতিষ্ঠিত অমৰাৱতীৰ কাম-কাজ আৰু কৰ্মীসকলৰ দায়বদ্ধতাৰ শলাগ লয়। যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি কোঁৱৰ, অ'এনজিচিৰ উপ-মহাপ্ৰবন্ধক-এ পুণ্ডুলেণ্ডী, জ্যেষ্ঠ ব্যক্তি বিশ্বম্বৰ সিঙে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। কাৰ্যকৰী সভাপতি জগত বৰঠাকুৰ প্ৰমুখ্যে যোৰহাটৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰা সভাত আদৰণী ভাষণ আগবঢ়াই ড° নিৰ্মল চন্দ্ৰ বৰাই।

## অসমীয়াৰ এলাহৰ বাবে বাংলাদেশীয়ে বজাৰ দখল কৰিছে

### ■ নলবাৰীৰ তিলানাত গ্ৰামশিল্পী প্ৰকোষ্ঠ শীৰ্ষক সজাগতা সভাত ডাঃ উমেশ চক্ৰৱৰ্তী



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৯ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ তিলানা যুৱক সংঘ প্ৰাংগণত লঘু উদ্যোগ ভাৰতী, পূৰ্বোত্তৰ প্ৰান্তৰ উদ্যোগত কালি থলুৱা লোকশিল্পৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। লোকশিল্পৰ অংগ জাপি, কাৰু, ক্ষুদ্ৰ উদ্যোগ লাড়ু, পিঠা, শিপিনীৰ তাত আদিৰ বজাৰ দখল সন্দৰ্ভত সজাগতা অনুষ্ঠানৰ লগতে প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়। তদুপলক্ষে মনোজ লুন্দিয়াৰ সঞ্চালনাত আৰু লঘু উদ্যোগ ভাৰতীৰ উত্তৰ-পূবৰ সম্পাদক অৰূপ বৰপূজাৰী আঁতধৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে অখিল ভাৰতীয় ৰাষ্ট্ৰীয় সচিব সমীৰ মুন্দ্ৰা, ৰাষ্ট্ৰীয় সম্পাদক আশিস দেউৰা, আৰ এছ এছৰ উত্তৰ অসম প্ৰান্তৰ ক্ষেত্ৰসংঘ চালক ডাঃ উমেশ চক্ৰৱৰ্তী, উদ্যোগপতি জি এল আগৰৱালা, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধক চন্দন তালুকদাৰ, জাপি শিল্পৰ পূৰ নলবাৰী সমিতিৰ সভাপতি বিজয় তামুলী, তিলানা গাঁৱৰ সম্পাদক মিন্টু তামুলী, সাংবাদিক ৰাজেন বৈশ্য, প্ৰাঞ্জল শৰ্মা সহ অসমীয়া থলুৱা লোকসংস্কৃতিৰ বিভিন্ন শিল্পীৰ স'তে জড়িত শিল্পীসকল উপস্থিত থাকে। অনুষ্ঠান ভাষণ ৰাখি ৰাষ্ট্ৰীয় সচিব সমীৰ মুন্দ্ৰাই কয় যে উৎপাদন কৰিলেই নহ'ব। বজাৰ দখল কৰিব লাগিব। প্ৰতিখন ৰাজ্যৰ সামগ্ৰী বিক্ৰী আৰু মেলা, প্ৰদৰ্শনী কৰিও লঘু উদ্যোগ ভাৰতী সজাগঁ কৰাৰ ব্যৱস্থা ল'ব বুলি ভাষণত উল্লেখ কৰে। ভাৰতৰ সকলো সামগ্ৰীৰ দৰে অসমৰ শিপিনীৰ গামোচা, জাপি, কাৰু শিল্পৰ সামগ্ৰীসমূহে যাতে ভাৰতৰ বজাৰ দখল কৰিব পাৰে তাক পদক্ষেপ লোৱা হ'ব বুলি ব্যক্ত কৰে। ডাঃ উমেশ চক্ৰৱৰ্তীয়ে ভাষণত কয় যে ভাৰত, অসমৰ সকলো গাঁও পূৰ্বতে আত্মনিৰ্ভৰশীল আছিল বাবেই ধৰ্ম, সংস্কৃতি আজিও ৰক্ষা হৈ আছে। বৰ্তমান পৰিস্থিতি জটিল। অসমীয়াৰ ভূমি বাংলাদেশীয়ে নিম্ন মূল্যত কৌশলীভাৱে ক্ৰয় কৰি বজাৰ দখল কৰিছে। গতিকে অসমীয়াই এলাহ কৰিলে নহ'ব। গোট, সমবায় ভিত্তিত সামগ্ৰী উৎপাদন কৰি আত্মনিৰ্ভৰশীল হ'ব লাগিব। অনুষ্ঠানত প্ৰকল্প প্ৰবন্ধক চন্দন তলুকদাৰে কয় যে এজনে এটা কামহে কৰা দৰকাৰ। উৎপাদন কৰাজনে বিক্ৰীৰ কাম কৰিব নালাগে। বিগত বৰ্ষত নলবাৰীত ৰাজসাহায্য যুক্ত ঋণ ১২৫ কোটি কোনো অনিয়ম নোহোৱাকৈ দিয়া হৈছে। যাৰ বাবে বেংকে এতিয়া উপযাচি ঋণ দিবলৈ আগবাঢ়ি আহিছে। একাত্মভাৱে কাম কৰিলে সকলোৱে সফল হ'ব পাৰে বুলি তেওঁ উল্লেখ কৰে। শেষত ৰাষ্ট্ৰীয় সংগীত আৰু শান্তি মন্ত্ৰৰে সজাগতা অনুষ্ঠানৰ সামৰণি পৰে।






## পূৱ মণ্ডুল টাইকোৱান-ড'ত মৰাণ শ্ৰেষ্ঠ

অগ্ৰদূত বাৰ্তা
**মৰাণ, ২৯ ডিচেম্বৰ ঃ** পূৱ মণ্ডল টাইকোৱান-ড' সন্থাৰ উদ্যোগত চৰাইদেউ জিলাৰ সোণাৰিত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা দ্বিতীয় বাৰ্ষিক পূৱ মণ্ডল টাইকোৱান-ড' প্ৰতিযোগিতাত মৰাণ জিলা টাইকোৱান-ড' সন্থাৰ দলটো শ্ৰেষ্ঠৰূপে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উক্ত প্ৰতিযোগিতা মৰাণৰ 41 জন খেলুৱৈ অংশ গ্ৰহণ কৰিছিল । ইয়াৰে আঠজনে সোণৰ পদক, ছজনে ৰূপ আৰু 15 জনে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয় । ইফালে, ৰাহুল ফুকনে লৰা'ৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে।

### ১৭৪ ৰাণত দ্বিতীয় ইনিংছ সামৰিলে টীম ইণ্ডিয়াই ঃ অন্তিম দিনা পৰাজয়ৰ সংগ্ৰামত ঘৰুৱা দল

# দক্ষিণ আফ্ৰিকাক ৩০৫ বিজয়লক্ষ্য দিলে ভাৰতে



**চেঞ্চুৰিয়ন, ২৯ ডিচেম্বৰ ঃ** ভাৰতে তিনিখনীয়া টেষ্ট শৃংখলাৰ চলিত প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাৰ সন্মুখত 305 ৰাণৰ বিজয়লক্ষ্য ৰাখিছে। ইফালে, এই লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই চতুৰ্থ দিনাৰ খেলৰ অন্তত দ্বিতীয় ইনিংছত চাৰিটা উইকেট হেৰুৱাই 94 ৰাণ কৰিছে। উল্লেখ্য যে প্ৰথম ইনিংছত 130 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰা ভাৰতে আজি দ্বিতীয় ইনিংছ সামৰে 174 ৰাণত। দ্বিতীয় ইনিংছত টীম ইণ্ডিয়াৰ কোনো এজন বেটছমেনে দৃঢ়তাৰে খেলিবলৈ সক্ষম নহ'ল। প্ৰথম ইনিংছত শতক অৰ্জন কৰা অপেনাৰ তথা সহঃঅধিনায়ক ৰাহুলে 23 ৰাণ কৰাৰ বিপৰীতে উইকেটৰক্ষক বেটছমেন ঋষভ পণ্টে 34 ৰাণ কৰে। মায়ংকে 4, পূজাৰাই 16, বিৰাটে 18, ৰাহানে 20, অশ্বিনে 14 আৰু ছাৰ্দুলে 10 ৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ ৰাবাডা আৰু মাৰ্কোই চাৰিটাকৈ উইকেট পায়। উল্লেখ্য যে চেঞ্চুৰিয়ানত হোৱা টেষ্টখনত ভাৰতৰ প্ৰথম ইনিংছৰ 327 ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 197 ৰাণতে প্ৰথম ইনিংছ সামৰে আৰু ঘৰুৱা দলটো 130 ৰাণত পিছ পৰি থাকে। ভাৰতীয় দলৰ হৈ অপেনিং বেটছমেন লোকেছ ৰাহুলে 123 ৰাণৰ শতকীয় ইনিংছ খেলে। কিন্তু প্ৰথম ইনিংছত ভাৰতক অগ্ৰগতি দিয়াত মূখ্য ভূমিকা লয় পেচ বলাৰ মহম্মদ ছামিয়ে। পাঁচটা উইকেট লাভ কৰে ছামিয়ে। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে হোৱা নাছিল। কিন্তু বাকী তিনিদিনৰ খেলত ভাৰতে অধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। কাইলৈ অন্তিম দিনা টেষ্টখনত ভাৰতৰে জয়ৰ সম্ভাৱনা অধিক। কাৰণ দক্ষিণ আফ্ৰিকা হাতত ছটা উইকেট থকাত এতিয়াও 211 ৰাণত পিছ পৰি আছে।

## ফাইনেলত ৰেডিয়েলৰ বিৰুদ্ধে ষ্টাৰ স্প'ৰ্টিং ক্লাব



অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ২৯ ডিচেম্বৰ ঃ** নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি হোৱা দ্বিতীয়খন ছেমিফাইনেলত ষ্টাৰ স্পৰ্টিং ক্লাবে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দলে 123 ৰাণত পৰাস্ত কৰে ত্ৰিনয়ন গোষ্ঠীক। উল্লেখ্য যে মেচখনত ষ্টাৰ স্পৰ্টিং ক্লাবে 214-9 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ত্ৰিনয়ন গোষ্ঠীয়ে 91-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ফাইনেলত ষ্টাৰ স্পৰ্টিং ক্লাব মুখামুখি হ'ব ৰেডিয়েল ক্লাবৰ। প্ৰথম ছেমিফাইনেলত ৰেডিয়েল ক্লাবে পৰাস্ত কৰিছিল ইলাইট ক্লাবক।

## কলিয়াবৰৰ নিউ ষ্টাৰ ক্লাবৰ যোগ্যতা অৰ্জন

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** কলিয়াবৰৰ নিউ ষ্টাৰ ক্লাবে অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈছে। আজি কলিয়াবৰত হোৱা ফাইনেল মেচত নিউ ষ্টাৰ ক্লাবে 67 ৰাণত পৰাস্ত কৰে সন্মিলন সংঘক। পোনতে বেটিং কৰি নিউ ষ্টাৰ ক্লাবে 228-9 ৰাণ কৰে। প্ৰত্যুত্তৰত, সন্মিলন সংঘ দলে 161-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম স্তৰত যিসকল চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হৈছে প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমুহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ। চেম্পিয়ন হৈ নিউ ষ্টাৰ ক্লাবে দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে।

### অমৃত-কুসুম প্ৰাইজমানি ফুটবল

## ভি আই পি চেম্পিয়ন

অগ্ৰদূত বাৰ্তা
**আজাৰা, ২৯ ডিচেম্বৰ ঃ** ভি আই পি'ৰ শ্যামভূমি খেলপথাৰত ভি আই পি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ খিতাপ লাভ কৰিছে ভি আই পি ইউনাইটেড এফ চিয়ে। আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ ফাইনেল খেলখন নিৰ্ধাৰিত সময়ত 1-1 গ'লত ড্ৰ হয় ।ইয়াৰ পিচত টাইব্ৰেকাৰ পদ্ধতিত অনুষ্ঠিত খেলখনত ভি আই পি ইউনাইটেড এফ চি'য়ে 5-4 গ'লত জয়লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত বিজয়ী দলক নগদ 30 হেজাৰ টকা আৰু চলন্ত ট্ৰফী তথা বিজিত দলক 20 হেজাৰ টকা আৰু চলন্ত ট্ৰফী প্ৰদান কৰা হয়। প্ৰতিযোগিতাৰ শ্ৰষ্ঠ খেলুৱৈৰ বঁটা আৰু ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ক্ৰমে মৃদুল দাসে।



### আজি সামৰণি পৰিব যোৰহাট অপেন মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা

## দ্বিমুকুটৰ লক্ষ্যৰে খেলিব অন্তৰীশ তামুলীয়ে

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** অসম টেনিছ সন্থাৰ সহযোগত যোৰহাট টেনিছ ক্লাবত চলি থকা 30 সংখ্যক যোৰহাট অপেনৰ ল'ৰাৰ 12 বছৰ অনূৰ্ধৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে চান্দোজ্ঞ পাঠক আৰু মহাৰ্ণৱ বি বৰুৱা। উল্লেখ্য যে এই শাখাৰ ছেমিফাইনেলত পৰাস্ত হয় আৰৱ ঢেকিয়াল আৰু নিবৰাছ কে হুছেইন। ইফালে, মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনৰ একক শাখাৰ ল'ৰাৰ 14 বছৰ অনূৰ্ধ শাখাৰ ছেমিফাইনেলত অন্তৰীশ তামুলীয়ে আৰিয়ান বৰাক তথা ৰিয়ান কাশ্যপে বেদ আদিত্য কলিতাক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ল'ৰাৰ 14 বছৰ অনূৰ্ধ শাখাৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে অন্তৰীশ তামুলী আৰু আৰিয়ান বৰা যুটী তথা বেদ আদিত্য কলিতা আৰু জিষ্ণু দাস যুটী। ইফালে, ছোৱালীৰ একক শাখাৰ 14 বছৰ অনূৰ্ধৰ ছেমিফাইনেলত প্ৰৱেশ আদ্ৰিকা ৰাজকুমাৰীয়ে ৰ'ছনি ভৰদ্বাজক হৰুৱাই তথা অৰ্ণবী দেৱনাথক বিষ্ণুপ্ৰিয়া বৰগোহাঁয়ে পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। স্মৰ্তব্য যে ছোৱালীৰ একক শাখাৰ 18 বছৰ অনূৰ্ধৰ ছেমিফাইনেলত ইতিমধ্যে প্ৰৱেশ কৰিছে আদ্ৰিকা ৰাজকুমাৰী, তানিয়া কুমাৰী, তানিস্কা পাটৰ আৰু বিষ্ণুপ্ৰিয়া বৰগোহাঁই। উল্লেখ্য যে যোৰহাট টেনিছ ক্লাবৰ ক'ৰ্টত অনুষ্ঠিত হোৱা মেজৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখন কাইলৈ সামৰণি পৰিব। এইবাৰ যোৰহাট অপেন টেনিছ প্ৰতিযোগিতাখনত ল'ৰাৰ 12, 14, 18 বছৰ অনূৰ্দ্ধ একক শাখাৰ তথা ল'ৰাৰ 14 বছৰ অনূৰ্দ্ধ ডাবলছ শাখাৰ খেল হোৱাৰ লগতে ছোৱালীৰ 14, 18 বছৰ অনূৰ্দ্ধৰ একক শাখাৰ আৰু পুৰুষৰ একক-ডাবলছ শাখাৰ খেল হৈছে। প্ৰতিযোগিতাত অংশ লৈছে গুৱাহাটী, গোলাঘাট, এন আৰ এল, শিৱসাগৰ, ডিব্ৰুগড়, তেজপুৰ, দূলীয়াজান আৰু যোৰহাটৰ খেলুৱৈয়ে।



## চিটী ক্ৰিকেট ক্লাবৰ জয়

**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত চিটী ক্ৰিকেট ক্লাবে ছয় উইকেটত পৰাস্ত কৰে শান্তিপুৰ এ চিক। পোনতে বেটিং কৰি শান্তিপুৰ এ চি দলে 108-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, চিটী ক্ৰিকেট ক্লাবে 111-4 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।

## প্ৰাইজমানি ক্ৰিকেটত দন্দুৱা ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৯ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়াম, হাইস্কুল খেলপথাৰত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত দন্দুৱা ক্ৰিকেট ক্লাবে অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত দন্দুৱা ক্ৰিকেট ক্লাবে জে এন আৰ এছ ক্ৰিকেট ক্লাবক সাত ৰাণত পৰাস্ত কৰে। খেলখনত দন্দুৱা ক্ৰিকেট ক্লাবে পোনতে বেট ধৰি 14.5 অভাৰত সকলো উইকেটৰ বিনিময়ত 107 ৰাণ সংগ্ৰহ কৰে।প্ৰত্যুত্তৰত জে এন আৰ এছ ক্ৰিকেট ক্লাবে 15 অভাৰত সকলোকেইটা উইকেট হেৰুৱাই 100 ৰাণহে কৰিবলৈ সক্ষম হয়। বৃহস্পতিবাৰে প্ৰতিযোগিতাৰ কোনো খেল নাই। অহা শুকুৰবাৰৰ খেলত নগাঁৱৰ ৰাঙলু ইয়ং ষ্টাৰ ক্লাবে বৰচুকাবাহাৰ ন-জোৱান যুৱক সংঘৰ বিৰুদ্ধে প্ৰতিদন্দ্বিতা কৰিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।

## হাতীপটি চাহ বাগিচা ফুটবল দল চেম্পিয়ন

অগ্ৰদূত বাৰ্তা
**মৰিয়নি-তিতাবৰ, ২৯ ডিচেম্বৰ ঃ** অসম চাহ মজদুৰ সংঘ তিতাবৰ শাখাৰ সৌজন্যত কিবিল কৰ্মকাৰ আৰু ইন্দ্ৰ নায়ক স্মৃতি প্ৰথম বাৰ্ষিক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন তিতাবৰ কাছজান চাহ বাগিচা খেল পথাৰত অনুষ্ঠিত হৈ যায়। চাহ মজদুৰ সংঘৰ উদ্যোগত প্ৰথমবাৰৰ বাবে আয়োজিত প্ৰাইজমানি প্ৰতিযোগিতাখনত সৰ্বমুঠ 36 টা দলে অংশগ্ৰহণ কৰিছিল। প্ৰায় এমাহজোৰা প্ৰতিযোগিতাৰ অন্তত হাতীপটি চাহ বাগিচা আৰু টাইৰুন চাহ ফুটবল দলৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হয়। খেলখনত হাতীপটি চাহ বাগিচা ফুটবল দলে টাইৰুণ চাহ বাগিছাৰ দলক 3-2 গলত পৰাভূত কৰি খিতাপ দখল কৰে। হাতীপটি দলৰ হৈ পদুম চাহুই দুটা আৰু প্ৰদীপ মাঝিয়ে এটা গল দিয়ে। ফাইনেলত মুখ্য অতিথিৰূপে অংশ লৈ অসম চাহ মজদুৰ সংঘ কেন্দ্ৰীয় সভাপতি পৱন সিং ঘাটোৱাৰ কিক অফ কৰি খেলখন উদ্বোধন কৰে। প্ৰাক্তন সাংসদ গৰাকীক সংগ দিয়ে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। প্ৰতিযোগিতাৰ অন্তত বিজয়ী দলটোক চলন্ত ট্ৰফীৰ লগতে নগদ 15 হেজাৰ টকা আৰু ৰাণাৰ্ছআপ দলটোক চলন্ত ট্ৰফীৰ লগতে নগদ 10 হেজাৰ টকা দিয়া হয়। ইয়াৰ উপৰিও মনি গৰাইকক শ্ৰেষ্ঠ খেলুৱৈ, পদুম চাহুক শ্ৰেষ্ঠ গলদাতা আৰু প্ৰশান্ত গোৱালাক শ্ৰেষ্ঠ গ'লকীপাৰৰ পুৰস্কাৰ প্ৰদান কৰা হয়।



## ৰাষ্ট্ৰীয় ৰোল বলত অসমৰ ল'ৰাৰ দলৰ ব্ৰঞ্জ পদক লাভ



**গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** অসমৰ ল'ৰাৰ দলে জয়পুৰত চলি থকা জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোল বল প্ৰতিযোগিতাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ পদক লাভ কৰিছে। আজি হোৱা ছেমিফাইনেলত মহাৰাষ্ট্ৰই 7-4 গ'লত পৰাস্ত কৰে অসমক। কিন্তু তৃতীয়স্থান নিৰ্ধাৰণকাৰী মেচত অসমে 10-5 গ'লত পৰাস্ত কৰে উত্তৰ প্ৰদেশক। উল্লেখ্য যে গ্ৰুপৰ শীৰ্ষ দল হিচাপে ৰাষ্ট্ৰীয় ৰোল বল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল অসমৰ ল'ৰাৰ দলে। লীগ মেচত অসমৰ ল'ৰাৰ দলে পুনে, চত্তি ছগড়, কেৰালা আৰু তামিলনাডুক পৰাস্ত কৰে। আনহাতে, কোৱাৰ্টাৰ ফাইনেলত অসমৰ ল'ৰাৰ দলে জয়লাভ কৰে মধ্য প্ৰদেশৰ বিৰুদ্ধে। উল্লেখ্য যে অসমৰ ল'ৰাৰ দলে প্ৰতিযোগিতাত ব্ৰঞ্জ লাভ কৰাৰ বিপৰীতে অসমৰ ছোৱালী দলে গ্ৰুপৰ পৰাই বিদায় লয়। অসমৰ ছোৱালী দলে হাৰিয়ানক পৰাস্ত কৰে যদিও ৰাজস্থান আৰু গুজৰাটৰ বিৰুদ্ধে পৰাস্ত হৈ গ্ৰুপৰ পৰাই বিদায় লৈছে।

## অনন্ত দাস ফুটবলৰ ফাইনেল মেচ আজি

**ছয়গাঁও, ২৯ ডিচেম্বৰ ঃ** অনন্ত দাস সোঁৱৰণী দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ 'এ' ডিভিজন ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন কাইলৈ অনুষ্ঠিত হ'ব ।বনগাঁও ক্ৰীড়া সন্থাৰ সহযোগত সন্থাৰ খেলপথাৰত চলি থকা প্ৰতিযোগিতাখনৰ ফাইনেলত জনজাতীয় স্প'ৰ্টিং ক্লাব নংবাগ এফ চিৰ মুখামুখি হ'ব । ফাইনেলৰ আগে আগে বন্দাপাৰা জনতা সংঘ আৰু ৰামপুৰ ইউনাইটেড এফ চি ৰ মাজত মহিলাৰ প্ৰদৰ্শনীমূলক ফুটবল খেল এখন অনুষ্ঠিত হ'ব ।

### ৰাষ্ট্ৰীয় কাৰাটেত অসমৰ সাফল্য

**অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ২৯ ডিচেম্বৰ ঃ** পশ্চিমবংগৰ খঞ্জগপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ অংশগ্ৰহণ কৰা দলটোৱে সাফল্য অৰ্জন কৰিছে।



প্ৰতিযোগিতাখনিত প্ৰশিক্ষক কিশোৰ কলিতা, মৃনাল দাস আৰু ৰাষ্ট্ৰীয় কাৰাটে ফেডাৰেচনৰ কাৰ্যনিৰ্বাহ কৃষ্ণ কলিতাৰ নেতৃত্বত যোৱা দলটিৰ খেলুৱৈসকলৰ ভিতৰত তন্ময় ডেকাই এটি সোণৰ পদক, হৰজোতি দাস আৰু হৃষিকেশ দাসে ৰূপৰ পদক পোৱাৰ লগতে চনুৰাজ কাশ্যপ, অংকুৰ কলিতা, ভাৰ্গৱ ৰাজ, পাৰ্থপ্ৰতিম ঠাকুৰীয়া, তন্ময় দাসে একোটাকৈ ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে অসমৰ দলটোৱে সমগ্ৰ দেশৰ ভিতৰত পঞ্চম স্থানত থাকিবলৈ সক্ষম হৈছে।

## মনোময় বাগিচা ভলীবল ক'চিং চেণ্টাৰ বিজয়ী

অগ্ৰদূত বাৰ্তা
**মৰাণ, ২৯ ডিচেম্বৰ ঃ** মিছন-100 ৰ ব্ৰহ্মপুত্ৰ ভলীবলৰ জিলাৰ লীগত মনোময় চাহ বাগিচা ভলীবল ক'চিং চেণ্টাৰৰ 16 বছৰ অনুৰ্ধৰ ছোৱালী দলে চেম্পিয়ন ট্ৰফী লাভ কৰিছে। দলে লীগত ন কছাৰী ভলীবল ক'চিং চেণ্টাৰক 3-0 ছেটত আৰু চিনামাৰা ভলীবল ক'চিং চেণ্টাৰক 3-1 ছেটত পৰাস্ত কৰে। খেলখনৰ প্ৰাক মুহুৰ্তত প্ৰবীণ মুণ্ডাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত পতাকা উত্তোলন কৰে নৱকিৰণ মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি অৰ্চনা ভট্টাচাৰ্যই। খেলখন আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে মনোময় চাহ বাগিছাৰ মেনেজাৰ বলজিৎ সিংঙে। প্ৰতিযোগিতাৰ ফাইনেলত মনোময় ছোৱালী দলটোৱে চিনামাৰা দলক 3-1 শ্বেটত হৰুৱাই জিলা চেম্পিয়ন হয়। মিছন-100 ৰ ব্ৰহ্মপুত্ৰ ভলীবলৰ পদক্ষেপৰ বাবে চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা ক্ৰীড়াপ্ৰেমী ৰাইজে নৱ কিৰণ মঞ্চৰ লগতে ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন অধিনায়ক অভিজিৎ ভট্টাচাৰ্যৰ ভূয়সী প্ৰশংসা কৰে।



## ৰাষ্ট্ৰীয় টং ইল মুডো মাৰ্ছিয়েল আৰ্টছত অসমৰ সফলতা

**অগ্ৰদূত বাৰ্তা, আজাৰা, ২৯ ডিচেম্বৰ ঃ** হায়দাৰবাদৰ তেলেংগনা চহৰত ভাৰতীয় টং ইল মুডো সন্থাৰ উদ্যোগত অনুষ্ঠিত হৈ যোৱা সপ্তম ৰাষ্ট্ৰীয় টং ইল মুডো মাৰ্ছিয়েল আৰ্টছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা অসমৰ অসম টং ইল মুডো সন্থাৰ 52 জনীয়া লৰা-ছোৱালীৰ দলটোৱে আঠটা সোণৰ, 11 টা ৰূপৰ 11 টা ব্ৰঞ্জৰসহ মুঠ 30 টা পদক লাভ কৰি তৃতীয় স্থান অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে । আন্তৰাষ্ট্ৰীয় অলিম্পিক সন্থা আৰু ভাৰতীয় স্কুল ক্ৰীড়া সন্থাৰ অধীনত স্বীকৃতি প্ৰাপ্ত এই টং ইল মুডো মৰ্ছিয়েল আৰ্টছ প্ৰতিযোগিতা খন ছাব জুনিয়ৰ, জুনিয়ৰ, ছিনিয়ৰ আৰু কেডেট শাখাত অনুষ্ঠিত হয় । অসম টং ইল মুডো সন্থাৰ সম্পাদক তথা আন্তৰাষ্ট্ৰীয় খেলুৱৈ ধৰ্মেশ্বৰ হালৈৰ নেতৃত্বত যোৱা অসম দলটোৰ হৈ সোনৰ পদক অৰ্জন কৰা খেলুৱৈ কেইগৰাকী হল ক্ৰমে কুইন দেৱী, জুনন্যা বৰুৱা, নিলাক্ষী দেৱী, ভায়োলিনা তালুকদাৰ, ৰিকিৰাজ ডেকা, প্ৰিয়ংকা বৰ্মন, বিচিত্ৰা ৰয়,



আৰু মধুস্মিতা বায়ন । আনহাতে ৰূপৰ পদক লাভ কৰা খেলুৱৈ সকল হৈছে -সত্যজিত লস্কৰ , মৌচুমী ডেকা, মৃন্ময় ডেকা, নৱ কান্ত ডেকা, বিউটি দাস বিশ্বাস, হিমাংশু নাথ, জিত মালাকৰ, দিকুমণি ডেকা, বৃন্দাবন ৰয়, মানসী বৰ্মন আৰু পূজা বৰ্মন, । ইপিনে ব্ৰঞ্জ ৰ পদক অৰ্জন কৰিছে নয়ন জ্যোতি বৰদলৈ, ভণিতা দেৱী, মৃগঙ্গা ময়ূৰ তালুকদাৰ, দিগন্ত শৰ্মা, মন্দ্বীপ মালাকৰ, নয়ন মেধি, ৰাতুল মেধি, প্ৰিয়ংকা নাথ, জগদীশ ৰয়, ৰণিত ধৰ আৰু নিলাক্ষী দেৱী । উল্লেখ্য যে এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অসমৰ পৰা যোৱা প্ৰশিক্ষক অশোক বৰ্মন, অভি দেউৰী, অনামিকা ওজা, বিমল দাস, অজয় বিশ্বাস, জয়ন্ত ঠাকুৰীয়া, সঞ্জয় শৰ্মা, নৱ জ্যোতি শৰ্মা আৰু সীমান্ত দাসে এই প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় ৰেফাৰীৰ স্বীকৃতি অৰ্জন কৰিছে । খেলুৱৈ সকলক এই সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে টং ইল মুভো সন্থা, অসমৰ পংকজ কুমাৰ দাস আৰু চন্দন কুমাৰ নাথ দেৱে।

## বিলাসনন্দন চ'ৰা


# লকডাউন নহয়, লকআপ!



**প্ৰথম** প্ৰথম যেতিয়া ভাইৰাছ আহিছিল, তেতিয়া দিল্লীৰ বাদশ্বাহে এটা নতুন শব্দৰ লগত প্ৰজাগণক চিনাকি কৰাই দিছিল। সেই শব্দটো শুনিলে আজিও সকলোৰে গা-মূৰ জিকাৰ খাই উঠে। শব্দটো হ'ল— লকডাউন! তেতিয়াৰে পৰা আটাইৰে ভয়, আৰু লকডাউন হ'ব নেকি? টি আৰ পি অলপ কমা যেন পালেই চেনেলবোৰে বজাই দিয়ে— আকৌ লকডাউন হ'ব! লগালগ টি আৰ পি বাঢ়ি যায়। আজি-কালি অৱশ্যে চেনেলবোৰক বৰ বেছি গুৰুত্ব দিয়া নহয়। কিয়নো ড্ৰয়িংৰূমে ড্ৰয়িংৰূমে চেনেলৰ প'ৰ্টেল ভাৰ্চন ওলাই গৈছে। তাত আকৌ, টি আৰ পিৰ কথা নাথাকে, কথা থাকে ভিউয়াৰ্চৰ! টি আৰ পি আৰু ভিউয়াৰ্চৰ মাজত সমিলমিল এইটোৱে যে দুয়োটাৰ কেনেকৈ বঢ়া-টুটা হয় কোনেও নাজানে। কিন্তু লকডাউনৰ খবৰ দিলে যে দুয়োটাই তেলৰ দামৰ দৰে বাঢ়ি গৈ থাকে, সেয়া ইতিমধ্যে সকলোৱে বুজি গৈছে।

এইবাৰ আকৌ ভাইৰাছ আহি গৈছে। বৰ বিশেষ গৰম নিউজো নাই। আগতে ৰজা-মহাৰজাৰ বিৰুদ্ধে বজোৰা নিউজবোৰহে গৰম হৈছিল। আজি-কালি নিউজ গৰম কৰা সেই তাৱাখন গুদামত পেলাই থৈ দিয়া হৈছে। কিন্তু নিউজবোৰতো গৰম হ'বই লাগিব। কেনেকৈ গৰম হ'ব? লগালগ বাদশ্বাহে এনে এটা মন্ত্ৰ দি দিলে যে বজোৰাৰ লগে লগে নিউজ গৰম হৈ যায়। সেই মন্ত্ৰটোৱে হ'ল— লকডাউন!

কিন্তু এইবাৰ বাদশ্বাহে ধান্দা কৰি আছে বেলেগ। দুই-একে গৈ বাদশ্বাহক লগো ধৰিছে। বাদশ্বাহে আকৌ এইকেইদিন ইউ পিৰ ভোটক লৈ প'ৰ্টেলে প'ৰ্টেলে চলা



ছাৰ্ভেবোৰ বৰকৈ ছাৰ্ভে কৰি আছে। বহুতে নিজাকৈ প'ৰ্টেল খুলি লৈ বাদশ্বাহক ঠিকচে কথা শুনাই থকা ভাচনবোৰো তেওঁ বৰ মনোযোগেৰে চাই আছে। যিবোৰ কথাক লৈ মিউট চেনেলবোৰে সদায় মিউট হৈ থাকে, সেইবোৰ কথা যে আজি-কালি ম'বাইলত বৰকৈ চলি থাকে, সেয়াও বাদশ্বাহে মন কৰি আছে। সেই সময়তে দুই-একে বাদশ্বাহক লগ ধৰি কৈছে— 'জাহাপনা, খবৰটো পাইছেনে?'

ঃ কি খবৰ?
ঃ আকৌ আহিল নহয়!
ঃ কি আহিল? দিদি আকৌ দিল্লী আহিছে নেকি?
ঃ দিদি অহা নাই জাহাপনা!
ঃ তেন্তে?
ঃ ভাইৰাছ আহিছে!
ঃ এইবাৰো ডেল্টা নেকি?
ঃ নহয় জাহাপনা!
ঃ আলফা নেকি?
ঃ নহয়।
ঃ গামা নেকি?
ঃ নহয়।
ঃ তেন্তে এইবাৰৰটোৰ নাম কি?
ঃ বেলেগ নাম।
ঃ কি?
ঃ অ'মিক্ৰন!
ঃ পপকৰ্ণ?
ঃ পপকৰ্ণ নহয় জাহাপনা, অ'মিক্ৰন!
ঃ আচ্ছা! কি কাম এইটোৰ?
ঃ বৰ ডেঞ্জেৰাছ নহয়, কিন্তু তাৰাতাৰি বিয়পে।
ঃ হয় নেকি?
ঃ হয় জাহাপনা!

বাদশ্বাহ পুনৰ ম'বাইল চোৱাত লাগিল। প'ৰ্টেলবোৰত তেওঁক পাৰি থকা গালিবোৰ চাবলৈ ধৰিলে। লগ ধৰিবলৈ অহাকেইজনে সোধো-নোসোধোকৈ সুধিলে— 'দিব নেকি জাহাপনা?'

ঃ কি দিব লাগে?
ঃ ঘোষণা!
ঃ কিহৰ ঘোষণা?
ঃ লকডাউনৰ!
ঃ নাই নিদিওঁ!
ঃ কি দিব?
ঃ এইবাৰ বেলেগ দিম!
ঃ কি দিব জাহাপনা?
ঃ লকআপ!
ঃ এইটো আৰু কি জাহাপনা?

বাদশ্বাহে গৰজি উঠিল— 'কি আৰু হ'ব? যিয়ে যিয়ে মোৰ বিৰুদ্ধে বকি আছে, সৱকে লকআপত ভৰাই থ'ম!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



# শোণিতপুৰৰ পিঠাখোৱাত তিনি সহস্ৰাধিক ম'হ পালনৰে স্বাৱলম্বী হৈছে সোমেশ্বৰ

## জাক জাক ম'হ আৰু এজাক গৰখীয়াৰ নান্দনিক পৰিৱেশ

■ **হৰেণ ভূমিজ**

ঠেলামৰা, ২৯ ডিচেম্বৰ ঃ অসমীয়া সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত গ্ৰাম্য চহা জীৱনৰ এক চিৰপৰিচিত চৰিত্ৰ হ'ল গৰু, ম'হ আৰু গৰখীয়াসকল। গৰু, মহ গৰখীয়াসকলক বাদ দি যেন অসমীয়া চহা জীৱনৰ কথা ভাবিবই নোৱাৰি, গ্ৰাম্য লোকজীৱনত গৰু, ম'হ আৰু গৰখীয়াৰ এক সুকীয়া অস্তিত্বই আছে। অতি প্ৰাচীন কালৰে পৰা অসমৰ চহা লোকসকল গোধনৰ ওপৰতে নিৰ্ভৰশীল হৈ আহিছে, অসমীয়া কৃষিজীৱীসকলে গৰু-ম'হৰ হাল চলাই খেতি-বাতি কৰি সোণগুটিৰে ভঁৰাল বান্ধি অৰ্থনৈতিকভাৱে টনকিয়াল হোৱাৰ পৰিপ্ৰেক্ষিতত গএঞা সমাজে গৰু-গাইৰ এক সুকীয়া অস্তিত্ব স্বীকাৰ কৰে আৰু গৰু-গাই ৰখীয়া বা পালন কৰ্তাসকলোৱেও লোকজীৱনৰ এক প্ৰধান অংগ হিচাপে স্থান পাইছে। কিন্তু সম্প্ৰতি আধুনিকতাৰ ধামখুমীয়াত অসমীয়া সমাজ জীৱনৰ এই অংগসমূহ হেৰাই যাব ধৰিছে। জাক জাক গৰু ম'হৰ ঘৰমুৰা হোৱা ভৰিৰ শব্দত এসময়ত মন মুহিছিল যদিও বৰ্তমান সেই পৰিৱেশ নাই। ঘৰে ঘৰে গৰু ম'হৰ স্থান লৈছে ট্ৰেক্টৰে। গৰখীয়াই জাক জাক গৰু- ম'হ চৰোৱা সেই দুৰ্লভ পৰিৱেশ গ্ৰাম্য জীৱন এতিয়া খুব কমেই দেখিবলৈ পোৱা যায়। কৃষি, উদ্যোগ, ব্যৱসায় বাণিজ্য সকলোতে এতিয়া অত্যাধুনিক যন্ত্ৰ পাতি ব্যৱহাৰ ফলত পূৰ্বে গ্ৰামাঞ্চলত দেখা বহু পৰিৱেশ দুৰ্লভ হৈ পৰিছে। তেনে সময়তে অসমীয়াৰ চহা জীৱনৰ পৰা হেৰাই যাব ধৰা জাক জাহ ম'হৰ স'তে গৰখীয়াই ম'হ চৰোৱা দূৰ্লভ পৰিৱেশৰ বিষয়ে আজি ক'ব বিচাৰিছো। অসমীয়া সমাজৰ জীৱন এই অবিচ্ছেদ্য অংগ আজিও এটা অঞ্চলৰ কৃষিজীৱী অসমীয়াই ধৰি ৰাখিছে। হয়, যিয়ে আপোনাৰো মন প্ৰাণ হৰিব। শোণিতপুৰ জিলাৰ পিঠাখোৱাৰ সোমেশ্বৰ নাথ নামৰ এগৰাকী ম'হ পালকে তিনিশতকৈ অধিক ম'হ পোহপাল কৰি দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। জাক জাক ম'হৰ স'তে পাঁচগৰাকীকৈ গৰখীয়াই ম'হ চৰাই ইয়াত। ম'হ পালক সোমেশ্বৰ নাথ নিজেই গৰখীয়াৰ স'তে ম'হ চৰায়। গৰু ম'হ পালন কৰাটো বৰ্তমান এক প্ৰকাৰৰ প্ৰত্যাহ্বান হৈ পৰিছে যদিও এই গৰাকী লোকে প্ৰত্যাহ্বানৰ মাজতো ম'হ পালনেৰে স্বাৱলম্বী হোৱাৰ উপৰি গাখীৰ উৎপাদনেৰে অঞ্চলটোৰ গাখীৰৰ সমস্যা দূৰ কৰিবলৈ সক্ষম হৈছে। এইগৰাকী ম'হ পালকৰ পৰাই জিলাখনৰ বিভিন্ন ঠাইলৈ গাখীৰ প্ৰেৰণ কৰা হয় বুলি কথা জানিবলৈ দিছে।

ইফালে ম'হ পালক সোমেশ্বৰ নাথে জানিবলৈ দিয়ে যে গাখীৰৰ উপৰি নিজে প্ৰস্তুত কৰা দৈয়ো বিক্ৰী কৰে তেওঁ। বৰ্তমান দৈনিক ৪০১ পৰা ৫০লিটাৰ গাখীৰ উৎপাদন হয় ইয়াত। ইয়াৰ জৰিয়তে গাখীৰ সময়ত দৈনিক ২৫০০টকা গাখীৰ বিক্ৰী কৰে উপাৰ্জন কৰে। উৎপাদিত হোৱা ম'হৰ গাখীৰ বৃহত্তৰ বিহগুৰী অঞ্চলতে বিক্ৰী কৰা হয়। ম'হ পালক নাথে জানিবলৈ দিয়া মতে, তেওঁ বিগত ৩০বছৰ ধৰি ম'হ পালনৰ লগত জড়িত হৈ আছে। ইপিনে ইয়াৰ পূৰ্বে সোমেশ্বৰ নাথৰ পিতৃয়েও ম'হ পালন কৰিছিল। সেই ধাৰাৱাহিকতা ৰক্ষা কৰি এতিয়া সোমেশ্বৰ নাথে জাক জাক ম'হ পালন কৰি আহিছে। ম'হ পালনৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে এইজন সোমেশ্বৰ নাথে। উল্লেখ্য যে এসময়ত গ্ৰামাঞ্চলত গোৱালসকলে পথাৰত গৰু ম'হ নি গৰু ম'হ পথাৰত চৰিবলৈ দি বাঁহী বজোৱা গীত গোৱা, নানান খেল- ধেমালি কৰা আৰু সন্ধিয়া জাক জাক গৰু-ম'হৰ ঘৰমুৱা হোৱা ভৰিৰ শব্দত মন মুহিছিল যদিও বৰ্তমান সেই পৰিৱেশ নাই। ঘৰে ঘৰে গৰু-ম'হৰ স্থান লৈছে ট্ৰেক্টৰে। এনে সময়ত তিনিশতাধিক ম'হ পালনেৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰাই নহয় হেৰাই যাব ধৰা কৃষিজীৱী অসমীয়াৰ পৰম্পৰা আজিও ধৰি ৰাখিছে তেওঁ। সোমেশ্বৰ নাথৰ এই কৰ্মৰাজিক বিভিন্ন জনে প্ৰশংসা কৰিছে।

# চৌদিশে হালধীয়া মানতাৰ কুটি গাঁৱৰ

**তামাৰহাট, ২৯ ডিচেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ কৃষি বিভাগৰ অধীনস্থ তথা নেপালী জনগোষ্ঠীৰ লোকসকলৰ বসতি প্ৰধান মানতাৰ কুটি গাঁৱত জৈৱিক সাৰেৰে উৎপাদন কৰি আহিছে সৰিয়হ। নেপালী জনগোষ্ঠীৰ লোকসকলৰ বসতি প্ৰধান তামাৰহাটৰ মানতাৰ কুটি গাঁৱৰ এতিয়া মনোৰম দৃশ্য। গোসাঁইগাঁও মহকুমা কৃষি বিভাগৰ অধীনস্থ তথা নেপালী জনগোষ্ঠীৰ লোকসকলৰ বসতি প্ৰধান মানতাৰ কুটিৰ গাঁৱত এতিয়া হালধীয়া দলিছা পাৰি দিছে সৰিয়হ ফুলে। চৌদিশে সৰিয়হ খেতিৰে ভৰি পৰিছে খেতি পথাৰ। প্ৰতি বছৰৰ দৰে গাঁৱৰ কৃষকসকলে শ শ বিঘা সৰিয়হৰ খেতি কৰিছে। সৰিয়হ খেতিয়ে আনন্দিত কৰি তুলিছে অঞ্চলটোৰ



সৰিয়হৰ খেতিয়ে কৃষকক দিছে আনন্দ

কৃষকসকলক। কৃষকসকলৰ একাংশ নিজাববীয়াকৈ পানী দিয়াৰ ব্যৱস্থা কৰিছে যদিও বেছি ভাগ কৃষক পানী দিব পৰা নাই খেতি পথাৰত। পূৰ্বৰ তুলনাত এইবেলি উৎপাদন বেছি হোৱাৰ লগতে বজাৰ মূল্য লাভ কৰিব বুলি কৃষকে আশা ব্যক্ত কৰিছে।







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com